# বাজেট অধিবেশন

(অসংশোধিত/প্ৰকাশৰ বাবে নহয়)

## কাৰ্যবিৱৰণী
## তাৰিখ ঃ ১৮/০২/২০১৯ সোমবাৰ

**মাননীয় অধ্যক্ষ ঃ** আজি ইংৰাজী ১৮-০২-২০১৮ তাৰিখে ৰাতিপুৱা ৯.৩০ বজাত অসম বিধান সভাৰ মাননীয় অধ্যক্ষ শ্ৰী হিতেন্দ্ৰ নাথ গোস্বামী মহোদয়ৰ অধ্যক্ষতাত দিনটোৰ বাবে সদনৰ কাম আৰম্ভ হয়।

<u>**প্ৰশ্ন কালীন ঘণ্টা**</u>

**মাননীয় অধ্যক্ষ ঃ** Good morning every body after a break of one week we assemble here once agian. Now, Question No. 134. মাননীয় সদস্য শ্ৰী মৃণাল শইকীয়া।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী মৃণাল শইকীয়া (মাননীয় সদস্য) ঃ** মাননীয় অধ্যক্ষ মহোদয়, যোৱা ২৭ নৱেম্বৰত আমাৰ অসমৰ এজন যুৱক সীমান্ত শইকীয়াই গুজৰাটত এটা মাছমৰীয়া কোম্পানীত কাম কৰি আছিল। মাছ মাৰিবলৈ ওলাই যাওঁতে আৰু বেলেগ ২১জন ভাৰতীয়ৰ লগতে তেওঁকো পাকিস্থানী সৈন্যই ধৰি লৈ গল। তাৰ পিছত সেই যুৱক জনৰ ঘৰত এৰি থৈ গল পত্নী আৰু ৮মহীয়া এটা শিশু। মই সদনত প্ৰশ্ন উত্থাপন কৰিছিলো, মই উত্তৰ এটা পাইছো যে Assam Police has taken up the matter with the Central Agencies for consideration and release of the prisoner. আমাৰ এতিয়ালৈ কি খবৰ পাইছে এই Central Agencies য়ে কি খবৰ দিছে তেওঁলোকক এৰি দিয়াৰ সম্ভাৱনা আছে নে নাই? যিহেতু পাকিস্থানৰ লগত যি সম্পৰ্ক আছিল যোৱা ১৪ তাৰিখৰ পিছত আমাৰ সম্বন্ধ বেয়া হৈ গৈছে। আগতেও এনেকুৱা বহুটো মাছমৰীয়াক নি তেওঁলোকক ধৰি ৰাখে আৰু এই সকলক উলিয়াই আনিবৰ কাৰণে কি ব্যৱস্থা হাতত লব অসম চৰকাৰে যিখিনি প্ৰয়োজন সেইখিনি প্ৰয়োজনীয় হেচা প্ৰয়োগ কৰিছে নে নাই? অসমৰ এয়াই প্ৰথম যে এজন যুৱকে আত্ম সংস্থাপনৰ কাৰণে যাওঁতে তেখেতক পাকিস্থানী সৈন্যই ধৰি লৈ গৈছে আৰু তেওঁৰ ঘৰৰ মানুহখিনি অতি উৎকণ্ঠা বাঢ়ি গৈছে এই ১৪ ফেব্ৰুৱাৰীৰ যি ঘটনা তাৰ পিছত ঘৰৰ মানুহখিনিৰ খুব উৎকণ্ঠা বাঢ়ি আহিছে আৰু তেওঁলোকে ভাবি আছে কি হব। তেওঁলোকে প্ৰায় আশা বাদ দিয়াৰ নিচিনা হৈছে। সেই কাৰণে মাননীয় অধ্যক্ষ মহোদয়, আমাৰ ৰাজ্যৰ তৰফৰ পৰা কেনেকুৱা ধৰণে ব্যৱস্থা লব তাক মই জানিব বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** Minister Please.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এই Matter টো আমাৰ অসম পুলিচে ইতিমধ্যে ভাৰত চৰকাৰৰ Central Agency ৰ লগত take up কৰিছে আৰু ঠিক তেনেধৰণে ২১ জন মান ধৰি লৈ গৈছিল সীমান্ত শইকীয়াকে আৰম্ভ কৰি আৰু ইতিমধ্যে অন্ধ্ৰপ্ৰদেশ চৰকাৰেও তেওঁলোকৰ যি কেইজন মানুহ ধৰি লৈ গৈছে তেখেত সকলৰ কাৰণেও একে ব্যৱস্থা লৈছে আৰু এই ক্ষেত্ৰত এইটো নিশ্চিত যে চৰকাৰে এই ক্ষেত্ৰত ব্যৱস্থা লবই, যাতে আমাৰ সীমান্ত শইকীয়াকে ধৰি অন্ধ্ৰপ্ৰদেশৰ যি কেইজন মানুহ আছে তেখেত সকলক জেলৰ পৰা মোকলাই অনাৰ

ক্ষেত্ৰত চৰকাৰে ব্যৱস্থা গ্ৰহণ কৰিব। আৰু লাম্বি জেল পাকিস্থানত আছে, বৰ্তমান যেতিয়া তেওঁক মাছমাৰি থাকোতে ধৰি লৈ গৈছিল যিটো মেৰিটাইম Agency আছে তেওঁলোকে সেই মাছমৰীয়া সকলক গ্ৰেপ্তাৰ কৰিছিল। আৰু গ্ৰেপ্তাৰ কৰাৰ পিছত তেওঁৰ ককায়েক অন্ধ্ৰপ্ৰদেশৰ পৰা ঘৰত জনাইছিল। ঘৰত জনোৱাৰ পিছত আমাৰ অসম পুলিচেও তেওঁলোকৰ ঘৰত তেওঁলোকক দৰ্খাস্ত দিছিল। আমাৰ জিলাত আৰু তেতিয়া অসম পুলিচে তেওঁৰ দেউতাকৰ লগত যোগাযোগ কৰিছিল। দেউতাকৰ লগত যোগাযোগ কৰি অসম পুলিচে এই ব্যৱস্থাটো লৈছে, আৰু এই ব্যৱস্থাটো অসম চৰকাৰে তৎপৰ ব্যৱস্থা গ্ৰহণ কৰি আছে।

**মাননীয় অধ্যক্ষ ঃ** Question No. 136. মাননীয় সদস্য শ্ৰী নজৰুল হ'ক অনুপস্থিত। ১৩৭ গণেশ কুমাৰ লিম্বু অনুপস্থিত। যদি কোনোবা সদস্যই অনুপস্থিত থাকে অন্য এজনক দি গলে আমি প্ৰশ্নৰ উত্তৰ বিলাক পাম। ইয়াৰ পিছত Question No. 138 মহম্মদ নুৰুল হুদা । Minister Please.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**মহম্মদ নুৰুল হুদা (মাননীয় সদস্য) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্ন যি ধৰণৰ আছিলে, উত্তৰখিনি সেই ধৰণে পোৱা নগল মই শুধিছিলো যে অসমত এতিয়ালৈকে বিদেশী ন্যায়াধীকৰণ বিলাক কিমান জন ব্যক্তিক একপক্ষীয় ভাৱে Ex-parte order দিছে। সংখ্যাটো দিছে কিন্তু তালিকাটো দিয়া নাই, সংখ্যাত দেখা গৈছে ১ লাখ ৩হাজাৰ ৭শ ৬৪ জন লোকৰ ভিতৰত ৫৭ হাজাৰ ৩৮৪জন লোকে Ex-parte order পোৱা, মাননীয় অধ্যক্ষ মহোদয়, এই Ex-parte order বিলাক যে হৈছে কিছুমান এনেকুৱা ব্যক্তি যি সকল ৰাতিপুৱা শুৱাৰ পৰা উঠিয়ে ঠেলা লৈ বজাৰলৈ যায়, ৰিক্সা লৈ চহৰত যায় দিন হাজিৰা কাম কৰিবলৈ গুচি যায় সেই তেনেকুৱা ব্যক্তি সকলক যেতিয়া Notice দিয়া যায়, জাৰিকাৰকে যায় মানুহজনক নাপায় সেই Notice খন Sharp কৰা বুলি দেখাই দিয়ে আৰু Sharp কৰা বুলি দেখাই দিয়াৰ পিছত বিদেশী ন্যায়াধীকৰণে কলে যে মানুহজনে notice পাইছে অহা নাই গতিকে তেওঁক Ex-parte বুলি ঘোষণা কৰি দিয়ে, কিছুমান এনেকুৱা আছে, হয়টো Notice টো পাইছে, এটা তাৰিখত হাজিৰ হৈছে আনটো তাৰিখত হাজিৰ হোৱাৰ কাৰণে তেওঁৰ সামৰ্থ হোৱা নাই, পেটৰ তাড়ণাত। হয়টো তেখেতে কাম কৰিবলৈ গুচি গৈছে। মই এটা অনুৰোধ ৰাখিব বিচাৰিছো, এই যে ৫৭ হাজাৰ যিখিনি বিদেশী ঘোষিত হৈছে তাৰ ভিতৰত ৫২ শতাংশ মানুহে Ex-parte order পোৱা, গতিকে যি সকলে Ex-parte order পায় Detentation Camp ত আছে, বা বাহিৰতে আছে সেই সকলক মানৱতাৰ খাতিৰত এটা পুনৰ নিৰীক্ষণৰ সুবিধা দিব লাগে আৰু Review ৰ কাৰণে যেতিয়া Order হয়, Order টোৰ এমাহৰ ভিতৰত Review টো কৰিব লাগে। কিন্তু মানুহজনে জনাই নাই যে তেওঁৰ নামত notice গৈছে গতিকে মানুহজনে কেনেকৈ এমাহৰ ভিতৰত যাব গতিকে এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ক চৰকাৰক অনুৰোধ জনাইছো। মাননীয় মন্ত্ৰী মহোদয়ে এইটো পদক্ষেপ লব।

**মাননীয় অধ্যক্ষ ঃ** Minister please.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী (মন্ত্ৰী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, কোৰ্টে Ex-parte Judgment দিয়ে আৰু তেখেতে কোৱাটো হয়, মইও মানো এইটো কথা যে কিছুমান মানুহে হয়টো notice পালেওঁ তেওঁ জীৱিকাৰ তাড়নাত হয়টো ব্যস্ত থকা কাৰণে যাব পৰা নাই। কিন্তু জীৱিকাৰ তাড়না আৰু আইন এই দুটা একে নহয় আৰু আইনেটো সেইটো নেজানে। কোৰ্টে যেতিয়া মানুহজন অহা

নাই বুলি গম পায় জাননী দি আছে মানুহজন অহা নাই Respond কৰা নাই , সেই কাৰণে এটা সময়ত বা এটা নিৰ্দ্দিষ্ট সময় থাকে আৰু এই সময়ৰ ভিতৰত কোৰ্টে Ex-parte Judgment দিয়ে আৰু Ex-parte Judgment যি সকলৰ against ত দিয়া হৈছে তেওঁলোকৰ Appeal কৰাৰ Scope

আছে। যি সকলে Ex-parte Judgment ত ভাবিছে যে মই আচলতে বিদেশী নহয়, মই ভাৰতীয় নাগৰিক গতিকে তেওঁ Appeal কৰিব পাৰে। তেওঁ Appeal কৰিলে কোৰ্টে সেইমতে তথ্য পাতি চাই যদি তেওঁ সঁচাকে ভাৰতীয় নাগৰিক হয়, তেতিয়া হলে তেওঁৰ ফালে কোৰ্টে Judgment দিব। গতিকে এই যিটো কথা হৈছে , এই ক্ষেত্ৰত আমাৰ Appeal ৰ Scope টো আছে অধ্যক্ষ ডাঙৰীয়া।

**মহম্মদ নুৰুল হুদা (মাননীয় সদস্য) ঃ** মাননীয় অধ্যক্ষ মহোদয়, অধ্যক্ষ মহোদয়, মই এইটো কব বিচাৰিছো যে আপিল কৰাৰ কাৰণে এটা সময় আছে , কিন্তু তেওঁ সেই সময়টো নাজানে । তেওঁৰ নামত যে Ex-parte order হৈছে তেওঁ নাজানে ।

**মাননীয় অধ্যক্ষ মহোদয় ঃ** সেই কথাটো বুজোৱা হৈছে । তেখেতে কৈছে যে এপিলৰ স্কোপ আছে, কৰিব লাগে ।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা ,মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, আপুনি নিজে এটা সময়ত গুৱাহাটী হাইক'ৰ্টৰ এজন ভাল এডভ'কেট আছিল । গতিকে Ignorance of law is not excused এইটো Law ৰ Basic principle হয়। এই principle টো সকলোৰে ক্ষেত্ৰত প্ৰযোজ্য হয়।

**শ্ৰী নুৰুল হুদা, বিধায়ক ঃ** অধ্যক্ষ মহোদয়, মই আৰু এটা কথা কব খুজিছো যে- যি ৩২,৮৬০ জনক ১৯৬৬ পৰা ১৯৭১ চনৰ ভিতৰত বিদেশী বুলি ঘোষণা কৰিছে, সেই সকল ব্যক্তিৰ নাম বিদেশী ৰেজিষ্ট্ৰেশ্যন অফিচত পঞ্জীয়ন কৰিব লাগে । কিন্তু দেখা গৈছে যে ১৪,৬৫২ জন লোকে নাম পঞ্জীয়ন কৰিছে , বাকী ১৭,২০৮ জন লোকেপঞ্জীয়ন কৰা নাই। যিবোৰ সহজ -সৰল, হোজা মানুহ আছে, তেওঁলোকে গমেই নাপায় নাম পঞ্জীয়ন কৰিব লাগে বুলি। নামটো পঞ্জীয়ন কৰাৰ ১০ বছৰ হোৱাৰ পিছতহে যে তেওঁ নাগৰিকত্ব পাব এইটো তেওঁ নাজানে । সেই কাৰণে মই কব বিচাৰিছো যে নাগৰিকত্বৰ অধিকাৰটো জনসাধাৰণৰ সৰ্বোচ্চ অধিকাৰ । এই অধিকাৰটো দিয়াৰ ক্ষেত্ৰত এটা বিবেচনা কৰিব লাগে যে-Foreigner's Tribunal এ registration ৰ বাবে যি সকলক order দিছিলে তাৰ ১৮ হাজাৰ লোকে registration কৰিব পৰা নাছিল । গতিকে এই লোক সকলৰ যদি ১০ বছৰ কাল উকলি গৈছে তেন্তে তেওঁলোকক নাগৰিকত্ব অধিকাৰ দিব লাগে ।

**মাননীয় অধ্যক্ষ মহোদয় ঃ** ঠিক আছে ।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা ,মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয় , ১৯৬৬- ৭১ চনৰ যিখিনি মানুহ আছে, তেওঁলোকৰ কিছু সংখ্যকে ৰেজিষ্ট্ৰেশন কৰিছে আৰু কিছু সংখ্যকে ৰেজিষ্ট্ৰেশন কৰা নাই । এইটো হল আইন আৰু এই আইনটো কোনেওঁ সলনি কৰিব নোৱাৰে । আইনমতে তেওঁলোকে ৰেজিষ্ট্ৰেশ্যন কৰিব লাগে । কিন্তু এই কথাখিনি যিহেতু অসম চুক্তিত আছে যে ১৯৬৬- ৭১ চনৰ যিখিনি মানুহ আছে, তেওঁলোকে ১০ বছৰ ভোট দানৰ অধিকাৰৰ পৰা বঞ্চিত হব আৰু তাৰ পিছত তেওঁলোকে ৰেজিষ্ট্ৰেশন কৰাৰ পিছত নাগৰিকত্বটো পাব । সেইকাৰণে এই গোটেই কথাটো হ'ল যে - আপুনি কোৱাৰ দৰে হয়তো বহুতেই নাজানিব পাৰে । আমি ১৯৬৬- ৭১ চনৰ

এই পিৰিয়ডৰ মানুহখিনিক আমি Assam Accord মতে deemed citizen বুলি আচলতে কব পাৰো । আপোনাৰ কথাত আমি একমত । সেইকাৰণে চৰকাৰেও ইয়াত এটা লিবাৰেল ভিউ লৈছে । যিসকলে নিয়মমতে ৰেজিষ্ট্ৰেশ্যন কৰা নাই, আচলতে তেওঁলোকক সেইদিনাই ধৰি পেলাই ইয়াৰ পৰা পঠিয়াই দিব লাগিছিল । কিন্তু যিহেতু বহুত মানুহে এই কথাটো নাজানে সেইকাৰণে আমি চৰকাৰেও এটা 'লিবাৰেল ভিউ' লৈছো আৰু ৰেজিষ্টাৰ কেনেকৈ কৰিব লাগে এইটো তেওঁলোকক জনোৱাৰ ব্যৱস্থা কৰিব ।

দ্বিতীয় কথা, যিখিনি দাতা থাকিব লাগে, সেইখিনি গোটেই খেলি-মেলি হৈ আছে । আমাৰ চৰকাৰ অহাৰ পিছত আমি এটা Common Database বনাবলৈ লৈছো । Common Database টো হৈ যোৱাৰ লগে লগে এই গোটেই মানুহখিনিয়ে এটা সুবিধা পাব । তাৰ উপৰিও অধ্যক্ষ ডাঙৰীয়া, আমাৰ বোৰ্ডাৰ পুলিচে For the first time in the History of Assam Police. তেওঁলোকে Grievances Cell এটা খুলিছে । এই Grievances Cell টোত কাৰোবাৰ যদি কিবা শংকা আছে, কাৰোবাক যদি বিদেশী বুলি ভৱে তেতিয়া তেওঁলোক তাত আহি পেলাই তেওঁলোকৰ কথাখিনি কব পাৰিব আৰু সেইমতে বোৰ্ডাৰ পুলিচে তেওঁলোকক পৰামৰ্শ দিব আৰু Accordingly তেওঁলোকে কাম কৰিব পাৰিব । মই যিটো Common Database ৰ কথা কৈছো ইয়াত তিনিটা বিভাগ থাকিব । Border police, Election Department, Foreigner's Tribunal বিলাকো থাকিব । ডি, পি, আৰ সম্পূৰ্ণ হৈ গ'ল । এই দাতাবেছ'টো হৈ যোৱাৰ লগে লগে এনেকুৱা ধৰণৰ প্ৰশ্ন আৰু বিধান সভাত নাহে । তেতিয়া আমাৰ এই সমস্যাখিনি সমাধান হব । আমি তাত সকলোৱে সহযোগ কৰিব লাগে ।

**মাননীয় অধ্যক্ষ মহোদয় ঃ** ঠিক আছে ।

**শ্ৰী নুৰুল হুদা, বিধায়ক ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ পৰা তালিকা বিচাৰিছিলো কিন্তু পোৱা নাই । এই তালিকাখিনি মন্ত্ৰী মহোদয়ে কেতিয়া দিব কলে ভাল হয় ।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা ,মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয় , আমাৰ চৰকাৰ অহাৰ পিছত আমি 'দাতাবেছ' টো এতিয়া আৰম্ভ কৰিছো আগতে কোনো 'দাতাবেছ' নাছিল । যিমান মানুহৰ নাম Foreigner's Tribunal ত পঠিয়ালে, কিছুমানক নাগৰিক, কিছুমানক বিদেশী বুলি কলে, Re-presentation ৰ সময়ত কিমানে Re-present কৰিলে তাৰো খবৰ নাই । খেলি-মেলি এতিয়া হোৱা নাই , আগৰ পৰাই হৈ আছে । এই খেলি-মেলিবোৰ নাইকিয়া কৰাৰ কাৰণে 'দাতাবেছ' প্ৰক্ৰিয়াটো আৰম্ভ হৈছে । গতিকে উত্তৰটো ইয়াতেই আছে ।

**মাননীয় অধ্যক্ষ ঃ** কমলাক্ষ দে পুৰকায়স্থ ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, উত্তৰ কৰিমগঞ্জ ঃ** অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয়ে ভাল কথা কৈছে যে আইন সভাৰ সদস্য হিচাপে আমি আইন মানি চলিব লাগে । ঠিকেই আছে, আমি ভাল পাইছো । কিন্তু এইটো কি আইন মই ধৰিব পৰা নাই । যেতিয়া Foreigner's Tribunal Court ত ভাৰতীয় বুলি ঘোষণা হয়, কেতিয়াবা Legal cell বনোৱা হৈছে, কেতিয়াবা স্ক্ৰিনিং কমিটী বনোৱা হৈছে । এই কমিটীয়ে আকৌ উচ্চ-ন্যায়ালয়লৈ পঠায় । এইবোৰ চিষ্টেম কৰা হৈছে । কথাটো হৈছে- যদি ভাৰতীয় বুলি ঘোষণা হোৱাৰ পিছত এইখিনি ফৰ্মেলিটিজ হয়, তেনেহ'লে যিবোৰ মানুহ বিদেশী বুলি ঘোষণা হয়, সিহতৰ নাম কিয় ষ্টেটলেভেল কমিটী বা স্ক্ৰীনিং কমিটীলৈ পঠোৱা নহয় ? কিয় লিগেলচত পঠোৱা নহয় ? ভাৰতীয় বুলি ঘোষণা হ'লে এইখিনি ফৰ্মেলিটিজ হ'ব, আৰু যদি বিদেশী হয় তেনেহ'লে সিহতক খেদি দিব । অধ্যক্ষ মহোদয়, মই মন্ত্ৰী মহোদয়ৰ

পৰা জানিব বিচাৰিছো যদি ভাৰতীয় বুলি ঘোষণা হ'লে এই ফৰ্মেলিটিজবোৰ হয়, তেনেহ'লে বিদেশী বুলি যেতিয়া ঘোষণা হ'ব, তেতিয়া এই ফৰ্মেলিটিজবোৰ কিয় নহ'ব ?

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে ।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা ,মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, যেতিয়া ভাৰতীয় বুলি চিনাক্ত হ'লেই, কমিটীত কিয় যাব লাগে ? তেওঁ ভাৰতীয়ই । স্ক্ৰীনিং কমিটীয়ে এটা তাত পৰীক্ষা কৰে আৰু সেই পৰীক্ষাটো বিদেশী চিনাক্তকৰণ কৰাৰ বাবে নহয় ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, বিধায়ক ঃ** অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো হৈছে ভাৰতীয় বুলি যেতিয়া ঘোষণা কৰা হয়, লিগেল চেল, স্ক্ৰীনিং কমিটীত পঠোৱা হয়, কিন্তু বিদেশী বুলি যেতিয়া ঘোষণা হয় সিহঁতক কিয় পঠোৱা নহয় ?

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, সংসদীয় পৰিক্ৰমা ,মন্ত্ৰী ঃ** অধ্যক্ষ মহোদয়, বিদেশী বুলি যিখিনি চিনাক্ত হয় তেওঁলোক স্ক্ৰিনিং কমিটীত যোৱাৰ কোনো যুক্তি নাই, কিয়নো ইতিমধ্যে তেওঁলোক বিদেশী বুলি চিনাক্ত হ'লেই । গতিকে তেওঁলোক Deportation কাৰণেহে ৰেডি থাকিব । ভাৰতীয় বুলি কোৱাৰ পিচত স্ক্ৰীনিং কমিটীয়ে নথি-পত্ৰ সমূহ সকলো ঠিকেই আছেনে নাই চাব লাগিব । যিহেতু দেশৰ সাৰ্বভৌমত্ব , দেশৰ নিৰাপত্তাৰ কথা আছে । কিন্তু যিখিনিক বিদেশী বুলি কোৱা হ'ল, বিদেশী মানে বিদেশীয়েই, তেওঁ Deportation ত হে যাব লাগিব ।

( সদনত হুলস্থুল )

**মাননীয় অধ্যক্ষ মহোদয় ঃ** কথাটো হৈছে যে দে ডাঙৰীয়াৰ যিটো পইণ্ট আছিলে তাৰ উত্তৰ আপুনিও দিছে । অলপ আগতে আপোনালোক দুয়োজনে কৈছে যে ignoranceৰ কাৰণে বহুতে foreigner বুলি তেওঁলোকক inabsency ও declare কৰে । তেওঁলোকে একো সুযোগ নাপায় । গতিকে সেইটো আচলতে চৰকাৰে কৰিব নোৱাৰে । তাৰ কাৰণে আমি আমাৰ নিজৰ নিজৰ সমষ্টিত Legal cell খুলি ল'ব পাৰো । মইয়ো এজন বিধায়ক । গতিকে মোৰ সমষ্টিতো যদি তেনেকুৱা কিবা হৈছে তেন্তে তেওঁলোকক Legal aid দিব পাৰো । আপুনি কৈছে ১৮ হাজাৰ আছে । আমি সকলোৱে নিজৰ নিজৰ এৰিয়াৰ কথাবিলাক বুজি পাওঁ । আমি চেষ্টা কৰিলে নিশ্চয় পাৰো । কাৰণ চৰকাৰ সহানুভূতিশীল । তেওঁলোকে কৈছে যে বস্তুটো এনেকুৱা । কিন্তু আপুনি যিটো কলে, (হয় আইনৰ কথাবিলাক আছে ) । যদি কোনোবাই ভাৰতীয় বুলি কৈ দিয়াৰ লগে লগে তেওঁলোক আকৌ এটা স্ক্ৰুটিনি কৰিবই, কাৰণ বাহিৰৰ এজন মানুহক ভাৰতীয় বুলি নিম্ন আদালতে কৈছে, কিন্তু ওপৰ লেভেলত স্ক্ৰুটিনি কমিটীয়ে চাগে নিয়মমতে চাইছে । মই ষ্টাডি কৰিব লাগিব । বাকী যিসকলক বিদেশী বুলি নিম্ন আদালতে কৈ দিয়ে, তাৰ কাৰণে তেওঁলোকৰ এপিল প্ৰয়োজন নিশ্চয় আছে । কিন্তু ignorance ৰ কাৰণে এপিল প্ৰভিজনটো তেওঁলোকে লব পৰা নাই । সেই কাৰণে মই ভাবো যে এই কথাটো কেতিয়াবা আমি ভালদৰে আলোচনা কৰাৰ প্ৰয়োজন আছে ,যাতে কোনো মানুহৰ হাৰাশাস্তি নহয় । এই্টোও ঠিক যে কিছুমান মানুহ তাৰ পৰা ভাৰতীয় বুলি কৈ আহিছিল বা ইয়াত আছে যদিও declare কৰাৰ পিছত তেওঁলোক deport হৈছে। Recently ও কেইজন মান deport হৈছে। কিন্তু এইয়া বহুত কম। গতিকে প্ৰত্যেকৰ ক্ষেত্ৰতে ক'লে অলপমান দিগদাৰ হ'ব। এই কথাটো হৈছে সংবেদনশীল। গতিকে এইদৰে প্ৰশ্ন-উত্তৰত নগৈ আমি আলোচনাৰ ভিত্তিত কৰিব পাৰো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো বিষয় লৈ ভালদৰে এদিন আলোচনা কৰক। চৰকাৰ এইটো আলোচনা কৰিবৰ কাৰণে সাজু আছে। পুৰকায়স্থ ডাঙৰীয়াই

কৈছে যে ভাৰতীয় নাগৰিক বুলি ক'লে স্কিনিং কমিটিত কিয় যাব। যেতিয়া বোৰ্ডাৰ পুলিছে এজন মানুহক এফ টি লৈকে পঠিয়ায় আৰু তেখেতক ভাৰতীয় নাগৰিক বুলি এফ টি য়ে কয় তেতিয়া অসম চৰকাৰে যিটো পঠিয়াইছিল অৰ্থাৎ অসম চৰকাৰৰ বিৰুদ্ধে এটা ৰায়দান হ'ল যে আপোনালোকে পঠিওৱা কথাটো সত্য নহয়। এওঁ ভাৰতীয় নাগৰিক। এইটো যেতিয়া হয় তেতিয়া অসম চৰকাৰে এই grievance ৰ জৰিয়তে এই তথ্য খিনি চায় যে বোৰ্ডাৰ পুলিছে যিখিনি তথ্য দিছে সেইখিনি ঠিকে আছেনে নাই আৰু যদি দেখে যে তাত চাফিচিয়েণ্ট তথ্য আছে যে তেওঁ ফৰেইনাৰ হ'ব পাৰে তেতিয়া সেই কেচ বিলাকৰ বিৰুদ্ধে হাই কোৰ্টত চৰকাৰে আপীল কৰে। এইটো অসম চৰকাৰে এগ্ৰিভ পাৰ্টী হিচাবে কৰে আৰু ষ্টেট লেভেল স্কুটিনি কমিটিয়েও সিদ্ধান্ত লয় যে লিগেল চেল ইলিজিব'ল বোৰ্ডাৰ অফিচত তেওঁলোকে পিটিশ্যন বিলাক পৰীক্ষা কৰে। তাৰপিছত ষ্টেট লেভেল স্কিনিং কমিটিয়ে সিদ্ধান্ত লয়।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ১৩৯। মাননীয় মন্ত্ৰী মহোদয়।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী মহেশ্বৰ বড়ো ঃ** মাননীয় অধ্যক্ষ মহোদয়, চৰকাৰৰ লগতে আমাৰ পাৰ্টিকুলাৰ বিভাগটোলৈও ধন্যবাদ জনাইছো। ওডালগুৰি জিলাত ১৩ খন খেলপথাৰত ২০ লাখকৈ টকা আবণ্টন দিছে। ইতিমধ্যে টকা আপোনালোকে ৰিলিজ কৰি দিছে। এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ৰ জৰিয়তে জানিব বিচাৰিছো বিশেষকৈ ইম্পলিমেণ্টটেশ্যন কৰাৰ ক্ষেত্ৰত টেণ্ডাৰৰ ব্যৱস্থা কৰিব নে কমিটিৰ দ্বাৰা এইটো ইম্পলিমেণ্ট কৰিব এইটো মই জানিব বিচাৰিছো।

**শ্ৰী চন্দ্ৰ মোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো কমিটিৰ জৰিয়তে কৰা হ'ব।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ১৪০। শ্ৰী ৰূপক শৰ্মা।

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা আছে।

**শ্ৰী ৰূপক শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াত যিটো উত্তৰ পালো ইয়াত দিয়া আছে যে ৭১ টা সম্পত্তি ঠিকা ভিত্তিক আবণ্টন দিয়া আছে। কিন্তু ইয়াত যিখন তালিকা দিয়া আছে তাৰ ভিতৰত প্ৰায় ১২ টা সম্পত্তি ইতিমধ্যে বন্ধ হৈ আছে আৰু ১০ টা বিভাগৰ পৰা চলাই আছে আৰু ২৫ টা সম্প্‌ত্তিৰ ম্যাদ প্ৰায় উকলি গৈছে। ইতিমধ্যে প্ৰথম পৰ্য্যায়ত নিবিদা আহ্বান কৰা হৈছিল। কিন্তু আমি দেখিবলৈ পাইছিলো যে এই নিবিদা বিলাক ৪-৫ টা সম্প্‌ত্তি একেলগে কৰাৰ কাৰণে আমাৰ বহুত উদ্যোগী যুৱক-যুৱতীয়ে ভাগ ল'ব পৰা নাছিল। গতিকে ইয়াৰ কাৰণে নতুনকৈ কিবা ব্যৱস্থা কৰিছে নেকি ? দ্বিতীয়তে, নগাওঁৰ প্ৰশান্তি ল'জ যিটো নতুন গৃহৰ কথা ক'লে তাত ৭৫ শতাংশ কাম সম্পূৰ্ণ হোৱা বুলি ক'লে কিন্তু বহু সময় হ'ল সম্পূৰ্ণ হোৱা। নতুনকৈ ফাণ্ড আহিলে কৰাৰ কথা কৈছে। কিন্তু কেতিয়া সম্পূৰ্ণ হ'ব ?

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, শৰ্মা ডাঙৰীয়াই চাপলিমেণ্টৰী হিচাপে যিটো কথা কৈছে ৭৫ শতাংশ ইতিমধ্যে সম্পূৰ্ণ হৈছে। এইটো সঁচা কথা। এইবাৰ বাজেটত এনেকুৱা infra-structure development ৰ কাৰণে আমি ধাৰ্য্য কৰিছো। এই বাজেট শেষ হোৱাৰ পিছত নিশ্চয়কৈ আমি priority হিচাবে নগাওঁৰ বহুদিন ধৰি অসম্পূৰ্ণ হৈ থকা যিটো ল'জ আছে সেইটো আমি এইবছৰত সম্পূৰ্ণ কৰিম।

**শ্ৰী ৰূপক শৰ্মা ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২৫ টা সম্প্‌ত্তিৰ ম্যাদ ইতিমধ্যে উকলি গৈছে আৰু ১০ টা সম্পত্তি বিভাগে চলাই আছে। এই ম্যাদ উকলি যোৱা খিনিৰ কাৰণে আপোনালোকে কি ব্যৱস্থা কৰিছে? লগতে যিহেতু নতুনটোৰ ৭৫ শতাংশ হৈছে কিন্তু আৰম্ভ হোৱা নাই আৰু যিটো পুৰণি

এইটো ব্যৱহাৰৰ উপযোগী হৈ থকা নাই। তাৰ কাৰণে কিবা ব্যৱস্থা কৰিছে নেকি?

**শ্ৰী চন্দন ব্ৰহ্ম, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, যিবিলাক টে'ণ্ডাৰৰ ম্যাদ উকলি গ'ল এই সকলো বিলাকৰ বিডিং প্ৰচেচ আমি ইতিমধ্যে আৰম্ভ কৰিছো। যোৱা ২০ দিন পূৰ্বে ইতিমধ্যে আমি প্ৰথম পৰ্য্যায়ৰ বিডিং টো কৰিছো আৰু এইটো পৰ্য্যায়ক্ৰমে আমি কৰি গৈ থাকিম। যিবিলাকৰ ম্যাদ উকলি গৈছে তাৎক্ষনিকভাৱে আমি যদি এইটো চিষ্ট কৰো তেন্তে পৰ্য্যটক সকলৰ বাবে অকণমান্ অসুবিধা হয়। ইয়াৰ কাৰণে পুৰণি লিচী বিলাকক আমি নিবিদা সম্পূৰ্ণ হোৱালৈকে চলাবলৈ অনুমতি দিছো। কিন্তু গোটেই নিবিদা সম্পূৰ্ণ হোৱাটো আমি পৰ্য্যায়ক্ৰমে নিবিদাত লৈ যাম। নগাওঁৰ প্ৰশান্তি যিটো পুৰণি গৃহৰ কথা আপুনি কৈছে, যিখিনি এনেকুৱা সম্পত্তি আছে এইবিলাকক মেৰামতি কৰি চালুকীয়া কৰা কামটো এইবছৰ আমি সম্পূৰ্ণ কৰিম।

**মাননীয় অধ্যক্ষ ঃ** আব্দুল খালেক।

**শ্ৰী আব্দুল খালেক ঃ** মাননীয় অধ্যক্ষ মহোদয়, পৰ্য্যটন বিভাগৰ প্ৰশ্ন বহুত কম আহে। হাদিৰাচকীত মান-আহোমৰ শেষ যুদ্ধখন হৈছিল। যাক অসমৰ স্বাধীনতাৰ শেষ ৰণ বুলি কোৱা হয়। অধ্যক্ষ মহোদয়, মন্ত্ৰী মহোদয় বিষয়টোৰ অৱগত। কাৰণ মই তেখেতক আগতে জনাইছিলো। কিবা এটা কৰিম বুলি কৈছিলে কিন্তু এতিয়ালৈকে কৰা নাই। সেই হাদিৰাচকী এতিয়া গড়াখহনীয়াৰ ফলত ব্ৰহ্মপুত্ৰৰ বুকুত জাঁহ গৈছে। গতিকে মই মন্ত্ৰী মহোদয়ক আপোনাৰ জৰিয়তে অনুৰোধ কৰিছো যাতে হাদিৰাচকী সংৰক্ষণ আৰু হাদিৰাচকীত সেই যুদ্ধখনৰ এটা চাউণ্ড লাইটৰ ব্যৱস্থা কৰি যাতে পৰ্য্যটক সকল তালৈকে যায় সেই ব্যৱস্থাটো কৰিব লাগে আৰু মন্ত্ৰী মহোদয়ক মই কলগাছিয়াত এটা পৰ্য্যটন বিভাগৰ কথা কৈছিলো তেতিয়া মইনবড়ী সত্ৰ, জনিয়া সত্ৰ, কনৰা সত্ৰ এইবিলাকৰ যিবিলাক তীৰ্থ যাত্ৰী তেওঁলোকৰ থকা খোৱাৰ সুবিধা হ'ব। গতিকে এই দুয়োটা বিষয় মই আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ক অৱগত কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী চন্দন ব্ৰহ্ম, পৰ্য্যটন মন্ত্ৰী ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, সন্মানীয় সদস্য আব্দুল খালেক ডাঙৰীয়াই যিবিলাক ঐতিহাসিক স্থলৰ সৌন্দৰ্য্যকৰণ, সংৰক্ষণ আৰু পৰ্য্যটকৰ আকৰ্ষণৰ কাৰণে যিবোৰ ব্যৱস্থাৰ কথা ক'লে তাৰ বাবে মই আমাৰ ATDC বিভাগৰ বিষয়াসকলক তালৈ পঠিয়াম আৰু সেইবোৰ স্থানৰ উন্নতিকৰণৰ কাৰণে আমি যত্ন কৰিম। কলগছিয়াৰ বিষয়ে আপুনি যিটো কৈছে, সেইটোত মই কথা দিছো আৰু এইটো ইতিমধ্যে আমাৰ বাজেটত সন্নিবিষ্ট হৈ আছে, সেইটো সম্পূৰ্ণ হৈ গ'লে আমি চাই দিম।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সদস্য ডাঃ নোমল মমিন ডাঙৰীয়াই কওঁক।

**ডাঃ নোমল মমিন, বিধায়ক (বোকাজান) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ বোকাজান সমষ্টিৰ কাৰ্বিলাংপি Water Falls, গৰম পানীৰ উঁহ, আৰু দৈপানীৰ থানত প্ৰচুৰ পৰ্য্যটক অহাৰ সম্ভাৱনা আছে। কিন্তু ইয়াত Tourist Lodge নাই। সেয়েহে তাত Tourist lodge ৰ ব্যৱস্থা কৰি পৰ্য্যটকক থকাৰ সুবিধা দিয়াৰ ব্যৱস্থা কৰিব নেকি? লগতে আমাৰ তাত বুৰঞ্জী প্ৰসিদ্ধ লতাকটা ৰণৰ এটা আলি আছে। সেইটোৰ বাবেও কিবা ব্যৱস্থা কৰিব নেকি?

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী মহোদয়ে কওঁক।

**শ্ৰী চন্দন ব্ৰহ্ম, পৰ্য্যটন মন্ত্ৰী ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে আমাৰ গোটেই ৰাজ্যখনৰ সাম্ভাব্য যিখিনি পৰ্য্যটনস্থলী আছে, সেইবোৰ বাচি ওলোৱা হৈছে। আমাৰ মাননীয় সদস্যসকলে তেওঁলোকৰ সমষ্টিৰ যিবিলাক নতুন নতুন পৰ্য্যটনস্থলীৰ বিষয়ে উল্লেখ কৰিছে আৰু

তেওঁলোকৰ Idea ৰ বিষয়ে যদি উল্লেখ কৰি দুশাৰীমান মোলৈ লিখিতভাৱে দিয়ে, তেতিয়া মই মোৰ বিষয়সকলক এটা পৰীক্ষা-নিৰীক্ষা কৰি এটা প্ৰজেক্ট যুগুতোঁৱাৰ বাবে দিবলৈ ভাল হয়। সেই হিচাপে মই আগবাঢ়িম।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য মামুন ইমদাদুল হক ডাঙৰীয়াই কওঁক।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, বিধায়ক (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি প্ৰায় ডেৰ-দুই বছৰমান আগতে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনানুষ্ঠানিকভাৱে লগ ধৰোতে পৰ্য্যটন সম্পৰ্কে কিছুমান খুব ভাল কথা মোক কৈছিল। আমি যদি আমাৰ চুবুৰীয়া ৰাজ্য পশ্চিমবঙ্গৰ দাৰ্জিলিং, চিকিম অঞ্চললৈ চাওঁ, তাত পৰ্য্যটন এটা ডাঙৰ Income Generation Scheme হিচাপে লৈছে। দাৰ্জিলিং আৰু চিকিমত পৰ্য্যটনৰ কাৰণে বহুত ৰেভিনিউ আহে। ঠিক তেনেদৰে আমাৰ অসমতো পৰ্য্যটনৰ বহু Scope আছে। বৰ্তমান Skill Development Minister আমাৰ ইয়াত আছে। আমাৰ এই পৰ্য্যটন বিভাগটো Employment Generation Project হিচাপে ধৰিব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আমি সকলোৱে এইটো স্বীকাৰ কৰো, এইটো কেনেকৈ হ'ব লাগে।

**শ্ৰী মামুন ইমদাদুল হক চৌধুৰী, বিধায়ক (নাওঁবৈচা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমি সকলোৱে এইটো স্বীকাৰ কৰিব লাগে। কিন্তু আমাৰ চৰকাৰখনে পৰ্য্যটন বিভাগটো কেৱল প্ৰিয়ঙ্কা চোপ্ৰাক Brand Ambassador হিচাপে বনোৱালৈ সীমাবদ্ধ ৰাখিছে। যিটো অতি ভুল। মোৰ হাতত তথ্য আছে যে তেওঁক Brand Ambassador বনোৱাৰ পিছত অসমত পৰ্য্যটকৰ সংখ্যা কমিছে। গতিকে মোৰ কথাটো হৈছে যে অসমৰ পৰ্য্যটনত যিমান Scope আছে, আপোনালোকে পৰ্য্যটন বিভাগটো Employment Generation Project হিচাপে ধৰিব লাগে। ইয়াৰ দ্বাৰা বহুতো নিবনুৱাৰ কৰ্ম-সংস্থাপন বঢ়িব। গতিকে এইটো এটা শিক্ষা বিভাগত Course of Curriculum হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** আমাৰ মাননীয় সদস্য মামুন ইমদাদুল হক ডাঙৰীয়াই এটা ভাল পৰামৰ্শ আগবঢ়াইছে। এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াই কওঁক।

**শ্ৰী চন্দন ব্ৰহ্ম, পৰ্য্যটন মন্ত্ৰী ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, এইটো আমাৰ সকলো মাননীয় সদস্যৰে জ্ঞাত যে পৰ্য্যটন আজিৰ দিনত উদ্যোগলৈ পৰিণত হৈছে। কিন্তু ইয়াত বহুতো কথা সংযোজন হৈ আছে। আমাৰ যিটো জৈৱ-বৈচিত্ৰ Diverse Ethnic Culture, আমাৰ যিটো Wildlife, আমাৰ যিটো Greenery, পাহাৰ-ভৈয়াম, ব্ৰহ্মপুত্ৰ নদী আদি বেলেগ অঞ্চলত পাবলৈ নাই। এই সকলো প্ৰাকৃতিক দৃশ্য অতি সুন্দৰ আৰু আকৰ্ষণীয়। এইবোৰ চাই অসম পৰ্য্যটন বিভাগে ইয়াৰ ওপৰত কাম কৰি আছে। এই কামসমূহ এদিন-দুদিনত সম্পূৰ্ণ হোৱা কাম নহয়। আমাৰ পৰিৱেশৰ কথাটো ইয়াত সংযোজন হৈ আছে। মাননীয় সদস্যই দাৰ্জিলিং আৰু গেংটকৰ কথা কৈছে। এটা সময়ত দাৰ্জিলিং পৰ্য্যটকৰ বাবে Peak স্থান আছিল। কিন্তু বৰ্তমান সেইটো গেংটকলৈ পৰিৱৰ্ত্তন হৈছে। এইটো কিয় হৈছে, আমি সকলোৱে জানো। দাৰ্জিলিঙৰ বৰ্তমান যিটো ৰাজনৈতিক সমস্যা তাৰ বাবে এইটো হৈছে। আমি সকলোৱে অসমৰ পৰ্য্যটন উন্নতকৰণৰ বাবে চেষ্টা কৰি আছো আৰু ইয়াৰ বাবে আমাৰ সকলো অসমবাসী ৰাইজ আৰু সন্মানীয় সদস্যৰ যৌথ প্ৰচেষ্টাৰ মাজেৰে কৰিব লাগিব। আপুনি যিটো কথা কৈছে, এইটো একেবাৰে সত্য। আমি Highest Employment Generation ৰ সুবিধা Tourism ৰ মাজেৰে দিব পাৰো আৰু ইয়াৰ বাবে আমি ব্যৱস্থা কৰিছো। মাননীয় সদস্য গৰাকীয়ে যিটো Brand Ambassador ৰ কথা কৈছে,

সেইটো অলপ Positive ভাৱে ল'ব লাগে। আমাৰ পৰ্য্যটন বিভাগটো যদি বাহিৰত প্ৰকাশ কৰিব লাগে, আমি Brand Ambassador ল'ব লাগিব। These are the part of Tourism promotion. We should not see it in a negative way, We should see it in a positive way.

**মাননীয় অধ্যক্ষ ঃ** মাননীয় সদস্য আব্দুল কালাম ৰছিদ আলম ডাঙৰীয়াই কওঁক।

**শ্ৰী আব্দুল কালাম ৰছিদ আলম, বিধায়ক (পূৱ গোৱালপাৰা) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মোৰ সমষ্টিৰ বলবলা এৰি টুক্ৰেশ্বৰী মন্দিৰ পোৱাৰ আগত বাওঁফালে পৰ্য্যটন বিভাগে আজি ৫-৬ বছৰ আগতে নিৰ্ম্মাণ সম্পূৰ্ণ কৰা এটা বিল্ডিং আছে। আমাৰ মন্ত্ৰী মহোদয়ে অহা-যোৱা কৰোতে এইটো দেখা পাই। সেই বিল্ডিঙটো এনেয়ে পৰি আছে। মই মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যে ৰাস্তাৰ কাষতে থকা এই বিল্ডিঙটো কিবা লীজত দি হ'লেও কাৰ্য্যক্ষম কৰিলে বহুতো পৰ্য্যটক আহি তাত থাকিব পাৰিব। মন্ত্ৰী মহোদয়ে ইয়াৰ আগতেও এই বিভাগত মন্ত্ৰী আছিল আৰু তেওঁ আগতেও এটা পৰিকল্পনাৰ কথা কৈছিল। বঙ্গাইগাওঁৰ পৰা আহোতে নৰনাৰায়ণ সেঁতু পাৰ হৈ এডোখৰ স্থান আছে। তাত কি ধৰণে কাম কৰিলে সেই ঠাইডোখৰ ভাল আৰু আকৰ্ষণীয় হ'ব সেইটো বিষয়ে আপুনি যিটো পৰিকল্পনা কৰিছিল, সেইটো বাস্তৱত ৰূপায়ণ কৰিলে ভাল হ'ব।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মন্ত্ৰী ডাঙৰীয়াই উত্তৰ দিব।

**শ্ৰী চন্দন ব্ৰহ্ম, পৰ্য্যটন মন্ত্ৰী ইত্যাদি ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে টুক্ৰেশ্বৰী মন্দিৰৰ কাষত থকা যিটো বিল্ডিংৰ কথা কৈছে সেইটো মই যোৱাবাৰ তিনি বছৰৰ কাৰণে পৰ্য্যটন বিভাগৰ দায়িত্বত থকা সময়ত এই বিল্ডিংটো নিৰ্ম্মাণ কৰা হৈছিল। সেই ঠাইখনত পূজা-পাঠ, বিবাহ-পাৰ্বণ আদিৰ বাবে বহুতো Domestic Tourist আহে। তেওঁলোকৰ বাবে এটা ভাল বহাৰ ঠাই দৰকাৰ হয়। সেইটো আগত ৰাখিয়েই সেই বিল্ডিংটো নিৰ্ম্মাণ কৰা হৈছিল। এইটো বৰ্তমান Bidding ত আছে, ২০ দিন পূৰ্বে নতুন আৰু পুৰণা সম্পত্তিৰ বাবে Bidding কৰা হৈছিল আৰু এইটোৰ Bidding হৈ গ'ল। যিজনে সেইটো পাব তেওঁ সেইটো সুন্দৰ ভাৱে চলাব।

**মাননীয় অধ্যক্ষ ঃ** এইটো অতি ভাল বিষয়। আমি পৰ্য্যটনৰ ওপৰত ভালকৈ আলোচনা কৰিব পাৰো। এতিয়া মাননীয় সদস্য ৰমেন্দ্ৰ নাৰায়ণ ডাঙৰীয়াই কওঁক।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা, বিধায়ক (পশ্চিম গুৱাহাটী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ পৰ্য্যটন বিভাগটো আমাৰ নিবনুৱা সমস্যাৰ লগতে ৰাজহ সংগ্ৰহৰো এটা অতি গুৰুত্বপূৰ্ণ বিভাগ। এই বিভাটোৱে বহুত কাম কৰিছে আৰু বহুত কাম কৰিবলগীয়াও আছে। বিশেষভাৱে আমাৰ অসমৰ যিটো প্ৰাকৃতিক সৌন্দৰ্য্য, সেই প্ৰাকৃতিক সৌন্দৰ্য্যক Tourism ৰ দ্বাৰা বহুখিনি কাম কৰিব পাৰো। উদাহৰণস্বৰূপে মই ক'ব বিচাৰিছো, মোৰ সমষ্টিত দ্বীপৰ বিল, ভীমা শংকৰ আছে আৰু ঠিক তেনেদৰে ওমচু আৰু শ্ৰৱণপাৰাত জলপ্ৰপাত আছে। কিন্তু এই ক্ষেত্ৰত এতিয়ালৈকে কোনো ধৰণৰ আঁচনি গ্ৰহণ কৰা হোৱা নাই। দ্বীপৰ বিলৰ বাবে ১০ কোটি টকা signature scheme ত দিয়া হৈছে। কিন্তু, এই scheme ৰ কোনো ধৰণৰ কাম এতিয়ালৈকে আৰম্ভ হোৱা নাই আৰু বৰ্তমান কি অৱস্থাত আছে তাৰ উত্তৰ মন্ত্ৰী মহোদয়ে দিব পাৰিব নে নাই নাজানো। এই বিষয়ত মোৰ আজি এটা প্ৰশ্নও আছিল। গতিকে অধ্যক্ষ মহোদয়, মই ভাৱো, আমাৰ গুৱাহাটীৰ ওচৰতে এনেকুৱা বহুত scope আছে য'ত আমি বিদেশী পৰ্যটকৰ আকৰ্ষণৰ বাবে তথা revenue collection ৰ বাবে কিছু আঁচনি গ্ৰহণ কৰিব পাৰো। সেয়েহে, আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাইছো যাতে এই ক্ষেত্ৰত তেখেতে গুৰুত্ব সহকাৰে লৈ এই আঁচনিখিনি

গ্ৰহণ কৰাৰ ব্যৱস্থা কৰিব লাগে।

**মাননীয় অধ্যক্ষঃ** ঠিক আছে।

**শ্ৰী চন্দন ব্ৰহ্ম, মাননীয় মন্ত্ৰী, পৰ্যটন ইত্যাদিঃ** মাননীয় অধ্যক্ষ মহোদয়, আমাৰ জ্যেষ্ঠ সদস্য শ্ৰী কলিতা ডাঙৰীয়াই খুব ভাল প্ৰশ্ন আনিছে। যদি এটা শব্দত গোটেই প্ৰশ্নৰ উত্তৰ দিয়া হয় তেন্তে মই ক'ম যে, এইবাৰ বাজেটত ১৫০ কোটি টকাৰে 'অসম দৰ্শন' নামৰ যি আঁচনি লোৱা হৈছে তাত এই কাম সমূহেই অন্তৰ্ভূক্ত হৈ আছে। বিধান সভাৰ সমষ্টি ভিত্তিক আৰু জিলা ভিত্তিক উপায়ুক্ত সকলৰ পৰা ইতিমধ্যে যি listed কৰি অনা হৈছে তদুপৰি যদি আন কিছু দিব লগীয়া আছে সেইবোৰ তাৰ লগত আমি একেলগে সংযোজন কৰি ল'ম। বিশেষভাৱে, দ্বীপৰ বিলৰ বিষয়ে বহু সময়ত বিভিন্ন ধৰণৰ আলোচনা হয়। গতিকে মই আমাৰ সন্মানীয় সদস্য কলিতা ডাঙৰীয়াক ধন্যবাদ জ্ঞাপন কৰিছো কাৰণ তেওঁ signature projectটো পৰ্যটন বিভাগক দায়িত্ব অৰ্পণ কৰিছে আৰু অধ্যক্ষ মহোদয়, আপুনিও এই signature project ৰ নামত ১০ কোটি টকা tourism promotion ৰ বাবে দিছে তাৰ বাবে আপোনাকো ধন্যবাদ জ্ঞাপন কৰিছো। এই project খন implement কৰাৰ বাবে ইতিমধ্যে administrative approval হৈ গ'ল। শ্ৰী কলিতা ডাঙৰীয়াই পঞ্চৰত্ন দলঙৰ কাষৰ কুমৰি বিলৰ যিটো কথা কৈছে, এই ক্ষেত্ৰত মই ক'ব বিচাৰিছো যে যেতিয়া কয়াকুজীয়া develop কৰা হৈছিল তেতিয়া এই বিলখনো উন্নতকৰণৰ বাবে যথেষ্ট চেষ্টা কৰা হৈছিল আৰু তেতিয়া ৰচিদ মণ্ডল ডাঙৰীয়াও আমাৰ লগত আছিল। তাত আমি এটা foundation ও কৰিছিলো আৰু MGNREGA আঁচনিৰ দ্বাৰা তাত mannually, labour oriented কামবোৰ কৰাৰ কথা আছিল। কিন্তু মাজতে কামবোৰ ৰখি গ'ল। এই বিলখন সাংঘাতিক ধুনীয়া গতিকে আমি যিকোনো প্ৰকাৰে এইবাৰ এই বিলখন উন্নত কৰাৰ বাবে কাম কৰিম ।

**মাননীয় অধ্যক্ষঃ** Thank you. Now, Question No. 141, Utpal Dutta.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**মাননীয় সদস্য শ্ৰী উৎপল দত্ত, (লখিমপুৰ)ঃ** অধ্যক্ষ মহোদয়, উত্তৰটো মই পাইছো। ১ নং প্ৰশ্নটোৰ উত্তৰত কোৱা হৈছে যে, ২৪ খন মহকুমাৰ বিষয়টোত সমিতিয়ে বহি পুনৰ পৰীক্ষা কৰিব। কিন্তু অধ্যক্ষ মহোদয়, কেতিয়া লৈকে এই পৰীক্ষা চলি থাকিব? কেতিয়াৰ ভিতৰত Report দিব? এই ক্ষেত্ৰত মই মন্ত্ৰী মহোদয়ৰ পৰা এক শাৰীতে উত্তৰটো জানিব বিচাৰিছো।

আনহাতে প্ৰশ্ন নং ৪ (খ) টো ৬ জনগোষ্ঠীৰ জনজাতিকৰণৰ সম্পৰ্কত আছিল। অধ্যক্ষ মহোদয়,সংসদৰ ৰাজ্যসভাত এই ৬ জনগোষ্ঠীৰ জনজাতিকৰণ সম্পৰ্কত বিধেয়ক উত্থাপন কৰা হ'ব বুলি কৈছিল আৰু ইয়াৰ বাবে অসম চৰকাৰে এখন সমিতি গঠন কৰি দিলে আৰু সমিতিখনে Report দিলে কিন্তু এই বিধেয়কখন ৰাজ্যসভাত পাছ নহ'ল গতিকে এই Report টো কিবা কামত আহিব নে নাহে মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, আমাৰ যিখন Sub-Committee য়ে district আৰু sub-division কৰিব, তেওঁলোকে Report টো দিব আৰু এইটো তেওঁলোকে কিমান সময়ৰ ভিতৰত দিব পাৰিব তাৰ সঠিক তাৰিখ মই আজি ক'ব নোৱাৰিম। কাৰণ Cabinet Sub-Committee য়ে বিভিন্ন দিশ চালি-জাৰি চায়। কিয়নো কিছুমান ঠাই হয়তো আগতে জিলা, মহকুমা হিচাপে ঘোষণা কৰিছে বা জিলা, মহকুমা গঠনৰ দাবী আছে গতিকে গোটেইখিনিৰে feasibility টো চাব লাগিব আৰু এই Report টো

সমিতিয়ে পৰীক্ষা কৰি আছে। উদাহৰণ স্বৰূপে, বকো আৰু ছয়গাঁৱৰ ফালে এটাকৈ মহকুমা বিচৰা হৈছে, কিন্তু মহকুমা দিব পৰা যাব নে নাই এই গোটেইখিনি কথা সমিতিয়ে তন্ন তন্নকৈ পৰীক্ষা কৰি আছে। সেয়েহে, সমিতিয়ে Report দিয়াৰ পিছতহে এইখিনি হ'ব।

আনহাতে, ৬ জনগোষ্ঠীৰ জনজাতিকৰণৰ ক্ষেত্ৰত সমিতিয়ে ইতিমধ্যে Report দিছে আৰু এই সমিতিখনৰ মই Chairman আছিলো। এই Report অনুযায়ী কেন্দ্ৰীয় চৰকাৰে ৬ জনগোষ্ঠীৰ জনজাতিকৰণৰ ক্ষেত্ৰত বিবেচনা কৰিছে। গতিকে এই ৬ জনগোষ্ঠীৰ জনজাতিকৰণৰ ক্ষেত্ৰত প্ৰশ্নবোধক চিহ্ন আৰু নাই। আপোনাৰ যদি কৰবাত মহকুমা আছে তেন্তে সেইটো কওঁক, মই চাব দিম।

**মাননীয় সদস্য শ্ৰী উৎপল দত্ত, (লখিমপুৰ)ঃ** মাননীয় অধ্যক্ষ মহোদয়, নাৰায়ণপুৰ আৰু বিহপুৰিয়াত মহকুমাৰ declaration ক লৈ খুব কাজিয়া হৈ আছে। গতিকে, এই ক্ষেত্ৰত চৰকাৰে সোনকালে এটা সিদ্ধান্ত দিব লাগে। কিন্তু চৰকাৰে এই ক্ষেত্ৰত সমিতি গঠন কৰি কামটো পেলাই থৈছে। দ্বিতীয়তে, ৬ জনগোষ্ঠীক জনজাতিকৰণ কৰা হ'ব বুলি আজিৰ পৰা ৫ বছৰ আগতেই ঘোষণা কৰা হৈছিল আৰু কেবিনেটত সিদ্ধান্ত লৈছিল যে এই বিধায়কখন এইবাৰ সংসদত উত্থাপন কৰিব কিন্তু কেবিনেটত সিদ্ধান্ত লোৱাৰ পিছতো এই বিধেয়কখন সংসদত উত্থাপন নহ'ল গতিকে মই স্পষ্ট ভাৱে জানিব বিচাৰিছো যে, এই ৬ জনগোষ্ঠীৰ জনজাতিকৰণৰ ক্ষেত্ৰত সমিতিয়ে Report দিয়াৰ পিছতো যিহেতু বিধেয়কখন সংসদত উত্থাপন নহ'ল, গতিকে এই Report টোৰ জৰিয়তে কিবা কাম হ'ব নে নহ'ব?

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মাননীয় মন্ত্ৰী, সংসদীয় পৰিক্ৰমা ইত্যাদিঃ** অধ্যক্ষ মহোদয়, দত্ত ডাঙৰীয়াই দুটা supplementary কৈছে, এটা নাৰায়ণপুৰ আৰু আনটো বিহপুৰীয়া। এতিয়া কথা হৈছে যে সকলোৱে মহকুমা বিচাৰে। কিন্তু এই ক্ষেত্ৰত সমিতিয়ে ৰাইজৰ লগত interact কৰি তাৰ feasibility চালি-জাৰি চাই সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব।

দ্বিতীয়তে, ৬ জনগোষ্ঠীৰ জনজাতিকৰণৰ সম্পৰ্কত আমাৰ মিটিং হৈছে য'ত সদস্য হিচাপে শ্ৰী চন্দন ব্ৰহ্ম ডাঙৰীয়াও আছিল। এবাৰ আমি দুয়ো গৈ ভাৰতৰ গৃহ মন্ত্ৰীক এই সম্পৰ্কে জনাইছিলো। কিন্তু পৰৱৰ্তী সময়ত এই সম্পৰ্কে যেতিয়া লগ কৰিব গৈছিলো তাৰ পিছ দিনা বাতৰি কাকতত দেখিবলৈ পাইছিলো যে, ' অসমীয়া জাতিৰ কফিনত শেষ গজাল মাৰিলে চন্দ্ৰমোহন পাটোৱাৰীয়ে'। এনে ধৰণৰ কথা প্ৰকাশ পাইছিল। সি যি কি নহওঁক, দত্ত ডাঙৰীয়াৰ লগতে আমি সকলো ৬ জনগোষ্ঠীৰ জনজাতিকৰণৰ ক্ষেত্ৰত সমানে চিন্তিত। গতিকে এইটো হ'বয়েই আৰু ইয়াত কোনো প্ৰশ্নবোধক চিন ৰাখিব নালাগে।

**মাননীয় অধ্যক্ষঃ** Thank you. Now, Aminul Islam.

**মাননীয় সদস্য শ্ৰী আমিনুল ইছলাম, (ধিং)ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইয়াতে মন্ত্ৰীগোটৰ যি তালিকা দিয়া হৈছে তাত কেইবাগৰাকী মন্ত্ৰী, যেনে, কেশৱ মহন্ত, ফণীভূষণ চৌধুৰীৰ নাম আছে কিন্তু আমি জনা মতে এওঁলোকে মন্ত্ৰী পদৰ পৰা পদত্যাগ কৰিছে কিন্তু তেওঁলোকৰ নামতে মন্ত্ৰী গোট গঠন কৰা হৈছে। দ্বিতীয়তে, পশ্চিম বংগৰ দাৰ্জিলিং এলেকাৰ চাহ-বাগিচাৰ বনুৱা সকলক TPDS system ত চাউল দিয়াৰ ব্যৱস্থা কৰা হয় কিন্তু অসমত এনে ধৰণৰ ব্যৱস্থা কৰা সম্ভৱ নহয় বুলি মন্ত্ৰী গোটৰ এটা Report ত কোৱা হৈছে। গতিকে অধ্যক্ষ মহোদয়, মোৰ প্ৰশ্নটো হ'ল যে, পশ্চিম বংগত যদি এনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে তেন্তে অসমৰ চাহ-বাগিচাৰ বনুৱা সকলৰ ক্ষেত্ৰত কিয় TPDS বা সুলভ মূল্যৰ আঁচনিৰ ব্যৱস্থা কিয় গ্ৰহণ কৰিব নোৱাৰে? এইক্ষেত্ৰত

মই ভাৱো মন্ত্ৰী গোটৰ obseravtion টো যুক্তি সংগত নহয়।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মাননীয় সদস্য গৰাকীয়ে যি কথা কৈছে, বিৰোধী দলৰ সদস্য শ্ৰী কেশৱ মহন্ত, ফণীভুষণ চৌধুৰী ডাঙৰীয়া তেখেতসকল কমিটিত নাই। তাত এটা technical defect হৈছে যিটো আমি সকলোৱে জানো। এতিয়া তেখেতসকল সদস্য নহয়। কিন্তু তেখেতসকল নাথাকিলেও আমাৰ মিটিঙত Quorum হ'ব।

দ্বিতীয়তে, তেখেতে এটা ভাল কথা কৈছে যিটো কথাত মই একমত যে অসমৰ চাহ বাগিছা সমূহ আগতে ভাৰতবৰ্ষৰ কোনো চৰকাৰে National Food Security Act ৰ অধীনত অনা নাছিল। কিন্তু পূৰ্ব্বৰ চৰকাৰে National Food Security Act মানি লম বুলি প্ৰধানমন্ত্ৰী ডাঙৰীয়ালৈ এখন চিঠি দিলে। তেখেতলৈ চিঠি দিয়াৰ পিছত ইয়াত National Food Security Act খন allow কৰিলে। Allow কৰাৰ পাছত বাগানৰ মালিকে চাউল কিনিব লাগে ৩৫ বা ৪০ টকাত যিটো বাগানৰ মানুহক দিব লাগে ৪০ পইচাত। গতিকে অধ্যক্ষ ডাঙৰীয়া, মই আপোনাক জনাও যে আজিৰ দিনত অসমৰ আটাইতকৈ বেয়া অৱস্থাত থকা উদ্যোগটোৱেই হৈছে চাহ উদ্যোগ। চাউলৰ বাবেই বাগানৰ এনে অৱস্থা হৈছে। সেইকাৰণে এখন sub-committee কৰি দিছে। তেতিয়া ফণীভুষণ চৌধুৰী ডাঙৰীয়া Food & Civil Supply Minister আছিল। এতিয়া তেখেতো তাৰ সদস্য। মইও সেই সমিতিখনৰ সভাপতি আছিলো। আমি সকলোৱে মিলি এই সম্পৰ্কে এটা report প্ৰস্তুত কৰি আছো। এই report খনৰ জৰিয়তে আমি ভাৰত চৰকাৰক এই কথা ক'ব বিচাৰিছো যে চাহ বাগিছাত আগৰ system টোৱেই ৰাখিব লাগে যাতে চা হ উদ্যোগটোৰ মৃত্যু নহয়। এতিয়া চাহ উদ্যোটোৰ অৱস্থা বেয়া হোৱাৰ বাবেই Assam Company ৰ দৰে এটা Prestigious Company য়ে ১৫ খন চাহ বাগিছা বিক্ৰী কৰি দিব লগা অৱস্থা হৈছে। মেকলিন মেগৰে ইতিমধ্যে ১৬ খন বাগান বিক্ৰী কৰি দিছে। টাটা Tea Company ও বাগান বিক্ৰী কৰিবলৈ বিচাৰিছিল কিন্তু মই তেওঁলোকক বাধা দিলো। গতিকে এই চাহ বাগিছা সমূহৰ সুৰক্ষাৰ কাৰণে আমি এই sub-committee খন গঠন কৰিছো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী পবীন্দ্ৰ ডেকা।

**শ্ৰী পবীন্দ্ৰ ডেকা (পাটাছাৰকুছি) ঃ** মাননীয় অধ্যক্ষ মহোদয়, বিষয়টো যথেষ্ট সমস্যাবহুল হৈছে। আগৰ চৰকাৰে আজি তিনি বছৰৰ আগতে ২৪ টা নতুন মহকুমাৰ ঘোষণা কৰি থৈ গ'ল। এই ২৪ টা মহকুমাৰ Notification ও হ'ল । আজি আমাৰ চৰকাৰ হোৱাও তিনি বছৰ হ'ল। গতিকে এই মহকুমা সমূহৰ ওপৰত অতি সোনকালে চৰকাৰে সিদ্ধান্ত এটা ল'ব লাগে। এইবিলাক অতি সোনকালে কিবা এটা হেস্ত-ন্যাস্ত কৰিব নেকি সেইটো মই মন্ত্ৰী মহোদয়ৰ পৰা জানিব বিচাৰিছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, টিহু sub-division ৰ দাবীটো বহু দিনৰ পৰা আছে। এইকাৰণেই এই দাবীটো আছে যে টিহু গোটেই এৰিয়াটো পৰে নলবাৰী জিলাত কিন্তু সমষ্টি হিচাপে বৰপেটা জিলাৰ পাটাছাৰকুছিত পৰে। সেইকাৰণে টিহুৰ মানুহবিলাক সদায়েই neglected হৈ থাকে। এই গোটেই কথাবিলাক সেইকাৰণে সমিতিয়ে পৰীক্ষা কৰি আছে। গতিকে আজিয়েই তাৰ এটা fixed date দিব নোৱাৰো। এই সমিতিৰ হিমন্ত বিশ্ব শৰ্মা ডাঙৰীয়া Chairman. মই আপোনাৰ concern টো তেখেতক জনাম যাতে গোটেই বিষয়টোৰ ওপৰত অতি সোনকালে এটা সিদ্ধান্ত হয়।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া শ্ৰী ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়া।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী (মৰিয়ণী) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আপোনাৰ যোগেদি মই মাননীয় মন্ত্ৰী

মহোদয়ৰ পৰা জানিব বিচাৰিছো আমাৰ মাননীয় সদস্য উৎপল দত্ত ডাঙৰীয়াই যিটো প্ৰশ্ন আনিছে বিশেষকৈ Cabinet Sub-Committee এখন গঠন কৰি দিয়া হৈছে পশ্চিমবঙ্গৰ চাহ বাগিছাৰ শ্ৰমিকৰ PDS system টোৰ ওপৰত। মাননীয় মন্ত্ৰী মহোদয়ে সেই সন্দৰ্ভত যিটো উত্তৰ দিলে যে পূৰ্ব্বৰ চৰকাৰৰ সময়ত মালিক পক্ষই বেচি টকাত বজাৰৰ পৰা কিনিব লাগে আৰু ৪০ পইচাত দিব লাগে। মাননীয় মন্ত্ৰী মহোদয়ে অলপ ভুল তথ্য দিছে। বিগত সময়ত ভাৰত স্বাধীন হোৱাৰ পিছৰে পৰাই CCPA ৰ লগত চৰকাৰৰ এটা চুক্তি হৈছিলে আৰু চৰকাৰক এটা অনুৰোধ জনাইছিলে যে আমি ইমান টকা দিব নোৱাৰো। এইটো দৰমহাৰ এটা অংশ, সেইকাৰণে আমাক ৰেহাই মূল্যত দিব লাগে। FCI ৰ পৰা ৰেহাই মূল্যত এটা চাউলৰ যোগান ধৰা হৈছিল। কিন্তু যেতিয়াৰ পৰা নৰেন্দ্ৰ মোডী ডাঙৰীয়া দেশৰ প্ৰধানমন্ত্ৰী হ'ল, এই FCI ৰ subsidy টো বন্ধ কৰি দিলে যাৰ বাবে আজি এইটো অসুবিধাৰ সন্মুখীন হৈছে। ২০১৬ চনৰ আগত বাগান বিক্ৰী কৰাৰ এই পৰিস্থিতি হোৱা নাছিল। আজি GST ৰ কাৰণে আৰু বিশেষকৈ এই subsidy টো বন্ধ কৰি দিয়াৰ কাৰণেহে এই পৰিস্থিতিটো হৈছে। গতিকে স্পষ্টকৈ মোক জনাব লাগে এই PDS system টোৰ বিষয়টো লৈ FCI যে subsidy টো বন্ধ কৰি দিলে এই ক্ষেত্ৰত Cabinet Sub-Committee য়ে দেশৰ প্ৰধানমন্ত্ৰীক লিখিব নে নিলিখে যে এই subsidy টো দিব লাগে বুলি।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, নৰেন্দ্ৰ মোডী ডাঙৰীয়াৰ দোষ নাই। অসম চৰকাৰৰ প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াৰ চিঠি মই নিজে দেখিছো। এই বিষয়টো মই জানো কাৰণ চাহ বাগানৰ সমস্যাটো সমগ্ৰ অসমৰে এটা ডাঙৰ সমস্যা। যিখন National Food Security Act তেওঁলোকে মানি লম বুলি লিখি দিয়াৰ পাছত ভাৰত চৰকাৰে মানি ললে তাৰ ফলতেই এই subsidy টো উঠি গল। আমাৰ সমিতিখনে চেষ্টা কৰি আছো যাতে পশ্চিমবঙ্গৰ চাহ বাগিছা সমূহৰ দৰে আমাৰ চাহ বাগিছা সমূহক আমি সকাহ দিব পাৰো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া প্ৰশ্ন নং ১৪২। তেখেত অনুপস্থিত। গতিকে এতিয়া প্ৰশ্ন নং ১৪৩, শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, উত্তৰ সদনৰ মজিয়াত ৰখা হৈছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ন কলিতা (পশ্চিম গুৱাহাটী ) ঃ** মাননীয় অধ্যক্ষ মহোদয়, ইতিমধ্যে প্ৰায় ২৯,৮২৯ জন বিদেশীক বহিষ্কাৰ কৰা বুলি ইয়াত অৱগত কৰিছে। এই ২৯,৮২৯ জন যি বিদেশীক বহিষ্কাৰ কৰা বুলি কোৱা হৈছে সেইকসকল প্ৰকৃতাৰ্থত বাংলাদেশলৈ উভতিল নে নাই নে তেওঁলোক আকৌ উভতি আহিল ? এই তথ্যটো চৰকাৰৰ হাতত আছে নেকি ? বিশেষকৈ কেন্দ্ৰীয় চৰকাৰ আৰু বাংলাদেশ চৰকাৰৰ মাজত যেতিয়ালৈকে 'প্ৰত্যাপন চুক্তি' খন স্বাক্ষৰিত নহয়, তেতিয়ালৈকে বিদেশী বহিষ্কাৰ কৰাৰ যিটো ব্যৱস্থা , এই ব্যৱস্থাটো সফল হ'ব জানো ?

দ্বিতীয়তে, ইতিমধ্যে মাননীয় মন্ত্ৰী মহোদয়ে কৈছে যে অসম বাংলাদেশ সীমান্তৰ মুঠ দৈৰ্ঘ্য হ'ল ২৬৩ কিলোমিটাৰ। ইয়াৰে ৬১.৫৯ কিলোমিটাৰ স্থলভাগ আৰু স্থলভাগৰ ১৩.৩৮ কিলোমিটাৰ আৰু জলভাগৰ ৪৮.১১ কিলোমিটাৰ, এইখিনি প্ৰকৃতাৰ্থত Seal কৰাৰ ক্ষেত্ৰত কি ব্যৱস্থা লৈছে ? জলভাগত উন্মুক্ত হৈ থকাৰ কাৰণে বিদেশী আহিয়েই আছে। গতিকে এই সম্পৰ্কত মই উত্তৰ মাননীয় মন্ত্ৰী ডাঙৰীয়াৰ পৰা বিচাৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰীঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এটা ভাল খবৰ আপোনাক দিব বিচাৰিছো যে, আমাৰ চৰকাৰ থকাৰ দিনতে ২৯,৮২৯ জন বিদেশী বহিষ্কাৰ কৰা হৈছে আৰু যোৱাবছৰ বিলাকত Push back কৰি থকা হৈছে। যোৱা বছৰ বিলাকত তেওঁলোকক Pushback কৰি

থকা হৈছিল। গতিকে আগৰ বছৰ বিলাকত যেতিয়া Pushback কৰিছিল, Pushback কৰাৰ সময়ত তেওঁলোক গ'লনে আহিলনে থাকিল তেনেকুৱা কোনো ধৰণৰ তথ্য চৰকাৰৰ হাতত নাই। এতিয়া আমাৰ Border Police য়ে নি বাংলাদেশ পুলিচক গতাই দিয়ে আৰু তেওঁলোকে গ্ৰহনো কৰিছে। কিন্তু প্ৰত্যা ৰ্বৰ্তন চুক্তিখন নহ'লেও এইটো কৰিছে। মাজতে ৰহিংগাৰ ক্ষেত্ৰটো হৈছে। Border Police য়ে নি বাংলাদেশক গতাই দিছে আৰু বাংলাদেশে এইটো গ্ৰহণ কৰিছে, তেওঁলোকৰ বুলি। সেইটো এটা কথা আপোনাক জনালো। দ্বিতীয় কথাটো হ'ল Border ৰৰ ক্ষেত্ৰত এইবাৰ এটা বৈপ্লৱিক পৰিবৰ্তন হৈছে। মই মুখ্যমন্ত্ৰী মহোদয়ক ধন্যবাদ দিছো যে তেখেতে নিজে মানকাছাৰলৈকে গৈ ৰাতি থাকি এই Border পৰিভ্ৰমণ কৰিছে। আৰু Border এটা অকনমান বাকী আছে। আৰু পানীৰ ক্ষেত্ৰত যিটো Water Road আছে সেইখিনিৰ ক্ষেত্ৰত আমাৰ GY আৰু GPS Optic Fiber cable এটা most modern technology এটা বৰ্তমান ব্যৱহাৰ কৰি আছে। আৰু অনতি পলমে হিন্দু বাংলাদেশ Border সম্পূৰ্ণ ভাৱে Seal হৈ যাব।

**মাননীয় অধ্যক্ষ ঃ-** Question Hour is over. মই এটা residuary power ত মই discretion লৈছো। আমাৰ যিটো ঘটনা ঘটি গ'ল সন্ত্ৰাসবাদৰ ঘটনা সেইটোৰ ওপৰত মই অলপমান লিখি আনিছো সেইটো এক মিনিট সময় লৈ পঢ়ি দিছো। যোৱা ইংৰাজী ১৪-০২-২০১৯ তাৰিখে কাশ্মীৰৰ পুলুৱামা জিলাৰ অৱণ্টিপুৰত সন্ত্ৰাসবাদীৰ দ্বাৰা সংঘটিত বোমা বিস্ফোৰনত শ্বহীদ হোৱা অসম সন্তান মনেশ্বৰ বসুমতাৰীসহ দেশৰ ৪৪ গৰাকী CRPF জোৱানৰ মৃত্যুত সদনে গভীৰ দুখ প্ৰকাশ কৰে আৰু তেখেত সকলৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে, আৰু লগতে যিসকল আহত হৈছে তেওঁলোকৰ আশুআৰোগ্য কামনা কৰাৰ লগতে মৃত্যুহোৱা সকলো পৰিয়াললৈ আৰু লগতে আহত পৰিয়াললৈও এই সময়ত সদন তেখেত সকলৰ লগত আছে, আৰু মৃত্যু হোৱা সকলো শোক সন্তপ্ত পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰে। মই এতিয়া এক মিণিট সময় সকলোকে ঠিয় হৈ মৌন প্ৰাথনা কৰিব বিচাৰিছো।

(মাননীয় অধ্যক্ষ মহোদয়ক প্ৰমোক্ষ কৰি সদনত উপস্থিত সকলোৰে এক মিণিট সময় মৌন প্ৰাৰ্থনা জনায়)।

ওম শান্তি। বহক।

এতিয়া কোনোবাই কিবা কব খুজিছিল। কওঁক।

**শ্ৰী ৰূপজ্যোতি কুৰ্মী, সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়, মোৰ এটা প্ৰশ্ন আছিল আজি Unstarred Question ত। ২৩৫ নং । মাননীয় মন্ত্ৰী মহোদয় বহি আছে। শিক্ষা বিভাগৰ মাননীয় ড০ চাৰ বহি আছে সেই কাৰণে কব বিচাৰিছো। দুবছমান আগতে তেখেতে যেতিয়া দায়িত্ব লৈছিল, তেতিয়া তেখেতে কৈছিলে এনে সমস্যাৰ কাৰণে মোৰ তিনিটাকৈ জলসিঞ্চন আঁচনি সম্পুৰ্ন হোৱা নাই। মাননীয় মন্ত্ৰী মহোদয়ে কথা দিছিল মই তেখেতৰ দৃষ্টি আৰ্কষণ কৰিব বিচাৰিছো। এনে সমস্যাটোৰ সমাধান কৰাৰ খৰতকীয়া ব্যৱস্থা কৰে।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে। I have take note of this.

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ , সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়, শেষৰ প্ৰশ্ন যিটো আছিলে য'ত মাননীয় মন্ত্ৰী মহোদয়ে কলে, **২৯** হাজাৰ মানুহক বাংলাদেশৰ লৈ পঠোৱা হৈছে। মাননীয় অধ্যক্ষ মহোদয় এই তথ্যটো ভুল তথ্য। প্ৰায় **২০-২৫** বছৰ হৈছে, অধ্যক্ষ মহোদয় প্ৰত্যেক বছৰত **২০-৩০** জনকৈ পঠোৱা হৈছে। তেওঁ কৈছে যে তেওঁৰ চৰকাৰৰ সময়ত গোটেই পঠোৱা হৈছে। চৰকাৰৰ আঢ়ৈ বছৰ সময়ত যদি **২৯** হাজাৰ পঠোৱা হয়, সেইটো ভুল তথ্য দিছে।

**মাননীয় অধ্যক্ষ ঃ-** তেখেতে মৌখিক ভাৱে দিছিল নে লিখিত দিছিল?

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ , সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয় এতিয়া কলে।

**মাননীয় অধ্যক্ষ ঃ-** মই চাই লম।

**শ্ৰী কমলাক্ষ্য দে পুৰকায়স্থ , সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়, শ্বহীদ হোৱা মনেশ্বৰ বসুমতাৰীৰ যি ৰিজ'লোচন আজি সদনত লোৱা হৈছে ধন্যবাদ জনাইছো। মই বিধায়ক হিচাবে আমাৰ বিধায়িনী দলৰ পৰা শ্ৰদ্ধা যাচিঁছো। আৰু তেওঁৰ পৰিয়ালৰ প্ৰতি যাতে এটা চৰকাৰী চাকৰিৰ ব্যৱস্থা কৰা হয় সেইটোৰ কাৰণে মই আপোনাক অনুৰোধ জনাইছো।

**মাননীয় অধ্যক্ষ ঃ-** Thank you.good suggestion. এতিয়া মই আমাৰ কাৰ্য্য উপদেষ্টা সমিতিৰ প্ৰতিবেদনখন পাঠ কৰি দিব খুজিছো। যোৱা **১৮** ফেব্ৰুৱাৰীত এইটো হৈছে, অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্য পৰিচালনা নিয়মাৱলীৰ নিয়ম **২৩০** ৰ অধীনত অসম বিধান সভাৰ চলিত বাজেট অধিবেশনত **২০১৯-২০** চনৰ দাবী মঞ্জুৰীৰ বাবে দাবী সমুহৰ সম্পৰ্কত অগ্ৰাধিকাৰ দিয়াৰ ওপৰত আলোচনা কৰিবলৈ যোৱা **৮** ফেব্ৰুৱাৰী **২০১৯** তাৰিখে বিয়লি **৪-১৫** বজাত মোৰ কাৰ্য্যালয়ৰ সভা কক্ষত কাৰ্য্য উপদেষ্টা সমিতিৰ এখন বৈঠক অনুস্থিত হয়। বৈঠকত দাবী মঞ্জুৰী সমুহৰ ওপৰত বিষদভাৱে আলোচনা হোৱাৰ পাছত সমিতিয়ে সৰ্বসন্মতি ক্ৰমে দাবী মঞ্জুৰীৰ বাবে নিম্নলিখিত দিশ সমুহ অগ্ৰাধিকাৰ ভিত্তিত **১৮,২০** আৰু**২১** ফেব্ৰুৱাৰীত এই তিনিটা দিন সদনত আলোচনা হ'ব বুলি সিদ্ধান্ত গ্ৰহণ কৰে। মঞ্জুৰী কেইটা যি কেইটা অগ্ৰাধিকাৰ দিছে, প্ৰথমটো হৈছে

ক) প্ৰাকৃতিক দুৰ্য্যোগ (মঞ্জুৰী নং **৪১**), খ) জলসম্পদ (মঞ্জুৰী নং **৬৩**), গ) গ্ৰাম্য উন্নয়ন ( পঞ্চায়ত), (মঞ্জুৰী নং **৫৬**), আৰু গ্ৰাম্য উন্নয়ন (মঞ্জুৰী নং **৫৭**) আমি যুটীয়াকৈ লৈছো। এইটো পঞ্চায়ত আৰু গ্ৰামোন্নয়ন। উপৰোক্ত অগ্ৰাধিকাৰ দিয়াৰ বাবে দাবী সমুহৰ ভোটদান সম্পৰ্কত যি আলোচনা, তাৰ পাছত যদি কিছু সময় থাকে, আমি বাকী দাবী সমুহ একাদিক্ৰমে আলোচনাৰ বাবে গ্ৰহণ কৰাৰ সিদ্ধান্ত কৰা হয়। সমিতিয়ে চলিত বাজেট অধিবেশনত The Assam Tea Plantations Provident Fund and Pension fund and Deposit Linked Insurance Fund Scheme Amendmant bill, 2019 আৰু বাৰ্ষিক প্ৰতিবেদন সমুহ আজি সদনত দাখিল কৰাৰ বাবেও অনুমতি দিয়ে। আশাকৰো মাননীয় সদনৰ এই প্ৰতিবেদনত অনুমতি আছে। ঠিক আছে, আৰু ইয়াৰ পাছত মই bill খন মুভ কৰাই লব বিচাৰিছো মন্ত্ৰী আছে ঠিক আছে । মই এতিয়া ৰাজ্যিক শ্ৰম কল্যাণ মন্ত্ৰীৰ হৈ Parliamentary Affairs Minister ক The Assam Tea Plantations Provident Fund and Pension fund and Deposit Linked Insurance Fund Scheme Amendmant bill, 2019 সদনত উত্থাপনৰ বাবে অনুমতি বিচাৰি প্ৰস্তাৱ কৰিবলৈ অনুৰোধ জনালো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, The Assam Tea Plantations Provident Fund and Pension fund and Deposit Linked Insurance Fund Scheme Amendmant bill, 2019 বিধেয়েকখন মই সদনত উত্থাপন কৰিবলৈ অনুমতি বিচাৰিছো।

**মাননীয় অধ্যক্ষ ঃ-** বিধেয়কখন সদনত উত্থাপান কৰাত সদনৰ আপত্তি আছেনে? অনুমতি দিয়া হৈছে। এতিয়া মাননীয় মন্ত্ৰী ডাঙৰীয়াক বিধেয়কখন সদনত উত্থাপন কৰিবলৈ অনুৰোধ কৰিলো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ-** মাননীয় অধ্যক্ষ মহোদয়, The Assam Tea Plantations Provident Fund and Pension fund and Deposit Linked Insur-

ance Fund Scheme Amendmant bill, 2019 বিধেয়েকখন মই সদনত উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ-** এতিয়া বিধান সভাৰ প্ৰধান সচিবে বিধেয়কখনৰ শিৰোনামা পঢ়ি দিব।

**প্ৰধান সচিব অসম বিধান সভা ঃ-** বিধেয়কখনৰ শিৰোনামা The Assam Tea Plantations Provident Fund and Pension fund and Deposit Linked Insurance Fund Scheme Amendmant bill, 2019

**মাননীয় অধ্যক্ষ ঃ-** এতিয়া কাৰ্য্যসুচী নং ৪ । আমাৰ আব্দুল খালেক ডাঙৰীয়াই আমলৈ এখন কাগজ দিছিল, তেখেতে পি এ চি ৰ পৰা পদত্যাগ কৰিছে। গতিকে মই এটা ঘোষণা কৰিব খুজিছো যে মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে অসম বিধান সভাৰ প্ৰক্ৰিয়া আৰু কাৰ্য্যপৰিচালনা নিয়মাৱলীৰ **১৯৬ (৩)**ৰ অধীনত ৰাজহুৱা হিচাব সমিতিৰ মাননীয় সদস্য শ্ৰী আব্দুল খালেক ডাঙৰীয়াই পদত্যাগ কৰাৰ হেতুকে সমিতিৰ খালী হোৱা সদস্য পদটো পুৰণ কৰিবলৈ প্ৰস্তাৱ উত্থাপন কৰিব।

Shri Chandra Mohan Patowary, Minister, Parliamentary Affairs: Hon'ble Speaker Sir, I beg to move that in pursuance of Rule 194(3) of the Rules of Procedure and Conduct of Business in Assam Legislative Assembly, this Assembly do now elect one(1) Member of the Assembly to fill up the casual vacancy occurred due to resignation from membership of the Public Accounts Committee by Shri Abdul Khaleque on 5th February, 2019 and in accordance with the principle of Proportional representation by means of the single transferable vote, who shall hold office for the remaining period of the Committee on Public Accounts, Assam Legislative Assembly duly constituted on 3rd December, 2018 vide Notification No. LAPAC.20/ 2016/183.

**মাননীয় অধ্যক্ষ ঃ-** এতিয়া শক্তি মন্ত্ৰীয়ে **২০১৯** চনৰ **৩** জানুৱাৰী তাৰিখৰ অধিসুচনাখন সদনত দাখিল কৰিব। তেওঁৰ হৈ মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে কৰিব।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মাননীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই ২০১৯ চনৰ ৩ জানুৱাৰী তাৰিখৰ অধীসূচনাখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** মাননীয় মুখ্যমন্ত্ৰীয়ে State Police Accountability Commission Assam for the year 2017 প্ৰতিবেদন দাখিল কৰিব মাননীয় মুখ্যমন্ত্ৰীৰ হৈ সংসদীয় পৰিক্ৰমা মন্ত্ৰীয়ে।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মাননীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ মই ২০১৭-২০১৮ চনৰ Assam Information Commission ৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া মই পুনৰ আপোনাক Assam Information Commission ৰ ২০১৭-২০১৮ চনৰ বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মাননীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ হৈ মই ২০১৭-২০১৮ চনৰ Assam Information Commission ৰ

বাৰ্ষিক প্ৰতিবেদনখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া গড়কাপ্তানী বিভাগৰ ২০১৭-২০১৮ চনৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবদনখন সদনত পুনৰ দাখিল কৰিবৰ কাৰণে মই মাননীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰীক অনুৰোধ কৰিলো।

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মাননীয় পৰিক্ৰমা মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, অসমৰ মাননীয় গড়কাপ্তানী মন্ত্ৰীৰ হৈ মই ২০১৭-২০১৮ চনৰ অসম চৰকাৰৰ গড়কাপ্তানী পথ বিভাগৰ বাৰ্ষিক প্ৰশাসনীয় প্ৰতিবেদন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া মাননীয় সমবায় মন্ত্ৰীক ২০১১-২০১২, ২০১২-২০১৩ আৰু ২০১৩-২০১৪ চনৰ Assam State Warehousing Coporation ৰ তিনিখন প্ৰতিবেদন দাখিল কৰিবলৈ মই অনুৰোধ কৰিলো।

**শ্ৰী ৰিহণ দৈমাৰী, মাননীয় সমবায় মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, ২০১১-২০১২, ২০১২-২০১৩ আৰু ২০১৩-২০১৪ চনৰ Assam State Warehousing Coporation ৰ ৫০, ৫১ আৰু ৫২ তম্ বাৰ্ষিক প্ৰতিবেদন তিনিখন সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** এতিয়া Departmentally Related Standing Committee ৰ Report কেইটা দাখিল কৰা হ'ব। শ্ৰীতেৰছ গোৱালাক কৰ্ম সম্পৰ্কীয় স্থায়ী সমিতিৰ প্ৰতিবেদনখন দাখিল কৰিবলৈ অনুৰোধ কৰিছো।

**শ্ৰী তেৰছ গোৱালা, দুলীয়াজান ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ ২০১৯-২০ বৰ্ষৰ বিভাগীয়ভাৱে সম্পৰ্কীয় কৰ্ম সম্পৰ্কীয় স্থায়ী সমিতিৰ অধীনস্থ ১ নং গড়কাপ্তানী বিভাগৰ বিংশতিতম্, ২ নং- ছপা আৰু লেখন সামগ্ৰী বিভাগৰ ষষ্ঠদশ, ৩ নং জলসম্পদ বিভাগৰ একবিংশতিতম্, ৪ নং- জলসিঞ্চন বিভাগৰ বিংশতিতম্, ৫ নং - তথ্য আৰু জনসংযোগ বিভাগৰ ষষ্ঠদশ, ৬ নং- গুৱাহাটী উন্নয়ন বিভাগৰ বিংশতিতম্, ৭ নং -নগৰ উন্নয়ন বিভাগৰ ষষ্ঠদশ, ৮ নং জনস্বাস্থ্য কাৰিকৰী বিভাগৰ একবিংশতিতম্, ৯ নং -ৰাজহ আৰু দুৰ্যোগ ব্যৱস্থাপনা বিভাগৰ ষষ্ঠদশ প্ৰতিবেদন সমূহ সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ।

**শ্ৰী আব্দুল খালেক, জনীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়,Works Committee ৰ মই Member, আপুনিও আগতে Chairman আছিলে। জলসিঞ্চন বিভাগত আমি SDRF ৰ টকা দিবলৈ Recommend কৰিছিলো। চৰকাৰে যদি একটকা এটাও দিলেহেঁতেন, সেইটো এটা টকেন হৈ থাকিলহেঁতেন। ২৪ টা প্ৰপ'জেল গৈছিল, একটকাও নিদিলে। চৰকাৰে যাতে Works Committee ৰ Report বিলাকক এনেদৰে অৱহেলা নকৰে। আমি বিভিন্ন দিশ চালিজাৰি চাই Report দিও, সেইটো Implement হ'ব লাগে।

**মাননীয় অধ্যক্ষ ঃ** If the committee with table fast. আমি ইয়াৰ পিছত এইটো Works Committee ৰ তেখেতে যিটো কৈছে, কথাটো আলোচনা হ'ব, কৰিব পাৰিব। এতিয়া শ্ৰী প্ৰশান্ত ফুকন ডাঙৰীয়াই তেখেতে মোৰ পৰা leave of absance বিচাৰিছিল গতিকে তেখেতৰ হৈ তেখেতে authorise কৰিছে ডাঃ নোমল মোমিনক। উন্নয়ন 'ক' বিভাগ সম্পৰ্কীয় স্থায়ী সমিতিৰ প্ৰতিবেদন তেখেতে ইয়াত দাখিল কৰিব।

**ডাঃ নোমল মোমিন, বোকাজান ঃ** Hon'ble Speaker Sir, I on behalf of the Chairman beg to present the following reports of Departmentally Related Standing Committee on Development 'A' Department. The

Reports are 16th Report on Excise Department Grant No. 8, 21st Report on Transport Department Grant No. 9, 16th Report on General Administration Department Grant Nos. 12 & 21, 21st Report on Food & Civil Supplies Department Grant No. 37 & 46, 21st Report on WPT & BC Department Grant No. 38, 21st Report on Social Welfare Department Grant No. 39, 21st Report on Forest & Environment Department Grant No. 55, 21st Report on Industries Department Grant No. 58 & 60, 21st Report on Power (Ele.), Mines & Minerales Department Grant No. 61 & 62, 16th Report on Sports & Youth Welfare Department Grant No. 74.

**মাননীয় অধ্যক্ষ ঃ** The Chairman of Departmentally Related Standing Committee on Development 'B' Department, Shri Mazendra Narjary has also sought leave of absance which I allowed and accordingly has given the responsibility to another Member Shri Kamal Singh Narjary to present the report.

**শ্ৰী কমল সিং নাৰ্জাৰী, ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই অসম বিধান সভাৰ বিভাগীয়ভাৱে সম্পৰ্কীয় স্থায়ী সমিতি উন্নয়ন 'খ' বিভাগৰ সভাপতিৰ হকে তলত উল্লিখিত প্ৰতিবেদনসমূহ সদনত দাখিল কৰিলো। ১ নং-মঞ্জুৰী নং ৪৮ আৰু ৬৭ কৃষি আৰু উদ্যান শস্য বিভাগৰ একবিংশতিতম্ প্ৰতিবেদন, ২নং-মঞ্জুৰী নং ৫৬ আৰু ৫৭ পঞ্চায়ত গ্ৰামোন্নয়ন বিভাগৰ একবিংশতিতম্ প্ৰতিবেদন, ৩ নং-মঞ্জুৰী নং ৫৯ হস্তঁতাত বস্ত্ৰ শিল্প আৰু ৰেচম বিভাগৰ একবিংশতিতম্ প্ৰতিবেদন, ৪ নং-মঞ্জুৰী নং ৫৪ মীন বিভাগৰ একবিংশতিতম্ প্ৰতিবেদন, ৫ নং- মঞ্জুৰী ৫২ আৰু ৫৩ পশুচিকিৎসা ও পশুপালন বিভাগৰ একবিংশতিতম্ প্ৰতিবেদন, ৬ নং- মঞ্জুৰী - ২৯ স্বাস্থ্য ও পৰিয়াল কল্যাণ বিভাগৰ একবিংশতিতম্ প্ৰতিবেদন, ৭ নং -মঞ্জুৰী -৪৩ সমবায় বিভাগৰ একবিংশতিতম্ প্ৰতিবেদন, ৮ নং-মঞ্জুৰী ৩৬ শ্ৰম আৰু নিয়োগ বিভাগৰ ষষ্ঠদশ প্ৰতিবেদন, ৯ নং মঞ্জুৰী - ৫১ ভূমিসংৰক্ষণ বিভাগৰ ষষ্ঠদশ প্ৰতিবেদন, ১০ নং- মঞ্জুৰী - ১৪, ১৫, ১৮ আৰু ২০ গৃহ বিভাগৰ ষষ্ঠদশ প্ৰতিবেদন।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। Departmentally Related Standing Committee (Education) ৰ প্ৰতিবেদন শ্ৰী উৎপল দত্তই দাখিল কৰিব।

**শ্ৰী উৎপল দত্ত, লখিমপুৰ ঃ** মাননীয় অধ্যক্ষ ডাঙৰীয়া, মঞ্জুৰী নং- ২৯, ২৬, ৭১, ২৭ আৰু ৬৯ সম্পৰ্কত অসম বিধান সভাৰ বিভাগীয়ভাৱে সম্পৰ্কীত স্থায়ী সমিতি (শিক্ষা) বিত্তীয় বৰ্ষ ২০১৯-২০২০ প্ৰতিবেদনসমূহ সদনত দাখিল কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** আমি এতিয়া গ্ৰাণ্টৰ আলোচনালৈ যাম। প্ৰথমতে আমি ৪১, প্ৰাকৃতিক দুৰ্য্যোগ ল'ম বুলি যিহেতু সৰ্বসন্মতিক্ৰমে ঠিক কৰিছিলো,গতিকে এই মঞ্জুৰী প্ৰস্তাৱটো উত্থাপন কৰিব লাগিব। On behalf of Hon'ble Chief Minister, now request Parliamentary Affairs Minister to move the motion.

**শ্ৰীচন্দ্ৰমোহন পাটোৱাৰী, মাননীয় পৰিক্ৰমা মন্ত্ৰী ঃ** Hon'ble Speaker Sir, on behalf of Hon'ble Chief Minister of Assam I beg to move on the recommendation of the Governor of Assam I beg Sir, to move that a

sum of rupees 1thousand 1hundred 29 crore 40 lakh 22 thousand be granted to the Minister incharge to defray the charges which will come in course of payment during the year 31st March 2020 for the administration of Natural Calamities.

**মাননীয় অধ্যক্ষ ঃ** মুঠ টকাটো আছিল ১১২৯ কোটি ৪০ লাখ ২২হাজাৰ । এতিয়া ইয়াৰ ওপৰত কৰ্তন প্ৰস্তাৱ আছে ৩ টা । দেবব্ৰত শইকীয়া আৰু তেখেতৰ সহযোগী পবিন্দ্ৰ ডেকা আৰু হাফিজ বছিৰ আহমেদ আৰু তেখেতৰ সহযোগী। সকলোৰে হৈ এজনে ক'লে হ'ব।

**শ্ৰীদেবব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ** মাননীয় অধ্যক্ষ মহোদয় ২০১৯-২০ চনৰ বাজেটৰ দ্বিতীয় খণ্ডৰ ১২ অংশৰ ১৯৭ পৰা ১৬৪ পৃষ্ঠাত থকা প্ৰাকৃতিক দুৰ্যোগ শিতানৰ ৪১ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দাবীৰ ১১২৯ কোটি ৪০ লাখ দশমিক ২২ লাখ টকা ১ টকালৈ হ্ৰাস কৰা হওঁক। অৰ্থাৎ মঞ্জুৰীৰ ১ কোটি ১ হাজাৰ ১২ লাখ ৯৪০ দশমিক ২২ লাখ টকা ১ টকালৈ হ্ৰাস কৰা হওঁক।

**মাননীয় অধ্যক্ষ ঃ** সন্মানীয় সদস্যসকল আপোনালোকে প্ৰত্যেক বিধায়িনী দলে কোনে কোনে ক'ব-লিষ্টখন মোক এডভান্স দি দিলে পৰিচালনা কৰাত ভাল হ'ব। আমি ৩ টা লৈছো যেতিয়া এটা লিমিটেড হোৱা ভাল। ডিচকাচন এটা শেষ কৰি যাতে আমি মিনিষ্টাৰৰ উত্তৰলৈ যাব পাৰো প্ৰথমতে ৰূপজ্যোতি কুৰ্মী প্লিছ- স্পীক।

**শ্ৰীৰূপজ্যোতি কুৰ্মী ঃ** মাননীয় অধ্যক্ষ মহোদয়, কৰ্ত্তন প্ৰস্তাৱক সমৰ্থন জনাই কেইটামান বিষয় ক'ব বিচাৰিছো- প্ৰাকৃতিক দুৰ্যোগ বুলিলে আমি সকলোৱে জানো এইটো ভগবান বা আল্লাৰ মহিমা। ইয়াক আমি কেতিয়াও ৰোধ কৰিব নোৱাৰো। কিন্তু কিছু ক্ষয় ক্ষতি কমাবৰ কাৰনে চৰকাৰখনে চেষ্টা কৰিব লাগিব। যিখিনি ক্ষতিপূৰণ হয় সেই চৰকাৰে সময়মতে যেন দিয়ে । তাৰ কাৰণে চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব লাগিব। তাৰ বাবে কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰৰ এটা সুকীয়া বিভাগ আছে। প্ৰাকৃতিক দুৰ্যোগত আক্ৰান্তসকলক সকাহ দিয়া এই বিভাগৰ কৰণীয় দায়িত্ব। আমি যদি চাও দেখো যে অসমৰ বানপানী এটা ডাঙৰ সমস্যা যিটোৱে আমাৰ অৰ্থনৈতিক ক্ষতিৰ লগতে আমাৰ মাটি বাৰীও ক্ষতি কৰি গৈ আছে। এতিয়া Government is continous process. আমি এই কথাও জানো। বিগত চৰকাৰৰ দিনত যথেষ্ট পদক্ষেপ গ্ৰহণ কৰিছিল। এই চৰকাৰৰ দিনত কেনে পদক্ষেপ গ্ৰহণ কৰিছে আমি শুনাতো বহুতো পায়েই আছো। কিন্তু এই ক্ষেত্ৰত কিমান সাফল্য পাইছো ? নমামী ব্ৰহ্মপুত্ৰ যেতিয়া চৰকাৰে ধবুৰীত পাতিছিল পূজা আৰম্ভ কৰা পণ্ডিতজনৰ ধুতী জ্বলি গৈছিল। তাৰ পিছত নমামী ব্ৰহ্মপুত্ৰ উৎসৱৰ পেণ্ডেলো ধুমুহাত ভাঙি গৈছিল। মোৰ দেউতাৰ ঘৰ ঢেকীয়াজুলিত। এটা অসমত ব্ৰহ্মপুত্ৰ পাৰ হৈছিলো যেতিয়া ভোমোৰাগুৰিত দলং নাছিল, মই শীলঘাটে দি নাওঁত পাৰ হৈছিলো। ৮৫ চন মানত ব্ৰহ্মপুত্ৰ যিমান বহল আছিল এতিয়া যথেষ্ঠ বৃদ্ধি হৈছে। কেইদিনমান আগতে এই বিধান সভাত সন্মানীয় বিদায়ক ৰাজেদ আলি ডাঙৰীয়াই কৈছিল তেখেত যেতিয়া সৰু আছিল তেতিয়া ব্ৰহ্মপুত্ৰ ৬ কি.মি বহল আছিল আৰু এতিয়া বহ্মপুত্ৰ তাত ১৬ কি.মি বহল হ'ল। আমি জানো যেতিয়া মহামান্য চুপ্ৰিম কোৰ্টৰ অৰ্ডাৰ অহা নাছিল , সেই অৰ্ডাৰ নহা পৰ্য্যন্ত বিশেষকৈ যিবিলাক পাহাৰীয়া ৰাজ্য নগালেণ্ড- অৰুণাচলতত বহু গছ গছনি কাটিছিল। যাৰ ফলত বৰষুণ হৈছিল আৰু বৰষুণৰ ফলত বালি- মাটি শীল এই বিলাক সোঁতৰ লগত উটি আহি কিছুমান উপনৈ বাম কৰি পেলালে। আমি শোনিতপুৰ জিলাৰ - মিছন চাৰিআলিৰ ফালে যদি যাওঁ তাৰ উপনৈবিলাকত খৰালি কালতো আমি পানী দেখিছিলো । আজি কিন্তু শিল-

বালিৰে ভৰপুৰ হৈ আছে। আজি ব্ৰহ্মপুত্ৰ ইমানে বাম হৈ গৈ আছে, যাৰ ফলত ই বহল হৈ গৈ আছে তাৰ ফলস্বৰূপে খহনীয়া হৈছে। এই ক্ষেত্ৰত চৰকাৰৰ ফালৰ পৰা কেনেধৰনৰ ব্যৱস্থা গ্ৰহণ কৰিছে, আৰু ডিগিং ৰ যিটো কথা কোৱা হৈছিল কাট মোশ্যনৰ যোগেদি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিলো। চৰকাৰে আমাক স্পষ্টভাবে জনাব লাগে। Disaster management শিতানত যিখিনি পুঁজি দিয়া হৈছে, সেইবিলাক ক'ত ব্যৱহাৰ কৰিছে? কেনেধৰনে ব্যৱহাৰ কৰিছে, আমাক সদনত স্পষ্টভাবে দাঙি ধৰিব লাগে। আৰু এটা কথা হ'ল আমাৰ সদস্যসকল জিলা কমিটিত সদস্য। আমাক ডি ডি এম এ বুলি মাতে। মই সভাবিলাকত উপস্থিত থকাৰ চেষ্টা কৰো। এই সভাবোৰত যিখিনি সিদ্ধান্ত হয়, জিলা পৰ্য্যায়ৰ পৰা যোৱা প্ৰস্তাৱসমূহ চৰকাৰে নিশ্চয় কাৰ্য্যকৰী কৰিব বুলি আমাক কোৱা হয়। কিন্তু যিখিনি আমি প্ৰস্তাৱ পঠিয়াও, সিদ্ধান্ত অনুযায়ী আমি প্ৰস্তাৱৰ বিপৰীতে পুঁজি নাপাওঁ। এতিয়া আমি বিধায়কসকলে দিশপুৰত আহি বছা বছা মানুহক লগ কৰিব লাগিব নেকি? দৰখাস্ত দিব লাগিব নেকি? এই বিষয়টোত আমি স্পষ্ট হ'ব বিচাৰিছো। নহ'লে আমাৰ সভাবোৰ এনে পতাৰ দৰে হয়। এই চৰকাৰে দায়িত্ব লোৱাৰ আগতে শিলাবৰ্ষণ হৈ পাহাৰীয়া বৰাক অঞ্চলত , কাৰ্বি আংলঙ অঞ্চলত, উজনি অসম অঞ্চলত বিশেষকৈ মোৰ সমষ্টিত শিল বৰষুণত বহু ঘৰ নষ্ট হ'ল। টিন ফুটা হ'ল, বহু মানুহৰ ধান খেতি নষ্ট হ'ল। ইয়াৰ বাবে আমি চৰকাৰক এটা আবেদন জনাইছিলো যে চাহ বাগানৰ শ্ৰমিকসকল লেবাৰ লাইনৰ কোৱাৰ্টাৰত থাকে , তেওঁলোকৰ ঘৰবোৰৰ নানা অনিষ্ট হ'ল- কিন্তু তেওঁলোকে একো ক্ষতিপূৰণ পোৱা নাই। ক্ষতিপুৰণ পোৱাৰ কিবা ব্যৱস্থা আছে নেকি মই যেতিয়া Circle Officer ক সুধিলো তেখেতে ক'লে ৰেভিনিউ লেণ্ড নোহোৱা বাবে আবেদন কৰিলেও আমি চৰকাৰলৈ আগবঢ়াব নোৱাৰিম। যেতিয়া আমি এই বিষয়টো উত্থাপন কৰিছিলো চৰকাৰে এটা Policy লৈ হ'লেও চাহ লেবাৰ লাইনৰ কোৱাৰ্টাৰবোৰ ভাল কৰাৰ বাবে বা ধান খেতি যিখিনি নষ্ট সেইখিনি ক্ষতি পূৰণৰ ব্যৱস্থাৰ কথা চৰকাৰে কৈছিল কিন্তু তাৰ বিপৰীতে চৰকাৰে কি ব্যৱস্থা ল'লে আমি কিন্তু আজিলৈকে অৱগত নহ'লো। এই ক্ষেত্ৰত আমি দুখ প্ৰকাশ কৰি চৰকাৰক অনুৰোধ জনাইছো এই লোকসকল ভোটাৰো হয়, ভাৰতীয় নাগৰিকো হয়, তেওলোক দুখীয়াও হয়। চৰকাৰে সব কা সাথ ,সব কা বিকাশ শ্লোগান দিয়ে- এতিয়া তেওঁলোকে কি এই শ্লোগানৰ ভিতৰত নাহে নেকি? এইখিনিতে ক'ব বিচাৰো বিভিন্নধৰনৰ দুৰ্ঘটনা যেনে- বিজুলী সংযোগ, বা কাৰোবাৰ লগত কাজিয়া কৰিয়েই হওক, বা ঘৰ জ্বলোৱাক লৈয়ে হওক- চৰকাৰৰ তৰফৰ পৰা এটা বিহীত ব্যৱস্থা ল'লে ভাল আছিল। কেতিয়াবা পুলিছ ৰিপোৰ্ট সময়মতে নাপায়, কেতিয়াবা ফায়াৰ বিগ্ৰেডৰ ৰিপোৰ্ট সময়মতে নাপায়, যাৰ ফলত পৰিয়ালটো ভুগিব লগা হয়। গাওঁবুঢ়াসকলক এইক্ষেত্ৰত চৰজমিন তদন্ত কৰি ৰিপৌৰ্ট দিয়াৰ Authority দিব লাগে। এই ক্ষেত্ৰত যদি চৰকাৰে অলপ শিথী লতা নানে বহু ক্ষতিগ্ৰস্থ পৰিয়ালৰ পানীত হাহঁ নচৰা অবস্থা হ'ব। মোৰ সমষ্টিত নকছাৰী ষ্টেশ্যনতে পান দোকান দি চলি থকা একেবাৰে দুখীয়া পৰিয়াল এটাৰ ঘৰ দুৱাৰ জুঁইত জাহ গ'ল- পুলিছ ৰিপোৰ্ট নিদিয়া বাবে যেনেধৰণৰ ক্ষতিপূৰণ পাব লাগিছিল পোৱা নাই। এই বিষয়টোৰ ক্ষেত্ৰতো মই চৰকাৰক কাট মোশ্যনৰ জৰিয়তে দৃষ্টি আকৰ্ষণ কৰিলো। আৰু এটা গুৰুত্বপূৰ্ণ বিষয় হ'ল- উত্তৰ পূৰ্ব্বাঞ্চলৰ লগতে অসম খন Earthquake Zone বুলি চিনাক্তকৰণ হৈছে। আমাৰ অসমত যোৱা এবছৰত ডাঙৰ ভূমিকম্পৰ জোকাৰনী অনুভূত হোৱা নাই যদিও ভাৰতৰ আন অঞ্চল বা পৃথিবীৰ আন অঞ্চলত ডাঙৰ ভূমিকম্প হৈছে। আনকি বিদ্যালয়ৰ পাঠদান চলি থকা সময়ত চাঁদ পৰি লৰা ছোৱালীৰ মৃত্যুও হৈছে। কিন্তু বহু এনেকৈ আমি দিন পাৰ কৰিলো। এটা ভয় লগা দিন, যিটো দিনৰ মূৰত আমি দেখা পালো যে পৃথিৱীৰ বিভিন্ন প্ৰান্তত আৰু

ভাৰতৰ বিভিন্ন প্ৰান্তত বিদ্যালয়ত পাঠদান লৈ থকাৰ অৱস্থাত ছাত্ৰ-ছাত্ৰী সকলৰ ওপৰত চাদ পৰি এনেকুৰাকৈ মানুহৰ মৃত্যু হৈছে। এই ক্ষেত্ৰত আমি দেখা পাইছো যে অসম যিহেতু Earthquake Zone হিচাপে খ্যাত এই ক্ষেত্ৰত চৰকাৰে কেনেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে, আমি মাজতে শুনিবলৈ পাইছিলো যে নিৰ্দ্দেশনা দিয়া হৈছে যে য'ত য'ত পুৰণা Building সমূহ আছে, সেই সমূহ Check কৰিব লাগে আৰু তাৰ কাৰণে PWD ৰ অভিযন্তাৰ লগত যোগাযোগ কৰিব লাগে বা তেওঁলোকক মাতি নিব লাগে, এই কথাবোৰ অলপ আছিল। এই ক্ষেত্ৰত চৰকাৰে বৰ্তমানে কেনেকু ৰা ব্যৱস্থা লৈছে? ভৰিষ্যতে যদি ভূমিকম্প ডাঙৰকৈ আহে, সেই ভূমিকম্পত হয়তো বহুত মানুহৰ হয়তো মৃত্যু হ'ব পাৰে। ইয়াৰ সম্ভৱনাক লক্ষ্য ৰাখি চৰকাৰে আগতীয়াকৈ কি ব্যৱস্থা গ্ৰহণ কৰিছে ভূমিকম্পৰ ক্ষেত্ৰত ? এই ক্ষেত্ৰত আমি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিব বিচাৰিছো আৰু সময় থাকোতে চৰকাৰে এই ক্ষেত্ৰতএটা বিহীত ব্যৱস্থা লৈ আমাৰ অসমৰ যি পুৰণা Building সমূহ আছে সেই সমূহক জৰিপ কৰাই হওক আৰু নতুনকৈ যি সমূহ নিৰ্মাণ কৰিবলৈ লৈছে তেওঁলোকক কেনেকুৰাকৈ ভাল ধৰণে নিৰ্মাণ কৰি যাতে ভৰিষ্যতে প্ৰাকৃতিক দূৰ্য্যোগ বিশেষকৈ ভূমিকম্পৰ কৱলত নপৰে আৰু আমাৰ ক্ষতি নহয় এই ক্ষেত্ৰত পদক্ষেপ ল'বলৈ আমি অনুৰোধ জনাইছো। আমাৰ প্ৰাকৃতিক দূৰ্য্যোগ এই শিতানটোৰ আমি কৰ্তন প্ৰস্তাৱ অনাৰ আমাৰ উদ্দেশ্য, আমি চৰকাৰৰ তৰফৰ পৰা স্পষ্টকৈ জানিব বিচাৰিছো যে প্ৰাকৃতিক দূৰ্য্যোগ শিতানত বিগত সময়ত আমি যিবোৰ টকা দিছিলো বা টকা আমাৰ পৰা লৈছিল সদনৰ পৰা অনুমতি লৈ, সেই ক্ষেত্ৰত কেনে ধৰণে কৰিলে আৰু বৰ্তমানে ভৰিষ্যতে কি কাৰ্যপন্থা ল'ব বিচাৰিছে আৰু বিশেষকৈ চাহ বাগিছাৰ শ্ৰমিকৰ ক্ষেত্ৰত যদি শিলাবৰ্ষণে হয়, যদি জুই লাগে তেনেকুৰা ক্ষতি পূৰণ চক্ৰবিষয়া বা ADC revenue জিলা সমূহৰ পৰা আমাক কোৱা হয় যে revenue land ত নপৰে কাৰণে তেওঁলোকক আমি ক্ষতি পূৰণ দিব নোৱাৰো। আমি সকলোৱে জানো চাহ বাগিছাৰ বৰ্তমান পৰিস্থিতি কি ? যিটো পৰিস্থিতি তেনেস্থলত মালিক কলে কয় আমি দৰমহা সময়মতে দিব পৰা নাই, ফেক্টৰি ভাল ধৰণে চলাব পৰা নাই, এই সময়ত আমি গৃহ ক'ৰ পৰা বনাই দিম? এতিয়া মাননীয় উপাধ্যক্ষ মহোদয়, আমাৰ সমষ্টিতে এতিয়া বহু পৰিয়ালে ট্ৰিপালৰ তলত থাকিব লগীয়া হৈছে। আমি আশা ৰাখিছো তেওঁলোকৰ কথা চিন্তা কৰি চৰকাৰে ইতিমধ্যে গাওঁ বুঢ়াসমূহৰে জৰিপ কৰি এটা তালিকা দিয়া আছে সেই সমূ হ লোকক যিয়ে আৱেদন কৰিছিল বা তেওঁলোকৰ জৰিপ কৰি তেনেকুৰা নামৰ তালিকা আছে। তেওঁলোকক অতিশীঘ্ৰে টকা মুকলি কৰি দি তেওঁলোকক এটা সন্মান জনাব লাগে আৰু ট্ৰীপালৰ ঘৰৰ পৰা তেওঁলোকে টিনৰ ঘৰত থাকিব পাৰে যেন আত্মসন্মানৰে, তাৰ এটা পদক্ষেপ গ্ৰহণ কৰিব লাগে। এই দুই এটা বিষয় আমি Cut Motionৰ যোগেদি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি মোৰ বক্তব্য সামৰিছো, ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মহেশ্বৰ বড়ো।

**শ্ৰী মহেশ্বৰ বড়ো ঃ** উপাধ্যক্ষ মহোদয়, ২০১৯-২০ বৰ্ষৰ টকা মঞ্জুৰীৰ কাৰণে যি প্ৰাকৃতিক দূৰ্য্যোগ বিভাগত মঞ্জুৰীৰ টকাখিনি কৰ্তন কৰিবৰ কাৰণে যি কৰ্তন প্ৰস্তাৱ বিৰোধীয়ে আনিছে তাক সম্পূৰ্ণ মই বিৰোধীতা কৰি দুযাৰমান বক্তব্য দাঙি ধৰিব বিচাৰিছো। সকলোৱে জ্ঞাত যে অসমত বিভিন্ন সময়ত প্ৰাকৃতিক দূৰ্য্যোগ আমি মুখামুখি হ'বলগীয়া হয় তাৰে সকলৰে অভিজ্ঞতা এটা আছে, নিশ্চয় কোন মুহূৰ্তত কি ধৰণৰ প্ৰাকৃতিক আহি পৰিব এইটো আমি সকলোৱে কৈ দিয়াতো সম্ভৱ নহয়। গতিকে যোৱা দিনবিলাকত আমি যিবিলাক দূৰ্য্যোগ দেখিবলৈ পাইছো তাৰ অভিজ্ঞতাৰে নিশ্চয় আমাৰ চৰকাৰখনে কাম কৰিব লাগিব। তাৰ কাৰণে এই দূৰ্য্যোগ ব্যৱস্থা শিতানত যিখিনি টকা

আৱন্টন দিয়াৰ কাৰণে, দাবী মঞ্জুৰীৰৰ কাৰণে যি প্ৰস্তাৱ দিয়া হৈছে বিভাগৰ পৰা এইটো সম্পূৰ্ণ গ্ৰহণ যোগ্য। মই ভাৱো নিশ্চয় যিমানখিনি টকা মঞ্জুৰী দিয়াৰ কাৰণে ব্যৱস্থা কৰিছে তাৰবাবে আৰু বেছিহে প্ৰয়োজন বুলিহে মই ভাৱো। অসম মূখ্যত বান পীড়িত ৰাজ্য, বহুতো নদী-উপনদী আমাৰ অসমত দক্ষিণ ফালৰ, উত্তৰ ফালৰ পৰা বৈ আহিছে আৰু এই বিলাকৰ কাৰণে আমি যথেষ্টখিনি আমি দূৰ্য্যোগ বিশেষকৈ বানপানীত দেখিবলৈ পাওঁ। বানপানী প্ৰতিৰোধ কৰিবৰ কাৰণে চৰকাৰে যথেষ্টখিনি প্ৰদক্ষেপ লৈছে। কিন্তু যিখিনি পদক্ষেপৰে আমাৰ নদী বিলাকৰ বিশাল বিশাল মঠাউৰী নিৰ্মাণ কৰাৰ ব্যৱস্থা এই নিৰ্মাণ কাৰ্যত কিছু বিজুতী দেখিবলৈ পাওঁ। এই দিশটো আমি ভালকৈ লক্ষ্য ৰাখিব লাগিব যাতে এটা Permanent Solution আমি কৰিব পৰা যায়। যি মাটিৰে নিৰ্মাণ কৰিব লাগে, নদীত বৈ অহা বালি জমা হৈ থকা, এইবোৰ বালিকে উঠাই দি যি মঠাউৰী নিৰ্মাণ কৰা হয়, কিন্তু বাৰিষা অহাৰ লগে লগে যেতিয়া পানী বেছি আহে, বৰষুণ আহে তেতিয়া নিজে নিজে সহি যায়। আকৌ ভাঙি চুৰমাৰ কৰি বানপানীৰ যি তাণ্ডৱ সেইটো আকৌ পুনৰবাৰ আমি দেখিবলৈ পাই আহিছো। গতিকে এই ক্ষেত্ৰত যিবোৰ টান মাটি, সেইবোৰ দি মঠাউৰীবিলাকক যদি নিৰ্মাণ কৰাৰ ব্যৱস্থা কৰা যায় আৰু যি সকল ঠিকাদাৰে কাম কৰে তেখেত সকলক যদি কঠোৰ ভাৱে নিৰ্দ্দেশনা দিয়া যায় মই ভাৱো নিশ্চয় এই বানপানীৰ পৰা যি এটা দূৰ্য্যোগ আমাৰ অসমত, আমাৰ মাজত আহি পৰে সেইটো আমি প্ৰতিৰোধ কৰাত যথেষ্টখিনি সফল হ'ব বুলি মই ভাৱো। গতিকে চৰকাৰে এই দিশত যথেষ্টখিনি ব্যৱস্থা লোৱাৰ প্ৰয়োজন, আমাৰ বিভাগৰ বিষয়া সকলেও যিসকল ঠিকাদাৰে কাম কৰিব, Allotment পাব তেখেত সকলক কঠোৰ নিৰ্দ্দেশনাৰে যাতে বালী মাটিৰে তেওঁলোকে মঠাউৰীবোৰ নিৰ্মাণ নকৰে এই দিশটো আমাৰ চোৱাৰ অত্যান্ত প্ৰয়োজন আছে। বানপানীৰ বাহিৰেও অন্যান্য দূৰ্য্যোগ আহি পৰে মুখ্যত ভূমিকম্প আৰু ভূমিকম্পৰ তেনেকুৱা তাণ্ডৱ লীলা আমাৰ এই সময়চোৱাত মোৰ ৫০ বছৰ বয়স হ'ল, মোৰ দৃষ্টিগোচৰ হোৱা নাই, কিন্তু সময়ে সময়ে এটা অনুভৱ হয় নিশ্চয় কেতিয়াবা হয়তো বেছি ভূমিকম্পৰ নুই কৰিব নোৱাৰি। আমাৰ এইখন প্ৰদেশটো ভূমিকম্প যে নহ'ব সেইটো নুই কৰিব নোৱাৰে। গতিকে সেই ক্ষেত্ৰ আমি নিশ্চয় চৰকাৰী ভাৱে দূৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ পৰা যিখিনি ব্যৱস্থা ল'ব লাগে সেইখিনি লোৱা আমি পৰিলক্ষিত হওঁ আৰু সদায়ে সাজু হৈ থকাতো আমি দেখিবলৈ পাইছো চৰকাৰৰ বিভাগৰ তৰফৰ পৰা। নিশ্চয় মই ভাৱো এই ক্ষেত্ৰত যাতে কেতিয়াবা হ'ব নলগা এই পৰিৱেশটো যদি আমাৰ আহি পৰে নিশ্চয় তাৰ কাৰণে সাজু চৰকাৰ। সেইটোৰ কাৰণে নিশ্চয় মই ভাৱো এই ক্ষেত্ৰত প্ৰতিৰোধ কৰিবৰ কাৰণে যথেষ্টখিনি পদক্ষেপ লোৱাৰ প্ৰয়োজন আছে। যেনেকৈ ধুমুহাৰ দূৰ্য্যোগ আহি পৰে, বানপানীৰ ক্ষেত্ৰতে হওক, ধুমুহাৰ ক্ষেত্ৰতে হওঁক, শিলাবৃষ্টিৰ ক্ষেত্ৰতে হওক যথেষ্টখিনি দূৰ্য্যোগ আমি দেখিবলৈ পাই আছো। তৎক্ষনাত ব্যৱস্থা লোৱাৰ কাৰণে যথেষ্টখিনি তৃণমূল পৰ্য্যায়ত কব লগীয়া আমাৰ চৰকাৰী বিষয়াকে আদি কৰি গাওঁবুঢ়া লাত মণ্ডল এই বিলাকৰ যথেষ্ঠখিনি কৰিবলগীয়া কাম থাকে। এই ক্ষেত্ৰত আমি দেখা পাইছো এতিয়া বহুটো গাওঁ বিলাকত এতিয়া গাওঁবুঢ়া বিলাকক নিযুক্তি হোৱা নাই। কৰোৱাত কৰোৱাত গাওঁ সভাৰ ব্যৱস্থাই নাই। এই ক্ষেত্ৰত চৰকাৰে গাওঁবুঢ়া বিলাকত নিযুক্তি দি যাতে ভৱিষ্যত হব পৰা এইবোৰ দুৰ্যোগৰ পৰা আমি যিখিনি কৰিবলগীয়া কাম থাকে, সেইখিনি কৰাৰ কাৰণে যাতে চৰকাৰে ব্যৱস্থা লয়। তাৰ প্ৰতি মই অনুৰোধ ৰাখিছো, আৰু মণ্ডলৰ ক্ষেত্ৰতো যথেষ্টখিনি চাৰ্কোল অফিচাৰ বিলাকক খালী হৈ আছে খালী পদ বিলাক যাতে ফিলাপ কৰি যাতে যথেষ্টখিনি ভূমিকা থাকে আমাৰ মণ্ডল বিলাকৰ আমাৰ ৰাজহ বিভাগে Survey কৰায় Details ধুমুহাতে হওঁক, বানপানীতে হওঁক শিলা বৃষ্টিতে হওঁক, ভূমি কম্পতে হওঁক তেনেকুৱা ক্ষেত্ৰত মুখ্যভূমিকা

লবলগীয়া হয় আমাৰ মণ্ডল সকলে Survey কৰায় তাত report দিয়াই কিছু ৰাইজক আৰ্থিক ভাৱে সকাহ দিবৰ কাৰণে সহায় কৰিবৰ কাৰণে যত্ন কৰিবলগীয়া কামখিনিৰ দায়িত্ব আমাৰ গাওঁবুঢ়া হওঁক, মণ্ডল সকলৰ দ্বাৰাই কৰা যায়। গতিকে এই ক্ষেত্ৰত চাৰ্কোল অফিচ বিলাকত আমি মণ্ডলৰ খালী পদ দেখিবলৈ পাইছো। এই বিলাকক ফিলাপ কৰি সম্পূৰ্ণৰূপে এই ক্ষেত্ৰত তৎক্ষণাত ব্যৱস্থা লব পৰা আমি এটা প্ৰস্তুতি হয় থাকিব পাৰে তাৰ প্ৰতি মই আপোনাৰ যোগেদি চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰি আছো। নিশ্চিত ভাৱে আমি ভাৱো এই দুৰ্যোগ প্ৰাকৃতিক দুৰ্যোগ এই বিভাগত যথেষ্ট সক্ৰিয়তা আছে আৰু যিকোনো মুহুৰ্ততে আমি দেখিবলৈ পাইছো আৰু চৰকাৰৰ তৰফৰ পৰা যি সহায়-সহযোগৰ ব্যৱস্থা সেইখিনি পায় আছে গতিকে নিশ্চয় এই ক্ষেত্ৰত যথেষ্ঠখিনি আৰু টকাৰ আৱশ্যক আছে, এইটো মই অনুভৱ কৰিছো আৰু সম্পূৰ্ণভাৱে এইখিনি ব্যক্তৱৰ মাধ্যমেৰে আজি বিৰোধী সকলে যি কৰ্তন প্ৰস্তাৱ আনিছে তাক সম্পূৰ্ণ বিৰোধীতা কৰি দুষাৰ ব্যক্তৱ মই সাঁমৰিছো।

**শ্ৰী উপাধ্যক্ষ মহোদয়** ঃ ধন্যবাদ। এতিয়া মাননীয় সদস্য শ্ৰী আমিনুল হ'ক লস্কৰ।

**শ্ৰী আমিনুল হ'ক লস্কৰ (মাননীয় সদস্য)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, বিৰোধী পক্ষই এটা কৰ্তন প্ৰস্তাৱ আনিছে, এই কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি দুই এটা কথা কোৱাৰ সুযোগ দিয়াৰ বাবে উপাধ্যক্ষ মহোদয় আপোনাক মই ধন্যবাদ দিছো। প্ৰাকৃতিক দুৰ্যোগ কেতিয়া আহে, কিমান ধৰণৰ প্ৰাকৃতিক দুৰ্যোগ আহে আমি বৰাক উপত্যকাৰ বিধায়ক আৰু আপুনিও বৰাক উপত্যাকাৰ বিধায়ক মহোদয়। আমি যোৱা ২০১৮ ত আমাৰ বৰাক উপত্যকাৰ প্ৰাকৃতিক দুৰ্যোগ আমি দেখিছো উপাধ্যক্ষ মহোদয়, আপোনাৰ সমষ্টিত মিজোৰামৰ পৰা পানী আহি গোটেই কৰিমগঞ্জ জিলাৰ ওপৰত প্ৰায় ৩/৪ মিটাৰ পানী হৈছিলে। নদীৰ পৰা বালি আহি খেতিৰ মাটি নষ্ট কৰিছিলে। যেতিয়া আমি হাইলাকান্দি জিলাৰ মিজোৰামৰ পৰা মাটি পানী আহি গোটেই হাইলাকান্দি জিলাত প্ৰায় ১০ মিটাৰ পানী ওপৰেদি গৈছিল তাৰ পিছত আমাৰ জলসম্পদ মন্ত্ৰী গৈছিলে আমাৰ মুখ্যমন্ত্ৰীও গৈছিলে, তেতিয়া আমি উপলব্ধি কৰিব লাগিছিল যে প্ৰাকৃতিক দুৰ্যোগৰ কাৰণে আমাৰ টকা-পইচাৰ প্ৰয়োজন হয়। তেতিয়া বৰাক উপত্যকাৰ বিৰোধী বিধায়কে আমাক কৈছিলে যে প্ৰাকৃতিক দুৰ্যোগৰ Fund বেছি লাগে। আজি আমাৰ কংগ্ৰেছ দলৰ যিখিনি বিধায়ক আছে, উত্তৰ কৰিমগঞ্জৰ কমলাক্ষ্য দে পুৰকায়স্থ তেতিয়া কৈছিলে যে আমাৰ প্ৰাকৃতিক দুৰ্যোগৰ Fund বেছি লাগে। আমি কংগ্ৰেছ দলে এই Fund ৰ বিৰুদ্ধে কৰ্তন প্ৰস্তাৱ আনিছে। আজি যদি প্ৰাকৃতিক দুৰ্যোগৰ যিটো মঞ্জুৰি অনা হৈছে, চৰকাৰৰ পক্ষত এইটো যদি আৰু পৰ্য্যাপ্ত নহয়, তেনেহলে আমাৰ যিটো বৰাক, ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিভিন্ন নদ-নদী যিটো খহনীয়া হৈছে, আমাৰ যি বিলাক মঠাউৰি ভাঙিছে সেইবোৰ আমি কৰপৰা মেৰামতি কৰিব পাৰিম। আজি মোৰ সোনাই সমষ্টিত বৰাক নদী, সোনাই নদী, ৰূপহী নদী, কিছুমান নদ নদীয়ে আমাৰ বহুত খহনীয়া হৈছে। তেতিয়া আমি চৰকাৰক প্ৰস্তাৱ দিছিলো যে আমাৰ সেই বিলাক নদ-নদী যি বিলাক গড়া খহনীয়া হৈছে, এইটো মেৰামতিত কৰাত আমাৰ Fund ৰ প্ৰয়োজন আছে। তেতিয়া আমি কিছুমান SDRF ৰ Fund ত পাইছো তেতিয়া পৰ্য্যাপ্ত নথকাৰ কাৰণে আমাৰ যি বিলাক নদ-নদীৰ গড়া খহনীয়া হৈছে, বান ভাঙিছে এইটো আমি Scheme ত আনিব নোৱাৰিলো আজি আমাৰ যিটো কৰ্তন প্ৰস্তাৱ আমাৰ বিৰোধী দলে আনিছে, এই চৰকাৰ পক্ষৰ পৰা যিটো প্ৰাকৃতিক দুৰ্যোগৰ কাৰণে যিটো ফাণ্ড চোৱা হৈছে। এইটো কিন্তু পৰ্য্যাপ্ত নাই আৰু আনিব লাগে এইটো বিৰোধী দলে আনিছে আমাৰ মনে কয় কৰ্তন প্ৰস্তাৱ আনিব লাগে কাৰণে আনিছে। আমাৰ কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি আজি যিটো আমাৰ চৰকাৰৰ পক্ষ থাকে যিটো আৰ্থিক প্ৰাকৃতিক দুৰ্যোগৰ কাৰণে যিটো চোৱা হৈছে। এইটো আৰু বঢ়াব লাগে, আৰু এইটো যথেষ্ট

নাই, এইটো কয় মই মোৰ বক্তব্যৰ সাঁমৰণি মাৰিলো।

**মাননীয় অধ্যক্ষ** ঃ ধন্যবাদ এতিয়া মাননীয় সদস্য শ্ৰী তেৰচ গোৱালা।

**শ্ৰী তেৰচ গোৱালা (মাননীয় সদস্য)** ঃ মাননীয় উপাধ্যক্ষ মহোদয়, প্ৰাকৃতিক দুৰ্যোগ বিভাগত আমাৰ বিৰোধী দলে  যি কৰ্তন প্ৰস্তাৱ আনিছে দাবী মঞ্জুৰীৰ ওপৰত মই এই প্ৰস্তাৱৰ বিৰুদ্ধে দুষাৰমান কব বিচাৰিছো। আমাৰ ওপৰোক্ত বক্তা বিৰোধী দলৰ সদস্যই তেওঁ অনুভৱ কৰিছে, আচলতে প্ৰাকৃতিক দুৰ্যোগ কেতিয়া আহিব কোনোও নাজানে। প্ৰাকৃতিক দুৰ্যোগ যি সকল ব্যক্তি ক্ষতিগ্ৰস্থ হয়, তেওঁলোকক সহায় কৰাটো যিকোনো চৰকাৰৰ এটা জাতীয় দায়িত্ব। এই কাৰণে মই অনুভৱ কৰো এই প্ৰাকৃতিক দুৰ্যোগ সম্পৰ্কে যি দাবী মঞ্জুৰী উত্থাপন হৈছে পইচা যথেষ্ট কম হৈছে কাৰণ আমাৰ উজনি অসমতো মহাবাহু ব্ৰহ্মপুত্ৰৰ দুৰ্যোগতো পৰো। বুঢ়ী দিহিং ৰ কবলতো পৰো, ধুমুহাটো পৰো সেই কাৰণে মই আজি অনুভৱ কৰিছো মই বিধায়ক হোৱাৰ পিছত বিশেষকৈ ২০১৬-১৭ চনৰ পৰা ধুমুহা আহিছিল। এই ধুমুহাৰ পইচা কিন্তু এতিয়ালৈকে আমাৰ বিভাগে সকলোকে দিব পৰা নাই। আৰু এই কথা বিলাক DRSC বৈঠকতো উত্থাপন হৈছে আৰু এই প্ৰাকৃতিক দুৰ্যোগ যি সকল ক্ষতি গ্ৰস্থ ৰাইজৰ তৎক্ষাণিক ভাৱে সহায় কৰিব পৰাকৈ আমাৰ Mechanism বনাব লাগে। এই বিভাগটোত মানুহৰ সংখ্যা যথেষ্ট কম, আৰু এই বিভাগত থকা বিশেষকৈ ৰাজহ বিভাগত থকা ব্যক্তি সকলৰ বা বিষয়া সকলৰ বা মণ্ডলৰ এজনৰ তেওঁৰ নিজস্ব আমি চৰকাৰী ভাৱে যাতায়তৰ ব্যৱস্থা কৰি দিব পৰা নাই। যাৰ কাৰণে সময়মতে তেওঁলোকে যাব নোৱাৰে।

(থুলৰ অভাৰ হোৱাৰ কাৰণে মাননীয় উপাধক্ষ্য মহোদয়ে ৰাতিপূৱা **১১.২১** বজাত এক মিনিট সময় সময়ৰ ঘণ্টা বজায়)

মই এটা বাস্তৱ কথা কৈ আছিলো যে আচলতে, এই বিভাগটোত আৰু অধিক পইচাৰ প্ৰয়োজন আছে। সেইকাৰণে মই ভাৱো প্ৰাকৃতিক দূৰ্য্যোগ কেতিয়া আহে কোনো নাজানে। দূৰ্য্যোগ অহাৰ লগে লগে যাতে আমাৰ বিষয়া - কৰ্মচাৰীসকল দূৰ্ঘটনা থলিত যাব পাৰে তাৰ বাবে যাতায়তৰ কাৰণে আমি প্ৰৰ্য্যাপ্ত পৰিমানে আজিলৈকে গাড়ীৰ যোগান দিব পৰা নাই। বহুতো এনেকুৱা গাওঁ আছে, য'ত এতিয়াও আমি গাঁও বুঢ়া নিযুক্তি দিব পৰা হোৱা নাই। এই কাৰণে এইটো চৰকাৰৰ ওচৰত মোৰ অনুৰোধ থাকিব যে অতি সোনকালে যিবিলাক গাওঁবুঢ়া পদ খালি আছে, আতি সোনকালে নিযুক্তি কৰিব লাগে।

এই প্ৰাকৃতিক দূৰ্য্যোগৰ বিশেষকৈ বতাহ - ধুমুহাৰ ক্ষেত্ৰত যোৱা তিনিটা বছৰত মোৰ যিটো অভিজ্ঞতা বহু সময়ত এনেকুৱা হয়, গাওঁবুঢ়া বিলাকো যথেষ্ট পক্ষপাতিমুলকভাৱে তেওঁলোকে প্ৰতিবেদন দিয়ে। পক্ষপাতিমুলক প্ৰতিবেদন দিয়াৰ কাৰণে বহু ক্ষতিগ্ৰস্ত ৰাইজ তেওঁলোকৰ প্ৰাপ্যৰ পৰা বঞ্চিত হয়। এইখিনিতে আৰু এটা কথা মই চৰকাৰৰ অনুৰোধ জনাব বিচাৰো যে কেন্দ্ৰীয় চৰকাৰৰ যি গাইডলাইন, সেই গাইডলাইনমতে সাধাৰণতে সাহাৰ্য্য বিলাক প্ৰদান কৰো। কিন্তু কেন্দ্ৰীয় চৰকাৰৰ এই গাইডলাইনৰ উপৰিও আমাৰ অসম চৰকাৰে ইয়াৰ ওপৰত কিবা সংশোধন কৰিব পাৰো নেকি? কাৰণ বহু এনেকুৱা দুখীয়া মানুহ আজি কেইবাটাও জেনেৰেচন শেষ হৈ যোৱাৰ পিছত চৰকাৰৰ যি মেৰপেছ তাৰ মাজত তেওঁলোকে সোমাই যাব নোৱাৰে, তাত তেওঁলোকে হস্তক্ষেপ কৰিব নোৱাৰে, যাৰ কাৰণে তেওঁলোকে মাটিৰ পাট্টাটো পোৱা নাই। মাটিৰ পাট্টা নোপোৱাৰ বাবে তেওঁলোকে কৰবা'ত চৰকাৰী ভুমিত বা বিভিন্ন ঠাইত এই দুখীয়া মানুহবিলাকে ঘৰ বনাইছে আৰু তেওঁলোকে generation by generation সেই অঞ্চলত আছে আৰু প্ৰাকৃতিক দূৰ্য্যোগৰ কবলত পৰি তেওঁলোকৰ ঘৰ বিলাক যেতিয়া ভাঙি যায়, তেওঁলোকক কিন্তু আমি নিয়মমতে সাহাৰ্য্য

দিব নোৱাৰো। আমি চাব লাগিব যে এই বিলাক মানুহ প্ৰকৃততে ভাৰতীয় নাগৰিক, তেওঁলোক ভোটাৰ ৰাইজ । গতিকে ভাৰতীয় নাগৰিক আৰু ভোটাৰ ৰাইজ যেতিয়া হয়, তেতিয়া হ'লে আমি ভাৰো যে তেওঁলোকৰ কাৰণে এই আইন বা ব্যৱস্থা সংশোধন কৰাৰ প্ৰয়োজন আছে।

ইয়াৰ উপৰিও আৰু এটা দেখিছো, মই চাগে ভাৰো যে এইটো পুৰণা ব্যৱস্থা যদি ঘৰটো সম্পূৰ্ণৰূপে ধুমুহাত ভাঙি যায, তেতিয়া হ'লে আমি **৯৫** হাজাৰ টকা দিব লাগে আৰু আংশিকভাৱে যদি ঘৰটোৰ টিন পাত আদি ভাঙি যায় তেতিয়া হ'লে **৩২ শ** টকা দিব লাগে। আচলতে **৩২ শ** টকাত আজিৰ তাৰিখত কেই bondle টিন পাম, কেইটা বাহ পাম, এইটো আমাৰ কাৰণে এটা ডাঙৰ প্ৰশ্ন হৈ আছে। এই কাৰণে মই ভাৰো যে এইটো সংশোধন কৰাৰ প্ৰয়োজন আছে। **৩২ শ** টকাত কোনো ক্ষতিগ্ৰস্ত ৰাইজ আজি উপকৃত হ'ব নোৱাৰে। কেন্দ্ৰীয় চৰকাৰৰ যি ব্যৱস্থা আছে, কেন্দ্ৰীয় চৰকাৰৰ মুল আইনৰ ওপৰতো আমি বহু rules বনাব পাৰো। মই এই কাৰণে চৰকাৰক অনুৰোধ জনাম যে এই আইনটো সংশোধন কৰি আমি কিবা rules বনাব পাৰো নেকি? মুল আইনটো বা গাইডলাইনটো যাতে কেন্দ্ৰীয় চৰকাৰে সংশোধন কৰিব পাৰে তাৰ কাৰণে অসম চৰকাৰৰ ফালৰ পৰা কিবা proposal দিব পাৰো নেকি? সেইটো মোৰ এটা অসম চৰকাৰৰ প্ৰতি অনুৰোধ থাকিব।

প্ৰাকৃতিক দুৰ্য্যোগ সম্পৰ্কে আমি কেতিয়াবা পেপাৰত advertisement দেখো, কেতিয়াবা TV অলপ সময়ৰ কাৰণে advertisement দেখো। সাধৰণতে দুখীয়া মানুহৰ লগত ইয়াৰ কোনো সম্পৰ্ক নাই। তেওঁলোকে তাৰ পৰা যে কিবা সাংঘাটিক সজাগ হ'ব, এইটো মোৰ বিশ্বাস নহয়। এই কাৰেণ মই চৰকাৰক অনুৰোধ জনাম যে প্ৰাকৃতিক দুৰ্য্যোগ সম্পৰ্কে আমি লবলগীয়া ব্যৱস্থা আৰু সেই সম্পৰ্কে তেওঁলোকে কেনেকৈ সুৰক্ষিত হব পাৰে, তাৰ কাৰণে অধিক বহল ভাৱে আমি সজাগতাৰ সৃষ্টি কৰিব পাৰো, তাৰ কাৰণে পদক্ষেপ গ্ৰহণ কৰিবলৈ মই চৰকাৰক অনুৰোধ জনাইছো। বহু সময়ত এনেকুৱা হয় যেতিয়া ধুমূহা আহে, তেতিয়া গাঁওবুঢ়াসকলে লগে লগে **১২** বা **২৪** ঘণ্টাৰ পিছত চাৰ্কোল অফিচত ৰিৰ্পোট কৰিব লাগে যে অমুক অমুক গাঁৱত ধুমুহাত ক্ষতিগ্ৰস্ত হৈছে। তাৰ পিছত তেওঁলোকে এটা survey কৰিব লাগে আৰু survey কৰি নাম বিলাক দিব লাগে। এই নাম বিলাক দিওঁতে কেতিয়াবা অলপ দলীয় ৰাজনীতিৰ বসবৰ্ত্তী হয়, যাৰ কাৰণে মোৰ বিধান সভা সমষ্টিত আমাৰ মাননীয় সাংসদৰ যিটো পঞ্চায়ত, গাওঁ, তাৰে গাওঁবুঢ়া এগৰাকীয়ে আজিৰ তাৰিখত সেইকাৰণে suspend হব লগীয়া হৈছে। গাওঁবুঢ়া গৰাকীৰ নিজৰ ঘৰটো RCC, তেওঁৰ অঙহী বঙহীৰ RCC পকা ঘৰ আছে, ধুমুহাত কোনোধৰণৰ ক্ষতি নোহোৱাকৈ, তেওঁলোকক সাহাৰ্য্য দিবলৈ সমৰ্থ হ'ল **৯৫** হাজাৰ টকাকৈ। কিন্তু সেই গাঁৱৰ, সেই অঞ্চলৰ যিবিলাক প্ৰকৃত দুখীয়া মানুহ আছিল, গাওঁবুঢ়াৰ লগত যাৰ মনোমালিন্য আছিল, সেই মানুহ বিলাকে কিন্তু আজিলৈকে সাহাৰ্য্য নালাপে। গতিকে মই ভাৰো আমি চৰকাৰে যিমানে সুবিধা নিদিওঁ যেতিয়ালৈকে grass root লৈকে আমাৰ mechanism টো যদি শক্তিশালী নহয়, আমাৰ কাম কৰাৰ পদ্ধতিৰ যদি শক্তিশালী নহয়, তেতিয়াহ'লে নিশ্চয় আমি ভাৰো যে দুখীয়া মানুহক দুৰ্য্যোগৰ সময়ত আমি সহায় কৰিব নোৱাৰো।

বানপানীৰ সময়ত, মই লাহোৰা সমষ্টিত অলপ দিন যেতিয়া আছিলো তাত দেখিছিলো যে ৰহমুৰীয়া নামৰ এটা ঠাই আছে। তাত ব্ৰহ্মপুত্ৰৰ গড়াখহনীয়া বুলি কলে সকলোৱে জানে, এই ৰহমুৰীয়া গড়াখহনীয়াৰ তেওঁলোকে relife camp বনাইছিল, যেতিয়া বানপানী আহে তেতিয়া সকলো মানুহক সেই camp ত ৰখা হয়। camp ত ৰখাৰ পিছত চৰকাৰে যিখিনি সহায় কৰিব

লাগে, চৰকাৰে কৰে। এইধৰণে আমি relife camp বিলাক বনাব পাৰো নেকি? এই relife camp বিলাকৰ জৰিয়তে আমি সেই দুখীয়া ৰাইজক সহায় কৰিব পাৰো। চৰকাৰৰ আৰু এটা ব্যৱস্থা আছে যেতিয়া বানপানী হয় বহু এনেকুৱা গাঁৱৰ মানুহ তেওঁলোকৰ ঘৰত থকা গৰু -ছাগলী আদি পশুধনক এৰি আহিব নোখোজে, যাৰ কাৰণে তেওঁ ঘৰত থাকি যাব বিচাৰে। এই মানুহজনক relife camp ত নহাৰ কাৰণেও, তেখেতক বা তেখেতৰ পৰিয়ালক আমি ৰেচন বা অন্যান্য সাহাৰ্য দিব নোৱাৰো। গতিকে মই ভাৱো এহটো আমি এটা special consideration কৰিব লাগে যে প্ৰকৃততে গাওঁবুঢ়া গৰাকীয়ে সকলো কথা জানে, তেওঁ এখন গাওঁ ঘুৰি প্ৰকৃত তথ্য দিব পাৰে আৰু লগতে বিভিন্ন স্বেচ্ছাসেৰী organizations বিলাক আছে, এই স্বেচ্ছাসেৰী organizations বিলাকৰ সহায়ৰেওঁ এই বিলাক কাম কৰিব পাৰো। আৰু প্ৰাকৃতিক দুৰ্য্যোগৰ পৰা উদ্ধাৰ কৰিবলৈও কেৱল মাত্ৰ বিভাগৰ কেইজনমান বিষয়া - কৰ্মচাৰীয়ে যে সমৰ্থক হ'ব এইটো কেতিয়াও সম্ভৱ নহয়। আমি এইক্ষেত্ৰত সকলোৱে ইয়াত জৰিত হ'ব লাগিব। আৰু সকলোৱে যে জৰিত হোৱাৰ প্ৰয়োজন আছে, এই সম্পৰ্কে আমি সকলোৰে লগত কথা পাতিব লাগিব, বিভিন্ন স্বেচ্ছাসেৰী organizations বিলাককো জৰিত কৰাৰ এটা ব্যৱস্থা গ্ৰহণ কৰিব লাগে। গড়াখহনীয়াৰ সময়ত আমি দেখিছো যে ঘৰটো যেতিয়া নদীৰ বুকুত জাহ যায়, জাহ যোৱাৰ পিছত আমাৰ বিভাগে তেওঁক landless হ'ল বুলি এটা প্ৰমান পত্ৰ দিব নোৱাৰে। তেওঁলোকৰ কিছুমান কাৰিকৰী কাৰণ আছে, তাৰ কাৰণে দিব নোৱাৰে। কিন্তু এইটো মোৰ অনুৰোধ থাকিব যে তেওঁলোকৰ অন্তত এই land holding বা তেওঁলোক যে ক্ষতিগ্ৰস্ত affected family তেওঁলোকৰ যে এই অঞ্চল মাটি আছিল বা এই অঞ্চল যে মানুহজন আছিল, তাৰ কাৰণে যাতে এটা প্ৰমান পত্ৰ দিব পাৰো, যাৰ কাৰণে আজিৰ তাৰিখত বহুতো সমস্যাৰ সন্মুখীন হৈছো। কাৰোবাক আজি যদি PMGSY ঘৰ দিব বিচাৰো, তেওঁক ভুমিহীন দেখুৱাছে বা মাটি নাই। যাৰ কাৰণে তেওঁ চৰকাৰী মাটি বহি আছে, তেওঁক আমি মাটি দিব নোৱাৰো। এই কথাখিনি মই ভাৱো যে বিভাগে নিশ্চয় গুৰুত্বসহকাৰে লব। আৰু অসম চৰকাৰক ধন্যবাদ জনাইছো, বিশেষকৈ ৰাজহ দুৰ্য্যোগক যে আজি তেওঁলোকে যি দাবী মঞ্জুৰী উত্থাপন কৰিছে তাৰ কাৰণে ধন্যবাদ জনাইছো। কিন্তু অনুৰোধ থাকিব অনাগত দিনলৈ এই দাবী মঞ্জুৰী যাতে অধিক হয় তাৰ কাৰণে মই এটা অনুৰোধ জনাই এই দাবী মঞ্জুৰী সমৰ্থনত মোক কবলৈ দিয়াৰ উপাধক্ষ্য মহোদয়ক ধন্যবাদ জনাই মোৰ কবলগীয়া খিনি কলো। ধন্যবাদ।

**(Hon'ble Deputy Speaker on the chair)**

**মাননীয় উপাধ্যক্ষ ঃ** এতিয়া শ্ৰী ভবেন্দ্ৰ নাথ ভড়ালী।

**শ্ৰী ভবেন্দ্ৰ নাথ ভড়ালী ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি মাননীয় মন্ত্ৰী মহোদয়ে প্ৰাকৃতিক দুৰ্য্যোগ শিতানত ১২০ মঞ্জুৰীত যি ধনৰ আবণ্টন বিচাৰিছে, এই সমুদায় ধনৰাশি ১ টকালৈ হ্ৰাস কৰা হওঁক, এইয়ে মোৰ কাটমোশ্যনৰ সমৰ্থনত ক'ব বিচাৰো। প্ৰাকৃতিক দুৰ্য্যোগ কোন সময়ত কেতিয়া আহিব, কি হ'ব মানুহে নাজানে। কিন্তু প্ৰাকৃতিক দুৰ্য্যোগ হ'ব পৰা সম্ভাৱনীয়তাক লক্ষ্য কৰি প্ৰশাসনে এই সম্পৰ্কত আগতীয়াকৈ যথোচিত ব্যৱস্থা ল'ব লাগে। কিন্তু দেখা যায় বৰষুণ গ'লে জাপি লোৱাৰ দৰে বানপানী অহাৰ পিছতহে ব্যৱস্থা লোৱা হয়। সাধাৰণতেআহাৰ, শাওন মাহৰ পৰা বানপানীৰ সম্ভাৱনীয়তা থাকে। কিন্তু তাৰ এসপ্তাহ বা পোন্ধৰ দিনৰ আগত বানপানী সম্পৰ্কত সভা দি খুব ততাতৈয়াকৈ কাম বিলাক আগবঢ়োৱা হয়। তাৰ ফলত সৰ্ব্ব সাধাৰণ ৰাইজৰ অ-বৰ্ণণীয় দুখ-দুৰ্দশা হয়। সেই কাৰণেই আমি ভাৱো, ব্যক্তিগত ভাৱে মইও ভাৱো সেই সম্পৰ্কত বিত্তীয় বছৰ

আৰম্ভ হোৱাৰ আগে আগেয়েই জিলা পৰ্য্যায়ত, মহকুমা পৰ্য্যায়ত আলোচনা বিলোচনা কৰি কৰ্মপন্থা নিৰ্ধাৰণ কৰিব লাগে। বিশেষকৈ বানপানীৰ ক্ষেত্ৰত। বানপানী অসমৰ এটা নিত্য-নৈমিত্যিক ঘটনা। আহাৰ-শাওঁন মাহ আহিলেই বানপানীৰ ভয়াবহ দৃশ্য আহিব। এই দিশলৈ লক্ষ্য ৰাখি জিলা পৰ্য্যায়ত বা মহকুমা পৰ্য্যায়ত জিলাধিপতি বা মহকুমাধিপতি সকলে এই সম্পৰ্কত ডি ডি এম এ সভা অনুষ্ঠিত কৰি আগতীয়াকৈ ব্যৱস্থা ল'ব লাগে। যি কেইটা এলেকা বেছিকৈ এফেকটেড হ'ব তাত কি কি ব্যৱস্থা ল'ব এই গোটেইখিনি আলোচনা কৰিব লাগে। এতিয়া ফেব্ৰুৱাৰী মাহ। এনেকুৱা দিনতেই যদি ডি ডি এম এ সভা অনুষ্ঠিত কৰি বানপানী সম্পৰ্কীয় প্ৰতিৰোধ ব্যৱস্থাৰ সিদ্ধান্ত লয় তেতিয়া এপ্ৰিল বা মে' মাহত হ'ব লগা বানপানীৰ বাবে আমি কিছু সচেষ্ট হ'ব পাৰিম। কিন্তু এইক্ষেত্ৰত বৰ্তমানলৈকে দেখিছো কাৰ্য্যকৰী ব্যৱস্থা লোৱা নাই। গতিকে আমি চৰকাৰক অনুৰোধ জনাইছো যাতে এই সম্পৰ্কত আগতীয়াকৈ এই ব্যৱস্থা সমূহ ল'ব লাগে। দ্বিতীয় কথা হ'ল আজি ২০১৬ চনৰ পৰা এতিয়ালৈকে বানপানীত যিসকল লোক ক্ষতিগ্ৰস্ত হ'ল সেই ক্ষতিগ্ৰস্ত লোকসকলক ক্ষতিপুৰণ দিয়াৰ যিটো ব্যৱস্থা আছে সেই ব্যৱস্থাৰ অধীনত এই ক্ষতিগ্ৰস্ত লোক সকলে ব্যক্তিগত ভাৱে তেওঁলোকৰ ঘৰ ভগা বা খহনীয়াত আক্ৰান্ত হোৱা লোক সকলক এতিয়ালৈকে সেই এফ ডি আৰ ফাণ্ডৰ ধন তেওঁলোকে পোৱা নাই। ২০১৬ চনত মোৰ সমষ্টিত ভোগদৈত মথাউৰি ভাঙি প্ৰায় ১১ টা পঞ্চায়ত বানপানীৰ কৱলত পৰি হাবু-ডাবু খালে। মথাউৰি ভাঙিল। সৌভাগ্যক্ৰমে মথাউৰিটো পুনৰ নিৰ্মাণ হ'ল। কিন্তু যিখিনি মানুহ আমি ৰিলিফ কেম্পত ৰাখিছিলো বা ঘৰ বাৰী ভাঙিছিল, খেতি পথাৰ নষ্ট হৈছিল তেওঁলোকে কিন্তু এতিয়ালৈকে কোনো ধৰণৰ ক্ষতিপুৰণ পোৱা নাই। এইক্ষেত্ৰত বিভাগীয় বিষয়া, জিলাধিপতি সকলৰ লগত আলোচনা কৰিছো। তেওঁলোকে এটা কথাই কয় যে আহিব। এই ক্ষতিপুৰণ সমূহ যিমান পাৰি সোনকালে দিয়াৰ ব্যৱস্থা কৰিব লাগে। এতিয়ালৈকে কিন্তু যোৰহাট জিলাত ভোগদৈৰ মথাউৰিত বানপানীত ২০১৬ চনৰ মে মাহত আক্ৰান্ত হোৱা লোক সকলে কিন্তু এতিয়ালৈকে পোৱা নাই। ঠিক একেদৰে কৃষি, গড়কাপ্তানী বিভাগ সমূহে যিধৰণৰ কাৰ্য্যব্যৱস্থা ল'ব লাগিছিল এতিয়ালৈকে কিন্তু লোৱা নাই। গড়কাপ্তানী বিভাগৰ প্ৰায় ১৪ টা পথৰ সেই সময়ত বানপানীত অৱস্থা নাইকিয়া হৈ গৈছিল আৰু বৰ্তমানো সেয়া বেয়া হৈ আছে আৰু আমি ততাতৈয়াকৈ সেই সময়ত মৌখিক ভাৱে গড়কাপ্তানী বিভাগ বা উপায়ুক্তৰ জৰিয়তে কিছু ৰাস্তা মেৰামতি কৰি দিবলৈ অনুৰোধ জনাইছিলো যাতে মানুহখিনি অহা-যোৱা কৰিব পাৰে। পকা ৰাস্তাৰ ওপৰেৰে যেতিয়া আমি নাওঁ চলাই গৈছিলো গতিকে সেই ৰাস্তাবোৰৰ অৱস্থা কেনেকুৱা হ'ব পাৰে আৰু সেই মেৰামতিৰ ধন সমূহ গড়কাপ্তানী বিভাগে এতিয়াও পোৱা নাই যাৰ ফলত যিসকল লোকে সেই ৰাস্তা সমূহ মেৰামতি কৰিছিল তেওঁলোকে এতিয়া বিধায়ক হিচাবে আমাৰ ওচৰলৈ আহি আপত্তি কৰে যে আপোনাৰ কথা মতে আমি কামখিনি কৰিলো কিন্তু তাৰ পাবলগীয়া ধন এতিয়াও পোৱা নাই। এনেকুৱা ধৰণৰ কথাবিলাক ইয়াৰ লগত জড়িত হৈ আছে। দ্বিতীয়তে, বানপানীৰ লগতে কৃষিৰ ক্ষেত্ৰত এনেকুৱা হয় যে কিছুমান পোক যেনে চৰহা পোক ইত্যাদি বিভিন্ন ধৰণৰ পোকে খেতি নষ্ট কৰে। তেতিয়া কৃষক সকলৰ অৱস্থা যথেষ্ট বেয়া হয়। আঘোণ মহীয়া ধান কাটি আনিব বিচাৰে কিন্তু পায় কেইটামান ডাঙৰী। কিন্তু তেতিয়া তেওঁলোকক ক্ষতিপুৰণ দিয়াৰ ব্যৱস্থা থাকে যদিও যোৱাবছৰ যিটো পোকৰ আক্ৰমণ হৈছিল সেই খেতিয়ক সকল এই মূহুৰ্ত্তলৈকে ক্ষতিপুৰণ পোৱা নাই ফলত তেওঁলোকে নিজৰ বাৰীৰ মাটি বন্ধকত থৈ জীৱন নিৰ্ব্বাহ কৰিব লগীয়া হৈছে। গতিকে কৃষিৰ ক্ষেত্ৰত বিভিন্ন বিভাগ সমূহে বানপানী বা অন্যান্য দূৰ্য্যোগৰ সময়ত এই ব্যৱস্থা সমূহ ল'ব লাগে। বিশেষ ভাৱে এইবাৰ আমি গম পাইছো যোৱাবাৰ প্ৰাকৃতিক দূৰ্য্যোগৰ

সময়ত যিখিনি ধনৰ আবণ্টন হ'ল তাৰ কিন্তু এতিয়ালৈকে administrative approval পোৱা নাই। প্ৰায় ৯ শ কোটি মান চেংচন হোৱা বুলি শুনিছো (মই সঠিক কৈ নাজানো) কিন্তু তাৰে প্ৰায় ২ শ কোটি মানহে খৰছ হৈছে। বানপানী বা প্ৰাকৃতিক দূৰ্য্যোগৰ সময়ত মানুহৰ অৱস্থা অবৰ্ণণীয় হয় গতিকে লগে লগে যাতে এওঁলোকক ক্ষতিপুৰণ দিব পৰা যায় তাৰবাবে তাৎক্ষনিক ভাৱে ব্যৱস্থা ল'বৰ বাবে মই অনুৰোধ জনাইছো। মই আশা ৰাখিছো এই অৱস্থাটোৰ অৱসান ঘটাবলৈ হ'লে আগত যিধৰণে দুই-তিনিবছৰৰ মূৰত ক্ষতিপুৰণ পায় সেইটো যাতে নহয়, লগে লগে যাতে সেই ব্যৱস্থা সমূহ হয় তাৰ বাবে ক্ষীপ্ৰতাৰে কাম সমূহ আগবঢ়াই নিবৰ কাৰণে চৰকাৰক আমি অনুৰোধ জনাইছো আৰু এটা ডাঙৰ কথা হ'ল বানপানীৰ সময়ত আগতীয়াকৈ আমি যিবোৰ ব্যৱস্থা ল'ব লাগে, ভূমিকম্প বা ধুমুহাৰ সময়ত কি কি ব্যৱস্থা আগতীয়াকৈ ল'ব পাৰো। এতিয়া মই সাধাৰণ উদাহৰণ এটা দিব বিচাৰিছো। বানপানীৰ সময়ত বিশেষভাৱে ব্ৰহ্মপুত্ৰৰ আশে-পাশে থকা সমষ্টি সমূহ বানপানীত আক্ৰান্ত হয় আৰু তাত পঞ্চায়ত আৰু ৰুৰেল ডেভেলপমেণ্টৰ জৰিয়তে ওখ প্লেটফৰ্ম য'ত গৰু-ছাগলী বা মানুহো যাতে কেতিয়াবা ৰ'ব পাৰে তাৰ বাবে খৰালি দিনতেই যাতে ওখ প্লেটফৰ্ম নিৰ্মাণ কৰিব পাৰে তাৰ বাবে পঞ্চায়ত আৰু ৰুৰেল ডেভেলপমেণ্ট বিভাগে এই সম্পৰ্কত আগতীয়াকৈ বিভিন্ন ধৰণৰ আঁচনি যেনে এনৰেগা আঁচনিৰ অধীনত কামবিলাক কৰিব পাৰে। **মাননীয় অধ্যক্ষৰ আসনত সন্মানীয় উপাধ্যক্ষ শ্ৰী কৃপানাথ মাল্লাহ উপবিষ্ট।**

**শ্ৰী ভৱেন্দ্ৰ নাথ ভড়ালী, বিধায়ক (দেৰগাওঁ) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, MGNREGA আঁচনিৰ অধীনত বিভিন্ন ধৰণৰ কামবোৰ কৰিব পাৰি। তাৰ জৰিয়তে সেই বানাক্ৰান্ত লোকসকলে যদি এই কামবোৰ কৰে, তেওঁলোকেও এটা দিন মজুৰী পাব আৰু লগে লগে এটা সম্পত্তিৰো নিৰ্ম্মাণ হ'ব। যিটোৰ জৰিয়তে পৰৱৰ্ত্তী দুৰ্যোগৰ সময়ত গৰু-ছাগলীকে ধৰি মানুহেও তাত ৰক্ষা পাব। এনেধৰণৰ কিছুমান ব্যৱস্থা ল'ব লাগে। লগতে মই আৰু এটা কথা ভাৱো যে আমাৰ জন-জাতীয় লোকসকল যেনেকৈ মিচিং, মিৰি আৰু দেউৰী আদি লোসকলে চাংঘৰত থাকে, ঠিক তেনেকৈ বানাক্ৰান্ত অঞ্চলসমূহত 'প্ৰধান মন্ত্ৰী আৱাস যোজনা'ৰ অধীনত যদি বনোৱা ঘৰসমূহ চাংঘৰৰ নিচিনাকৈ নিৰ্ম্মাণ কৰা হয়, তেনেহ'লে বানপানীৰ পৰা বহুত খিনি ৰক্ষা পাব। মই ইতিমধ্যে মোৰ সমষ্টিত 'প্ৰধান মন্ত্ৰী আৱাস যোজনা'ৰ অধীনত নিৰ্ম্মাণ কৰা ঘৰসমূহৰ ক্ষেত্ৰত আমাৰ Governing Body ৰ সভাত মই এই কথাখিনি উল্লেখ কৰিছো আৰু ঠিক একেধৰণে যোৰহাট জিলাৰ বানাক্ৰান্ত অঞ্চলসমূহত 'প্ৰধান মন্ত্ৰী আৱাস যোজনা'ৰ অধীনত সুন্দৰ সুন্দৰ চাংঘৰ আমি নিৰ্ম্মাণ কৰিছো। যাতে বানপানীয়ে তেওঁলোকক ক্ষতিগ্ৰস্ত কৰিলেওঁ তেওঁলোকৰ সা-সম্পত্তি কিছু পৰিমাণে বচাব পৰা যায়। এই যিসমূহ আগতীয়া ব্যৱস্থা আমি ল'ব পাৰো সেই ব্যৱস্থাসমূহ ল'ব লাগে। মই ভাৱো চৰকাৰে ক্ষীপ্ৰতাৰে এই বৰস্থাসমূহ ল'ব। বিশেষকৈ বিভিন্ন বিভাগ যেনে- মীন বিভাগ, কৃষি বিভাগ, গড়কাপ্তানী বিভাগ সমূহ বানপানী বা অন্য কোনো প্ৰাকৃতিক দুৰ্যোগত বহুখিনি নষ্ট হয়। এই যিবোৰ ক্ষতিপূৰণ দিয়া যাব সেইখিনি বানপানী বা প্ৰাকৃতিক দুৰ্য্যোগ হোৱাৰ ৯০ দিনৰ ভিতৰত ব্যৱস্থা কৰিবৰ বাবে প্ৰশাসনক কৰ্য্যক্ষম কৰি তুলিবৰ বাবে আমি অনুৰোধ জনাইছো। কিছুমান প্ৰাকৃতিক দুৰ্য্যোগ আমি আগতীয়াকৈ গম পাওঁ। যেনেকৈ ফাগুন মাহত ধুমুহা হয় আৰু হ'বই। আজি বাতৰিকাকতত মই দেখিছো যোৱাকালিৰ ধুমুহাত কাকো পথাৰ অঞ্চলত ৰাস্তাত প্ৰায় এক ছেণ্টিমিটাৰমান ডাঠকৈ শিল পৰিছিল। মোৰ ওচৰত ফোন আহিছিল যে ধুমুহাৰ ফলত কৃষিভূমি অঞ্চলত থকা সৰিয়হঁ তথা শাক-পাচলিৰ খেতিৰ বহুতো অনিষ্ট হৈছে। কথাটো হ'ল যে ইয়াত যিখিনি চাৰ্ভে কৰিব লাগে, সেইটো লগে লগে কৰিব লাগে। এই বিষয়ে মাননীয় সদস্য ৰাজদীপ

গোৱালা ডাঙৰীয়াই কৈছে যে এই চাৰ্ভেৰ বিষয়ে য'ত গাওঁবুঢ়া আৰু মণ্ডলসকলে কৰে দেখা যায় যে বিভিন্ন সময়ত তেওঁলোকে তেওঁলোকৰ কিছু ব্যক্তিগত আশা লৈ বৈষম্য কৰা দেখা যায়। সেই বৈষম্যবোৰ আঁতৰ কৰিব লাগিব। এই ক্ষেত্ৰত প্ৰশাসন যথেষ্ট সচেতন হ'ব লাগিব। মোৰ সমষ্টিত মই দেখিছো ঘৰ এটা ভাঙিল। কেৱল টিংকেইখন থাকি গ'ল। তেওঁলোকে প্ৰায় ৯৫ হাজাৰ টকা পালে। কিন্তু এজন মানুহৰ সম্পূৰ্ণ ঘৰ ভাঙি গ'ল। তেওঁ পালে প্ৰায় তিনি হাজাৰ পাঁচশৰ পৰা চাৰি হাজাৰ টকা। এই বৈষম্যসমূহ প্ৰশাসনীয়ভাৱে আঁতৰ কৰিব লাগে আৰ এইক্ষেত্ৰত প্ৰশাসনে কঠোৰভাৱে পদক্ষেপ ল'ব লাগে। তাৰ বাবে মই অনুৰোধ জনাইছো। ভূমিকম্পৰ ক্ষেত্ৰত আগতীয়াকৈ কোনা কথা ক'ব পৰা নাযায়। ভূমিকম্প হোৱাৰ পিছত ব্যৱস্থা ল'ব পৰা যায়। ভূমিকম্প হোৱা আগত আৰু পিছত ল'ব পৰা দুয়োটা ব্যৱস্থাই ইয়াত আছে। আমি গুৱাহাটী মহানগৰীতে দেখিছো। ন মহলীয়া, দহ মহলীয়া ঘৰ দেখা যায়। সেই ক্ষেত্ৰত নিৰ্ম্মাণৰ অনুমতি দিয়াৰ ক্ষেত্ৰত প্ৰশাসনে ভূমিকম্প প্ৰতিৰোধ কৰিব পৰা যিটো ক্ষমতা, যিখিনি লাগে, সেইখিনিৰ অনুমতি নিশ্চিতভাৱে দিব লাগে। সৰু সৰু চহৰসমূহতো অবাধে এনেধৰণৰ বিল্ডিং নাইবা ফ্লেট নিৰ্ম্মাণ কৰা দেখা গৈছে।

বৰ্তমান লৈকে অৱশ্যে তেনেধৰণৰ ডাঙৰ ভূমিকম্প অহা দেখা যোৱা নাই। কিন্তু অসম এখন ভূমিকম্প প্ৰৱল স্থানৰ ভিতৰত আছে। গতিকে এই অৱাধভাৱে যে ঘৰসমূহ হৈছে, তাত যাতে ভূমিকম্প প্ৰতিৰোধৰ ব্যৱস্থা থাকে তাৰ বাবে প্ৰশাসনে আগতীয়াকৈ ব্যৱস্থা ল'ব লাগে। তেতিয়া এই ক্ষেত্ৰত আমাৰ ক্ষয়-ক্ষতি আৰু জনহানি কম হ'ব বুলি ভাৱো। মই এনেধৰণে প্ৰাকৃতিক দুৰ্য্যোগৰ সম্পৰ্কত ক্ষীপ্ৰতাৰে ব্যৱস্থা ল'বৰ বাবে অনুৰোধ জনালো। মই এইখিনি কথাৰে প্ৰাকৃতিক দুৰ্য্যোগৰ শিতানত কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থনত এই বক্তব্যৰে মই সামৰণি মাৰিছো।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মাননীয় সদস্য আমিনুল ইছলাম ডাঙৰীয়াই কওঁক।

**শ্ৰী আমিনুল ইছলাম, বিধায়ক (ধিং) ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, মই কৰ্ত্তন প্ৰস্তাৱৰ সমৰ্থন কৰি মই মোৰ বক্তব্য আগবঢ়াব ওলাইছো। প্ৰাকৃতিক দুৰ্য্যোগৰ শিতানত যি ধন ধাৰ্য্য কৰা হৈছে, আমি দেখিবলৈ পাইছো যে প্ৰাকৃতিক দুৰ্য্যোগৰ লগত মোকাবিলা কৰিব পৰাকৈ আমাৰ চৰকাৰে বিগত দিনবোৰত যি ব্যৱস্থা গ্ৰহণ কৰিছে, সেই ব্যৱস্থা যথেষ্ট নহয়। বিভিন্ন প্ৰাকৃতিক দুৰ্য্যোগত জনহানি তথা ধনহানিৰ কথা অসমত হৈ আছে। মাননীয় উপাধ্যক্ষ মহোদয়, অসমত ১৮৯৭ চন আৰু ১৯৫০ চনত হোৱা ভয়ঙ্কৰ ভূমিকম্প দুটা অতি ঐতিহাসিক। এই দুটা প্ৰলয়ংকাৰী ভূমিকম্পই অসমৰ ভৌগলিক পৰিসীমা আৰু ভৌগালিক অৱয়বৰ যথেষ্ট পৰিৱৰ্ত্তন সাধন কৰিছিল । ১৯৫০ চনৰ ভূমিকম্পই চানডুবি হ্ৰদৰ সৃষ্টি কৰিছিল আৰু ব্ৰহ্মপুত্ৰৰ বুকু বাম হৈ গৈছিল। অৰুণাচল প্ৰদেশৰ কিছু পাহাৰ খহি নদীত পৰাৰ ফলত এই পাহাৰৰ মাটিয়ে ব্ৰহ্মপুত্ৰৰ বুকু বাম কৰিছিল। তাৰ পিছৰ পৰা লাহে লাহে গৰাখহনীয়াৰ সমস্যাটো বাঢ়ি আহিল। গৰাখহনীয়াৰ সমস্যাটো আৰু এটা প্ৰাকৃতিক সমস্যা হৈ পৰিল। নদীৰ বুকু বাম হোৱাৰ কাৰণে পানী যেতিয়া ওফন্দি উঠে ব্ৰহ্মপুত্ৰৰ পানীয়ে দুয়োপাৰত খুন্দা মাৰে। মই এটা উদাহৰণ দিছো যে ধিং আৰু ঢেকীয়াজুলীৰ শিংৰিৰ মাজত এটা সময়ত আছিল ৩.৫০ কিলোমিটাৰ। কিন্তু বৰ্তমান সময়ত বহল হ'ল প্ৰায় ২২-২৩ কিলোমিটাৰ। য'ত আছিল আগতে ৩.৫০ কিলোমিটাৰ, সেইটো বৰ্তমান ১৯ কিলোমিটাৰ হ'ল। য'ত আছিল আগতে 2 কিলোমিটাৰ সেইটো বৰ্তমান ২১ কিলোমিটাৰ হ'ল। এইদৰে ঠায়ে ঠায়ে ব্ৰহ্মপুত্ৰ ২২,১৯, ২১ কিলোমিটাৰলৈ বহল হ'ল। যাৰ ফলত বহুত গাওঁ নিশ্চিহ্ন হৈ গ'ল। এই গাওঁবোৰ ভাঙি নদীয়ে বিলীন কৰি পেলালে। সেই পৰিঘটনাটো ১৯৫০ চনৰ ভূমিকম্পৰ পাছৰ পৰা আৰম্ভ হৈছে। এই গৰাখহনীয়াৰ লগতে অসমৰ বানপানীৰ যি প্ৰলয়, গোটেই ভাৰতবৰ্ষৰ লোকেই জানে। এই বানপানীৰ

ফলত মানুহৰ ধন-জন, পোহনীয়া জীৱ-জন্তু, ঘৰ-বাৰী আদিৰ প্ৰত্যেক বছৰে ক্ষতি সাধন কৰে। এইটো নতুন কথা নহয় যে গৰাখহনীয়া বা বানপানী হঠাৎ হয়, আমাৰ ৰাজ্য চৰকাৰে ইয়াৰ বিষয়ে জনা নাছিল বা প্ৰস্তুত নাছিল। যাৰ বাবে আমি বানপানীৰ লগত মোকাবিলা কৰিব পৰা নাই। এই বানপানী আৰু গৰাখহনীয়া প্ৰায় ৪০-৫০ বছৰ ধৰি বছৰে বছৰে হৈ আহিছে। এইবাৰো বাৰিষা যদি বৰষুণ বেছিকৈ হয়, ব্ৰহ্মপুত্ৰৰ বুকু যেতিয়া ওফন্দি উঠিব তেতিয়া একেই ধন-জনৰ ক্ষতি হ'ব, লোকসকল হাৰাশাস্তিৰ সন্মুখীন হ'ব। তেতিয়া চৰকাৰে ক'ব নোৱাৰিব যে কোনো দিন নোহোৱা ঘটনা এটা অসমত হ'ল। যিটো আমি আগতে জনা নাছিলো বা প্ৰস্তুত নাছিলো। এই প্ৰাকৃতিক দুৰ্য্যোগ প্ৰত্যেক বছৰে হৈ আছে। কিন্তু আমি কি মোকাবিলা কৰিব পাৰিছো। পুনৰ বানপানী হ'লে এইকেই ক্ষতিসাধন হ'ব। এইবোৰৰ দ্বাৰা এইটো প্ৰমাণ হয় যে আমাৰ বিজ্ঞান সন্মত পৰিকল্পনাৰ অভাৱ বা গৰাখহনীয়া সমস্যা সমাধান কৰাৰ ক্ষেত্ৰত আমাৰ যি একাগ্ৰতা বা বিজ্ঞানসন্মত পৰিকল্পনা কৰিব লাগিছিল, বছৰে বছৰে নকৰাৰ ফলত আমি ব্যৰ্থ হ'লো আৰু তাৰ ফলতে এই প্ৰলয়বোৰ সংঘটিত হৈ শ শ লোকৰ প্ৰাণহানি ঘটে। ইয়াৰ লগতে মই আৰু এটা কথা ক'ব বিচাৰিছো যে অসমৰ প্ৰাকৃতিক দুৰ্য্যোগৰ শিতানত ক্ষতি পূৰণৰ কাৰণে যিকেইটা দিয়া হৈছে, -LandsLide ভূমিস্খলন, Lightning-বিজুলী ঢেৰেকণীত যদি কোনো লোকৰ মৃত্যু হয়.......। উপাধ্যক্ষ মহোদয় তাৰ লগে লগে আৰু এটা কথা আপোনাক ক'ব বিচাৰিছো যে, অসমত আজি প্ৰাকৃতিক দুৰ্যোগ শিতানত Landslide, Lightning ৰ ফলত মৃত্যু হোৱা আৰু অগ্নিকাণ্ডৰ ফলত হোৱা ক্ষতিৰ বাবেহে ক্ষতিপূৰণ দিয়া হয়। কিন্তু উপাধ্যক্ষ মহোদয়, অসমৰ গোৱালপাৰাৰ কৃষ্ণাই বলবলাত হঠাৎ এবাৰ ডাৱৰ বিস্ফোৰণ হৈছিল আৰু এই বিস্ফোৰণে প্ৰলয়ৰ সৃষ্টি কৰিছিল। গতিকে উপাধ্যক্ষ মহোদয়, এই ডাৱৰ বিস্ফোৰণ মোকাবিলা কৰাৰ বাবে চৰকাৰ আগতীয়াকৈ সাজু হৈ নাথাকে কাৰণ এইটো হঠাৎ হয় যাৰ কোনো আগজাননী নাথাকে। আনহাতে, ধুমুহা, ভূমিকম্প, অগ্নিকাণ্ড অসমত প্ৰায়ে সংঘটিত হৈ থাকে। তাৰোপৰি, বানপানী আৰু গৰাখহনীয়া অসমৰ দৈনন্দিন জীৱনৰ এক অংশ আৰু ই এক বিশাল প্ৰলয়ৰ সৃষ্টি কৰি আহিছে। কিন্তু এই প্ৰলয় হোৱাৰ পিছত দেখা যায় যে, NDRF/SDRF ৰ সেনা সকলে speed boat লৈ দুই-চাৰিটা উদ্ধাৰ কাৰ্য কৰে আৰু এই উদ্ধাৰকাৰী সকল ঘটনাস্থলীত গৈ পোৱাৰ আগতেই বহু সংখ্যক লোক তথা জীৱ-জন্তু ইতিমধ্যে মৃত্যুমুখত পৰে। SDRF আৰু NDRF ৰ manpower ইমানেই কম যে তেওঁলোকে কোনোবা এলেকাত ৫ বা ১০ খন speed boat দিয়ে আৰু এই কম সংখ্যক speed boat ৰ জৰিয়তে তেওঁলোকে বেছি সংখ্যক জীৱ-জন্তু উদ্ধাৰ কৰিব নোৱাৰে। কেৱল মাত্ৰ দুজন বা তিনিজন লোকক জীৱন্তে উদ্ধাৰ কৰি গুছি আহে। গতিকে যিমান সংখ্যক NDRF/SDRF কৰ্মী নিয়োগ কৰিব লাগে সিমান সংখ্যক কৰ্মী নিয়োগ কৰিব নোৱাৰে। যাৰ ফলত rescue ৰ সংখ্যা যথেষ্ট কম। আনহাতে, যেতিয়া বানাক্ৰান্ত লোক সকলে নিজেই মথাউৰিলৈ আহি প্ৰাণ ৰক্ষা কৰি অন্য ঠাইত আশ্ৰয় লয় আৰু বানপানী শেষ হোৱাৰ পিছত তেওঁলোক যেতিয়া নিজৰ ঠাইলৈ উভতি যায়, তেতিয়া তেওঁলোকৰ ঘৰৰ কোনো চিন-চাবেই নাথাকে। এই ক্ষেত্ৰত বিধান সভাত প্ৰশ্ন উত্থাপন কৰিলে উত্তৰ দিয়া হয় যে agricultural damage ৰ বাবে ১ হেক্টৰত ৬ হাজাৰ টকাকৈ ক্ষতিপূৰণ দিয়া হ'ব। কিন্তু দেখা যায় যে, এই টকা ১% লোকেও নাপায়। তাৰোপৰি fishery ৰ damage ত প্ৰায় ২০/৩০ লাখ টকাৰ মাছৰ ক্ষতি হয় আৰু এই ক্ষেত্ৰতো প্ৰতি হেক্টৰত ৬ ৰ পৰা ৬.৫ হাজাৰ টকাৰ ক্ষতিপূৰণ দিয়াৰ কথা কোৱা হয়। কিন্তু কোনো লোকে ১% ও নাপায়। এই ক্ষতিটো কিন্তু irrepairable, যাৰ পূৰণ চৰকাৰে কৰিব নোৱাৰে। গতিকে এনেধৰণৰ প্ৰলয়বোৰ

আমি কেনেধৰণে মোকাবিলা কৰিব পাৰো বা তাৰ বাবে চৰকাৰৰ হাতত কি কি বিজ্ঞান সন্মত পদ্ধতি আছে সেইবোৰ ফঁহিয়াই চাই বিজ্ঞান সন্মত পৰ্যালোচনা কৰি আগতীয়াকৈ precaution লৈ সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণ কৰিলে জনসাধাৰণক নিশ্চয় সকাহ দিব পাৰিম। উপাধ্যক্ষ মহোদয়, গৰাখহনীয়া অসমৰ আটাইতকৈ ভয়ংকৰ সমস্যা। এই গৰাখহনীয়াৰ ফলত অসমত এতিয়ালৈকে ৩১০০ খন গাওঁ সম্পূৰ্ণৰূপে নিচিহ্ন হৈ গৈছে আৰু ইয়াৰ ফলত অসমত কেইবা লাখ লোক ভূমিহীন, গৃহহীন, ভেটিহীন হৈ পৰিছে। কিন্তু এই সমস্যাটো সমাধান কৰিবলৈ এতিয়ালৈকে আমাৰ চৰকাৰ সফল হোৱা নাই। এই সমস্যাটো সমাধানৰ বাবে যেতিয়াই অসম বিধান সভাৰ অধিবেশনত প্ৰশ্ন উত্থাপন কৰা হয়, তেতিয়া এটা কথাই কোৱা হয় যে, কেন্দ্ৰীয় চৰকাৰৰ পৰা পৰ্যাপ্ত পুঁজি পোৱা নাই। আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা এই কাৰণেই পুঁজি নাপাওঁ যে গৰাখহনীয়াৰ সমস্যাটো Natural Calamities বা Natural Disaster ৰ list ত অন্তৰ্ভূক্ত কৰা হোৱা নাই আৰু সেইবাবে কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা গৰাখহনীয়াৰ বাবে SDRF শিতানত কোনো টকা নাহে। আমি অসম বিধান সভাৰ বিগত চৰকাৰ আৰু এই চৰকাৰৰ দিনতো দাবী কৰি আহিছো যে, অসম বিধান সভাই সৰ্ব-সন্মতিক্ৰমে প্ৰস্তাৱ গ্ৰহণ কৰি গৰাখহনীয়া সমস্যাটোক Natural Calamity বা Natural Disaster হিচাপে অন্তৰ্ভূক্ত কৰি কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিব লাগে। কিন্তু অধ্যক্ষ মহোদয়, আমি দাবী উত্থাপন কৰাৰ পিছতো অসম বিধান সভাৰ পৰা সৰ্বসন্মত প্ৰস্তাৱ কোনো চৰকাৰে গ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰাৰ বাবে পক্ষপাতি নহ'ল। অসমৰ বাহিৰে ভাৰতৰ অন্যান্য প্ৰদেশত গৰাখহনীয়াৰ সমস্যা নাই যাৰ বাবে ইয়াৰ ভয়াৱহতা কেন্দ্ৰীয় চৰকাৰে বুজি নাপায়। তেওঁলোকে ভাৱে যে, গৰাখহনীয়াৰ সমস্যাটো সৰু-সুৰা সমস্যা। গতিকে, এই সমস্যাটোক যদি বিজ্ঞান সন্মত ভাৱে প্ৰমাণ কৰি অসম বিধান সভাই সৰ্ব-সন্মত ক্ৰমে প্ৰস্তাৱ লৈ কেন্দ্ৰীয় চৰকাৰক এই সমস্যাটোৰ বিষয়ে বুজাই Natural Calamity ৰূপে অন্তৰ্ভূক্ত কৰাৰ বাবে কওঁ তেন্তে মই ভাৱো গৰাখহনীয়া প্ৰতিৰোধ কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ তৰফৰ পৰা আমি কেইবা হাজাৰ কোটি টকা পাম। মাননীয় অধ্যক্ষ, আমাৰ DRSC on Works ৰ যেতিয়া মিটিং হৈছিল তেতিয়া জলসম্পদ বিভাগৰ বিষয়া সকলে জনাইছিল যে Erosion Management Fund নামৰ শিতানত টকা দিয়াৰ বাবে তেওঁলোকে দাবী কৰিছিল কিন্তু এই ক্ষেত্ৰত ৰাজ্য চৰকাৰে কোনো বিবেচনাই নকৰিলে আৰু কেন্দ্ৰীয় চৰকাৰলৈ ইয়াৰ প্ৰস্তাৱো নিদিলে। গতিকে, কেন্দ্ৰীয় চৰকাৰে বুজিয়েই নাপায় গৰাখহনীয়া মানে কি? আজি কৰ্তন প্ৰস্তাৱৰ জৰিয়তে মই পুনৰ দাবী কৰিছো যে সম্ভৱ হ'লে অসম বিধান সভাৰ চলিত বাজেট অধিবেশনতে সৰ্বসন্মতি ক্ৰমে গৰা-খহনীয়াক ৰাষ্ট্ৰীয় দুৰ্যোগৰ তালিকাত অন্তৰ্ভূক্ত কৰাৰ বাবে প্ৰস্তাৱ গ্ৰহণ কৰি কেন্দ্ৰীয় চৰকাৰলৈ প্ৰেৰণ কৰিব লাগে আৰু এই সমস্যাটোক মোকাবিলা কৰাৰ বাবে যাতে পৰ্যাপ্ত পুঁজি দিয়ে। অধ্যক্ষ মহদোয়, ইয়াৰ লগতে মই অগ্নিকাণ্ডৰ বিষয়ে ক'ব বিচাৰিছো। অগ্নিকাণ্ডত প্ৰায়ে ঘৰ-বাৰী, দোকান পোহাৰ সকলো জ্বলি যায়। এই অগ্নিকাণ্ডত সৰ্বস্বান্ত হোৱা লোক সকল যেতিয়া আমাৰ ওচৰলৈ আহে তেতিয়া আমি তেওঁলোকক Fire brigade ৰ Report, Circle Office ৰ Report, আৰু Police Report আনিবলৈ কওঁ। এই Report কেইটা জমা দিয়াৰ পিছত তেওঁলোকে পুঁজি পাব বুলি কওঁ। কিন্তু, বিগত ৮ বছৰত মোৰ সমষ্টিত দেখিবলৈ পাইছো যে যিমান মানুহৰ ঘৰ জ্বলিছে তাৰ Reportবোৰ ইতিমধ্যে তেওঁলোকে পঠাইছে যদিও তাৰ ক্ষতিপূৰণ আজি পৰ্যন্ত পোৱা নাই। এই ক্ষেত্ৰত চৰকাৰৰ আঁচনিগত কিবা যদি আসোঁৱাহ আছে, তেনেহ'লে সেইবোৰ শুধৰাই অগ্নিকাণ্ডত সৰ্বস্বান্ত হোৱা লোকসকলৰ লগতে বাণিজ্যিক প্ৰতিষ্ঠান সমূহকো

যাতে সামৰি লোৱা হয় তাৰ বাবে দাবী জনাইছো। কিয়নো দোকান-পোহাৰ সমূহ জ্বলিলে সেইবোৰ commercial establishment ত পৰাৰ বাবে ক্ষতিপূৰণ দিয়া নহ'ব বুলি কোৱা হয়। ইয়াৰ লগতে, আপোনাৰ জৰিয়তে আৰু এটা কথা ক'ব বিচাৰিছো যে আমাৰ যি ভূমিস্খলন, বানপানী আদিৰ সমস্যা হয় এই সমস্যা সমূহ মোকাবিলা কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ পৰা যাতে পৰ্যাপ্ত পৰিমাণৰ পুঁজি আনিব পাৰো তাৰ বাবে ৰাজ্য চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিব লাগে। যিহেতু Natural Calamities মোকাবিলা কৰাৰ ক্ষেত্ৰত আমাৰ চৰকাৰ ব্যৰ্থ আৰু চৰকাৰে এতিয়ালৈকে বিজ্ঞান সন্মত কোনো পদক্ষেপ গ্ৰহণ কৰিব পৰা নাই গতিকে মই কৰ্তন প্ৰস্তাৱৰ সমৰ্থন কৰি এইখিনিতে মোৰ বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় অধ্যক্ষঃ** ৰাষ্ট্ৰীয় দুৰ্যোগৰ তালিকাত গৰাখহনীয়াটো নাই কিন্তু sea erosion অন্তৰ্ভূক্ত আছে। এইটো বহু দিন আগৰ পৰা ওলাই আছে সেয়েহে আপোনাক জনাই থৈছো। আপুনি ভাল কথা এটা উত্থাপন কৰিছে। এতিয়া নুৰুল হুদা। আপুনি, চমুকৈ কৈ শেষ কৰিব।

**মাননীয় সদস্য শ্ৰী নুৰুল হুদা (ৰূপহীহাট)ঃ** মাননীয় অধ্যক্ষ মহোদয়, প্ৰাকৃতিক দুৰ্যোগ শিতানৰ কৰ্তন প্ৰস্তাৱৰ সমৰ্থনত মই দু-আষাৰ ক'বলৈ ওলাইছো। প্ৰাকৃতিক দুৰ্যোগ আৰু আকস্মিক দুৰ্যোগ, এই দুৰ্যোগ সমূহ হঠাতে সংঘটিত হয় আৰু এই দুৰ্যোগ সমূহ হঠাতে হোৱাৰ বাবে মানুহে ইয়াৰ মোকাবিলা কৰাৰ বাবে আগতীয়াকৈ প্ৰস্তুত হৈ নাথাকে। বানপানী, গৰা-খহনীয়া হ'লে মানুহৰ থকা-খোৱাকে আদি কৰি বিভিন্ন ধৰণৰ সমস্যা হয়। গতিকে বানাক্ৰান্ত এলেকা সমূহত মাটিৰ ডাঙৰ ডাঙৰ টিলা যদি গঢ়ি দিয়া হয়, তেন্তে বানপানীৰ সময়ত মানুহ সকলে তাত বানপানীৰ সময়ত আশ্ৰয় ল'ব পাৰিব যাৰ ফলত মানুহৰ লগতে পশুধনো বাচিব পাৰিব। কিছু পৰিমাণে টিলা বনোৱা হৈছে যদিও ই পৰ্যাপ্ত নহয়। বহু ক্ষেত্ৰত দেখা যায় যে পানীত পৰি মানুহৰো ক্ষতি হয় আৰু পশুধনৰো ক্ষতি হয়। সেই মানুহ সকলক সহায় কৰাৰ কাৰণে নাওঁৰো ব্যৱস্থা নাই। প্ৰশাসনে তাৰ কাৰণে নাওঁ ভাৰালৈ ল'বলগা হয়। নাওঁ ভাৰালৈ অনালৈকে মানুহখিনিৰ অৱস্থা একেবাৰে বেয়া হৈ পৰে। ৰাজহ চক্ৰ বিষয়া কাৰ্য্যালয়ৰ যোগেদি যিসমূহ বানাপীড়িত অঞ্চল আছে সেইসমূহত যাতে আগতীয়াকৈ নাওঁৰ ব্যৱস্থা কৰা হয়। অধ্যক্ষ মহোদয়, মোৰ সমষ্টিতে এনেকুৱা এটা হাহাকাৰ অৱস্থাৰ সৃষ্টি হৈছিলে। তেতিয়া মই কৈছিলো যে মোৰ বিধায়ক পুঁজিৰ পৰাই নাওঁৰ ব্যৱস্থা কৰি দিম। কিন্তু উপায়ুক্ত মহোদয়ে সেইটো accept নকৰিলে।

**মাননীয় অধ্যক্ষ ঃ** এইটো Rule ত নপৰে বুলি কয় চাগে, নহয়জানো? বহুত ক্ষেত্ৰত আমাৰো যথেষ্ট অসুবিধা হৈছে। গতিকে আপোনালোকে এটা কাম কৰিব পাৰে যে আমাৰ concern Minister ক কেইবাজনো বিধায়কে লগ হৈ এখন letter দিব পাৰে যে এইকেইটা বস্তু আমাক বিধায়ক পুঁজিৰ পৰা ল'বলৈ অনুমতি দিব লাগে। আগতে concept টো নাছিলে। এতিয়া আমাক ১ কোটি টকা দিয়ে চৰকাৰে। গতিকে আমি তেনেকুৱা ধৰণৰ কেইটামান নতুন কথা ভাবিব পাৰো আমাৰ এখন Rule আছে বিধায়ক পুঁজি কেনেদৰে দিব লাগে। সেইখন amendment কৰিবৰ কাৰণে আমি চৰকাৰক request কৰিব লাগিব। formally কৰিলে নিশ্চয় চৰকাৰে এইবোৰ কথা মানি ল'ব। স্বচ্ছ ভাৰতৰ এটা প্ৰক্ৰিয়া চলি আছে। drain বিলাকৰ পৰা যেতিয়া জাবৰ বিলাক উলিওৱা যায়, পানীৰে সৈতে জাবৰ বিলাক কাষত থৈ দিয়ে। কিন্তু আজিকালি এনেকুৱা এটা নতুন ব্যৱস্থা ওলাইছে য'ত পানী আৰু জাবৰ একেলগে উঠে আৰু সেইটো transfer কৰি দিব পাৰে। সেইখনৰ দাম প্ৰায় ৯ লাখ টকা। এইবাৰ মই সেইখন দিব বিচাৰিছিলো কিন্তু মোক objection দি আছে। এইবিলাক বস্তু আমাক চৰকাৰে দিব নোৱাৰে কিন্তু আমি বিধায়ক

পুঁজিৰ পৰা দিব পাৰো। মই চেষ্টা কৰি আছো। আমি এইটো কৰিব পাৰিলে ভাল হয়।

**শ্ৰী নুৰুল হুদা (ৰূপহীহাট) ঃ** মাননীয় অধ্যক্ষ মহোদয়, মই এইটোৰে ক'ব বিচাৰিছো যে, প্ৰাকৃতিক দুৰ্যোগ বা আকস্মিক দুৰ্যোগৰ বাবে পৰ্য্যাপ্ত পৰিমাণৰ ধন উপায়ুক্ত কাৰ্য্যালয়ৰ Relief Fund তো নাথাকে। গতিকে চক্ৰ বিষয়া কাৰ্য্যালয়ত এটা Fund থকাৰ প্ৰয়োজন যাতে তৎক্ষনাত সেই মানুহসকলক সহায় কৰিব পৰা যায়। আপোনাৰ জৰিয়তে মই চৰকাৰক অৱগত কৰিব বিচাৰিছো যে আকস্মিক দুৰ্যোগ আৰু প্ৰাকৃতিক দুৰ্যোগৰ শিতানত যাতে আমি বিধায়ক সকলেও তৎক্ষনাত সহায় কৰিব পাৰো। কেতিয়াবা ধুমুহা বৰষুণ হয়, ঘৰ-বাৰী উৰুৱাই লৈ যায়, তেওঁলোকৰ থকা খোৱাৰ যথেষ্ট অসুবিধা হৈ যায়। তেওঁলোকক তৎক্ষনাত সহায়ৰ দৰকাৰ হয়। চক্ৰ বিষয়াৰ জৰিয়তে যেতিয়া তথ্য বিলাক উপায়ুক্ত কাৰ্য্যালয়লৈ যায়, বছৰ -বছৰ গুচি যোৱাৰ পিছতো তেওঁলোকে কোনো ধৰণৰ সুবিধা নাপায়।

ইয়াৰ উপৰিও এই যি গৰাখহনীয়া, তাৰ ওপৰত কোনো বিজ্ঞান সন্মত ব্যৱস্থা নোলোৱাৰ বাবে লাহে-লাহে এইটো এটা জটিল সমস্যাৰূপে থিয় দিছে। আগতেও মই এই পবিত্ৰ সদনত কৈছিলো যে যিসকল লোক গৰাখহনীয়াত ক্ষতিগ্ৰস্ত হয় তেওঁলোকক লগে-লগে চৰকাৰী ভূমিত পুনৰ সংস্থাপন দিব লাগে। কিন্তু তেওঁলোকক দিয়া নহল। কেইদিনমান আগতে উত্তৰাখণ্ডৰ ডেৰাডুনত বৰপেটা জিলাৰ বাঘবৰ, চেঙা সমষ্টিৰ লগতে আন কেইটামান সমষ্টিৰ গড়াখহনীয়াগ্ৰস্ত লোক তাত গৈ বসবাস কৰি আছিলে। কিন্তু তেওঁলোকক তাত বিদেশী বুলি নজৰ বন্দি কৰি ৰাখিছে। আজি যদি গড়াখহনীয়াৰ প্ৰমান পত্ৰ তেওঁলোকৰ হাতত থাকিলেহেতেন তেওঁলোকে এই অৱস্থাৰ সন্মুখীন নহলেহেতেন। গতিকে অধ্যক্ষ মহোদয়ৰ জৰিয়তে মই চৰকাৰক অৱগত কৰিব বিচাৰিছো যে, যিসকল গড়াখহনীয়াৰ ক্ষতিগ্ৰস্ত লোক আছে লগে-লগে তেওঁলোকক চৰকাৰী মাটিত সংস্থাপন দিয়াৰ ব্যৱস্থা কৰি দিব লাগে আৰু গড়াখহনীয়াৰ প্ৰমান পত্ৰ দিব লাগে।

আমাৰ আন এটা সমস্যা হৈছে ধুমুহা। এই ধুমুহাৰ ফলত আমাৰ কৃষকসকলে যি কষ্ট আৰু খৰচ কৰি বড়ো ধান আদিৰ দৰে ধানৰ খেতি কৰে সেইবিলাক নিঃশেষ হৈ যায়। তেওঁলোকৰ দুখ কুলাই পাচিয়ে নধৰা অৱস্থা হয়। এই লোকসকলক লগে-লগে যাতে সহায় কৰিব পৰা যায় আৰু পৰ্য্যাপ্ত পৰিমাণৰ ধন আমাৰ উপায়ুক্ত কাৰ্য্যালয়ৰ জৰিয়তে দিয়াৰ ব্যৱস্থা কৰিব লাগে।

আমাৰ যি আকস্মিক দুৰ্যোগ জুই, এই জুয়ে মোৰ সমষ্টিত ২০১৭ চনত এটা মাহতে ৰূপহীত একেলগে ১০ টা দোকান জ্বলি ছাৰখাৰ হ'ল। একেলগে ১৩ টা ঘৰ জুইত জ্বলি গ'ল। ইয়াৰ উপৰিও ৩ টা পৰিয়াল একেলগে আছিলে তিনিচুকীয়াত, তাৰে তিনিজন মানুহ আহত হ'ল। কিন্তু Circle Officer য়ে DC office ত পঠোৱাৰ পিছতো আজিলৈকে Relief Fund ৰ পৰা তেওঁলোকে এটকাও পোৱা নাই। গতিকে যদি আমি এই দুৰ্দশাগ্ৰস্ত লোক সকলক সহায় কৰিব নোৱাৰো এই বিভাগৰ কি প্ৰয়োজন? এই Relief Fund ত যদি ধনেই নাথাকে তেন্তে এই Relief Fund ৰ কি প্ৰয়োজন? গতিকে মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মই চৰকাৰক অৱগত কৰিব বিচাৰিছো যে Relief Fund ক পৰ্য্যাপ্ত পৰিমাণৰ ধন দিব লাগে আৰু দুৰ্যোগগ্ৰস্ত লোকসকলক যাতে লগে-লগে সহায় কৰিব পৰা যায় তাৰ বাবে সক্ষম হৈ থকাৰ ব্যৱস্থা লয়।

ৰূপহীহাটত বহু কেইটা factory আছে। ৰূপহী বজাৰখন অসমৰ এখন বৃহৎ বজাৰ। মৰাপাটৰ সময়ত প্ৰতিদিনে ৫-৭ হাজাৰ মোন পাট বিক্ৰী হয়। তাত কোনো এটা অগ্নিনিৰ্বাপক বাহিনী কেন্দ্ৰ নাই। তাত জুয়ে বাৰে-বাৰে মানুহৰ ক্ষতি কৰিছে। মাননীয় মুখ্যমন্ত্ৰী ডাঙৰীয়াকো মই

এই বিষয়ে অৱগত কৰিছো। এই সদনতো মই আগতে এবাৰ কৈছিলো। আজিও মই আপোনাৰ জৰিয়তে চ ৰকাৰক অনুৰোধ কৰিছো যে আমাৰ আকস্মিক দুৰ্যোগ জুই নিৰ্ব্বাপন কৰাৰ কাৰণে ৰূপহীহাটত এটা অগ্নি নিৰ্ব্বাপন আস্থান দিব লাগে। এইখিনিকে কৈ মই কৰ্তন প্ৰস্তাৱৰ সমৰ্থন কৰি সামৰণি মাৰিছো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। বোধ কৰো আমি পোন প্ৰথমবাৰৰ বাবে প্ৰাকৃতিক দুৰ্যোগৰ ওপৰত কৰ্তন প্ৰস্তাৱ লৈছো। মই ভাৱো ইয়াৰ ওপৰত এটা ভাল discussion হ'ল। এতিয়া মই মাননীয় মন্ত্ৰী মহোদয়ক উত্তৰ দিবলৈ অনুৰোধ জনালো।

**শ্ৰী ভৰেশ কলিতা, মন্ত্ৰী ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি পবিত্ৰ সদনত বিৰোধী দলৰ দলপতি শ্ৰী দেৱব্ৰত শইকীয়া ডাঙৰীয়াই গ্ৰাণ্ট নং ৪১ ত প্ৰাকৃতিক দুৰ্যোগ শিতানত ২০১৯-২০ বিত্তীয় বৰ্ষৰ বাবে বাজেটত প্ৰস্তাৱ কৰা ১,১২৯ কোটি ৪০ লাখ ২২ হাজাৰ টকাৰ ওপৰত উত্থাপন কৰা কৰ্তন প্ৰস্তাৱৰ বিপৰীতে আনিছিল আৰু ইয়াৰ সপক্ষে বিপক্ষে আমাৰ সন্মানীয় বিধায়ক ৰূপজ্যোতি কূৰ্মী ডাঙৰীয়া, তেৰছ গোৱালা ডাঙৰীয়া, আমিনুল ইছলাম ডাঙৰীয়া, ভৰেন ভৰালী ডাঙৰীয়া, নুৰুল হুদা ডাঙৰীয়া, মহেশ্বৰ বড়ো ডাঙৰীয়াই বিষয়টো উত্থাপন কৰিছে। অধ্যক্ষ মহোদয়, আমি এই বাজেটত যিখিনি শিতান ৰাখিছো সেইটো পৰ্য্যাপ্ত নহয়। আমি সকলো অৱগত, প্ৰাকৃতিক দুৰ্য্যোগ কেতিয়া আহে শিলাবৃষ্টি কেতিয়া হয়, ধুমুহা কেতিয়া হয়, বান কেতিয়া হ'ব গৰাখহনীয়া কেতিয়া হ'ব, ইয়াৰ ওপৰত আজি সদনত আনোচনা হ'ল। ই আমাক ভৰিষ্যতৰ পিনে আমাৰ যিখিনি কাম সেই খিনি কাম ভালদৰে কৰাৰ কাৰণে চৰকাৰ আৰু সক্ৰিয় হ'ব. আৰু লগতে উত্থাপন কৰা হৈছে, যিবিলাক দুৰ্য্যোগত দুৰ্গত সকলে সময়মতে যি সাহাৰ্য্য পাব লাগে পোৱা নাযায়। আৰু কেইবাটাও অভিযোগ পাইছো যে লাট মণ্ডল সকলে কিবা খেলি মেলি কৰে। Building থকা মানুহেও পইচাটো পায়। আৰু যাৰ সম্পূৰ্ণৰূপে ক্ষতিগ্ৰস্ত হৈছে, যিটো আমাৰ বিধিগত নিৰ্ধাৰিত ধনৰাশি আছে, সেইটো নাপায়, এই বিলাক ঠিক কৰিব লাগিব। লাট মণ্ডলৰ আমি নিযুক্তি প্ৰক্ৰিয়াটো চলাই আছো। পৰ্য্যয়ক্ৰমে লাট মণ্ডলৰ নিযুক্তি প্ৰক্ৰিয়াটো হব লাগিব কাৰণ যেতিয়া Circle Officer ৰ নিৰ্দেশমৰ্মে এখন গাওঁত যেতিয়া ধুমুহা হয়, শিলাবৃষ্টি হয়, সেই ground survey এই survey টো লাট মণ্ডলজনে কৰে। Concern গাৰৰ গাওঁবুঢ়াজনকলৈ। এই গাওঁবুঢ়াৰ লগতে লাট মণ্ডল দুয়োজনৰে দায়িত্ব থাকে। যদি দায়িত্ব বুলি নিশ্চিতভাৱে লয়, duty বুলি নলয়। সেই আমাৰ দুৰ্গত সকলে সকাহ পাবলৈ সক্ষম হ'ব আৰু এই ক্ষেত্ৰত মই ধন্যবাদ জ্ঞাপন কৰিছো বিৰোধী পক্ষক, যি এইটো cut- motion আনিছে। তেখেতসকলেও জানে, যেতিয়া বানত ক্ষতিগ্ৰস্ত হয়, সেই সকলক আমি বিভিন্ন সময়ত চহৰে নগৰে দেখিবলৈ পাওঁ। এটা কাগজৰ বক্স বনাই দুৰ্গত সকলক ৰিলিফ দিয়াৰ বাবে পইচা বিছাৰি ফুৰে দল সংগঠনে. আৰু তাৰ বিপৰীতে যিটো cut-motion আনিছে, মই ধন্যবাদেই দিছো যে পইচাটো বঢ়াব লাগিব। দুৰ্গত সকলক আমি সকাহ দিব লাগিব। অধ্যক্ষ মহোদয়, আৰু এটা কথা আমাৰ যিটো SDRF ৰ fund আমাৰ এইটো চেণ্ট্ৰেলৰ অনুপাতত আপোনালোকে জানে। আমি যিমানেই বঢ়াব পাৰো, আমি কেন্দ্ৰীয় চৰকাৰৰ পৰা অধিক পুজি লবলৈ সক্ষম হ'ম। আমাৰ মাননীয় দেশৰ প্ৰধান মন্ত্ৰী তথা গৃহমন্ত্ৰী ডাঙৰীয়াই কৈছে, আমাৰ যিবিলাক সমস্যা আমাৰ ৰাষ্ট্ৰৰ সমস্যা। এইটো সমগ্ৰ ভাৰতবৰ্ষৰ সমস্যা। তাৰ পিছত এইটো ৰাষ্ট্ৰীয় সমস্যা বুলি কব লাগে বুলি মই নাভাবো। অসম এখন ভাৰতবৰ্ষৰ অবিচ্ছেদ্য অংগ। সন্মানীয় ভাৰতবৰ্ষৰ গৃহমন্ত্ৰী মহোদয়ে কৈছে যে অসমৰ যি সমস্যা এই সমস্যা ৰাষ্ট্ৰ সমস্যা। আমি এই গোটেই যি ব্যৱস্থা ইয়াৰ ওপৰত আমি এতিয়া টকা এটাও আনিছো। আপোনালোকৰ

জ্ঞাতার্থে এইখিনি অকণমান কব লাগিব। আজি যি কৰ্তন প্ৰস্তাৱ উত্থাপন কৰা হ'ল মাননীয় সদনক মই অৱগত কৰোঁ, লগতে আমাৰ আৰু এটা Planning আছে, আৰু যিখন আমাৰ বিধেয়কে কৈছে, যিটো Flood prone area Flood prone area ত আমি কিছু কিছু longterm চিন্তাধাৰা কৰিব লাগিব। তাত কিছু আমি আশ্ৰয়স্থলী বনাব লাগিব। য'ত Solar light থাকিব। toilet থাকিব। drinking Water facility থাকিব। কাৰণ বানপানী হবয়ে। বহুত চৰকাৰ গ'ল, Action নললে। আমাৰ মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে, এই ক্ষেত্ৰত এইবেলিৰ পৰাই মই আপোনালোকক জনাবলৈ পাই সুখী হওঁ, পোন প্ৰথম বাৰৰ বাবে মাজুলীত আৰু আমাৰ যি ঢকুৱাখানা অঞ্চল আছে, এই অঞ্চলত pilot basis ত আমি কেইটামান shelter গৃহ বনাম। য'ত আধুনিক ভাৱে যি shelter light থাকিবৰ কাৰণে যেতিয়া তাত বানপানী হয়, বানপীড়িত অঞ্চলত আমি লাইনটো কাটি দিব লগীয়া হয়। খোৱাপানীৰ ব্যৱস্তা নাথাকে। আমি যদি Water reserver already বনাই থৈ দিওঁ, তেনেকৈ কিছু ব্যৱস্থা কৰা হৈছে। আমি তাত ডাঙৰ ডাঙৰ shelter গৃহ বনাম। য'ত বিভিন্ন ধৰণৰ Festival পাতিব পাৰিব, বিভিন্ন দল সংগঠনে তাত সভাও পাতিব পাৰিব। তেনেকুৱা ব্যৱস্থাও চৰকাৰে হাতত লৈছে। অনাগত দিনত আমি এইবোৰ কাম কৰিবলৈ সক্ষম হম। অধ্যক্ষ মহোদয়, ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগৰ অধীনত প্ৰাকৃতিক দুৰ্য্যোগত ক্ষতিগ্ৰস্থ লোক সকলক দুৰ্য্যোগকালীন সময়ত সা-সাহাৰ্য্য প্ৰদান কৰাৰ উপৰিও দুৰ্য্যোগৰ পৰৱৰ্তী পৰ্য্যায়তো ৰাজ্যখনৰ বিধস্ত আন্তঃগাঠনিক মেৰামতি কৰাৰ লগতে দুৰ্গত লোক সকলক এককালীন সাহাৰ্য্য পুনৰ সংস্থাপন অনুদান বিত্তীয় সাহাৰ্য্য প্ৰদান কৰা হয়। ইয়াৰ উপৰিও আমি সকলো জ্ঞাত যে প্ৰতি বছৰে বানপানীৰ পৰা গড়াখহনীয়া, ধুমুহা ,ঘূৰ্ণীবতাহ, শিলাবৃষ্টি, ব্ৰজপাত, অগ্নিকাণ্ড আদি প্ৰাকৃতিক দুৰ্য্যোগৰ দ্বাৰা ৰাজ্যবাসী তথা ৰাজ্যখনৰ আন্তঃগাঠনি দুখলগা ধৰণে বিপৰ্য্যস্ত হৈ আহিছে। প্ৰতি বছৰে ক্ৰমাগত ভাবে বাঢ়ি অহা প্ৰাকৃতিক দুৰ্য্যোগত হোৱা ক্ষয় ক্ষতিৰ মোকাবিলা কৰাৰ বাবে ৰাজহ আৰু দুৰ্য্যোগ ব্যৱস্থাপনা বিভাগক পৰ্য্যাপ্ত পৰিমানৰ ধনৰ প্ৰয়োজন যদিও সেই ধন এক নিদিষ্ট হাৰতহে সংশ্লিষ্ট বিত্ত আয়োগে প্ৰতি পাঁচ বছৰৰ বাবে জনোৱা অনুমোদনৰ ভিত্তিত কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে ধাৰ্য্য কৰি দিয়ে। সাম্প্ৰতিক সময়ত চতুৰ্দশ বিত্ত আয়োগে অনুমোদন জনোৱা ৰাজ্যিক দুৰ্য্যোগ সহাৰি পুজিঁৰ বাৰ্ষিক পুজিঁৰ তালিকা আমি ইয়াত দিছো। ইয়াৰোপৰি, অসম ৰাজ্যিক দুৰ্য্যোগ ব্যৱস্থাপনা প্ৰাধিকৰণ যি ASDMA বুলি কওঁ। প্ৰাকৃতিক দুৰ্য্যোগৰ সৈতে সংযুক্ত এটি ৰাজ্যিক প্ৰতিস্থান। এই প্ৰতিস্থানে ৰাজ্যখনৰ জিলা পৰ্য্যায়ত দুৰ্য্যোগ ব্যৱস্থাপনা বিষয়টো সামগ্ৰীক ভাবে ত্বৰান্বিত কৰাত মনোনিবেশ কৰি আহিছে। যি কোনো প্ৰাকৃতিক দুৰ্য্যোগ সন্দৰ্ভত জনসাধাৰণৰ মাজত সচেতনতা গঢ়ি তোলাৰ লগতে দুৰ্য্যোগত হ'ব পৰা সাম্ভাব্য ক্ষয় ক্ষতিৰ পৰিমাণ লাঘৱ কৰাৰ কাৰণে লব লগা সাৱধনতা সন্দৰ্ভতো ৰাজ্যবাসীৰ মাজত বিভিন্ন কৰ্মসূচী ৰূপায়ণ কৰি আহিছে। প্ৰস্তাৱিত বাজেটত গ্ৰাণ্ট নং ৪১ - ত সন্নিবিষ্ট কৰা ১১২৯৪০.২২ লাখ টকাৰ ভিতৰত তলত উল্লেখ কৰা পুজিঁ সমুহ অন্তৰ্ভুক্ত হৈ আছে। মই head কেইটা ইয়াত কবলৈ নাযাওঁ। অধ্যক্ষ মহোদয়, প্ৰাকৃতিক দুৰ্য্যোগ হয় ইয়াৰ যিটো wide awarness হব লাগে, সজাগতা হব লাগে। আমি চিন্তা চৰ্চা কৰিছো। স্কুল মহাবিদ্যালয় পৰ্য্যায়লৈকে এই ব্যৱস্থাটো নিব লাগিব। সজাগতাৰ অবিহনে আমি কেতিয়াও প্ৰতিৰোধ কৰিবলৈ সক্ষম নহও। সজাগতাৰ প্ৰয়োজন আছে। এই ক্ষেত্ৰত টকাৰো প্ৰয়োজন আছে। আশা ৰাখিছো, আমাৰ যিসন্মানীয় বিধায়ক তথা বিৰোধী দলৰ দলপতি দেৱব্ৰত শইকীয়া ডাঙৰীয়াই যিটো cut- motion আনিছে, অসমৰ ৰাইজৰ দুৰ্গত সকলৰ প্ৰতি

নজৰ দি এই কৰ্তন প্ৰস্তাৱটো উঠাই লব। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ-** ঠিক আছে, কেইবাটাও মূল্যবান পৰামৰ্শ দিছে। মন্ত্ৰী ডাঙৰীয়াইও আশ্বাস দিছে, এইখিনি চাম বুলি। গতিকে এতিয়া কৰ্তন প্ৰস্তাৱকেইটা যি কেইজনে কৰিছে, সেই কেইজনে প্ৰত্যাহাৰ কৰিবনে ?

**শ্ৰী আব্দুল খালেক, সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয় কৰ্তন প্ৰস্তাৱটো এটা পৰম্পৰা নিয়ম। যিহেতু আমি কথাখিনি কবলৈ সুযোগ পাওঁ। গতিকে আমাৰ withdraw কৰিবলৈ আপত্তি নাই। কিন্তু যিটো মই প্ৰথমে কমিটিৰ প্ৰতিবেদন দাখিল কৰাটো উত্থাপন কৰিছিলো, সেই কথাটো অধ্যক্ষ মহোদয়, মই আকৌ এবাৰ কব খুজিছো বিশেষকৈ কৃষি বিভাগৰ ক্ষেত্ৰত। কাৰণ মন্ত্ৰী মহোদয়ে irrigation আৰু revenue দুইটাৰে দায়িত্বও আছে। আমাৰ Assembly য়ে গঠন কৰি দিয়াত সমিতিয়ে এটা প্ৰস্তাৱ দিলে, ২৪ টা প্ৰস্তাব irrigation department য়ে পঠিয়ালে। আৰু তাৰ এটাও গৃহীত নহ'ল। এইটো একপ্ৰকাৰ Assembly Committee টোক অৱহেলা কৰা হ'ল। department ৰ প্ৰতি অৱহেলা কৰা হ'ল। গতিকে সেই বিষয়টো যাতে চাই আৰু অধ্যক্ষ মহোদয় প্ৰতি বছৰে খহনীয়াই আমাক বিপৰ্যস্ত কৰি দিয়ে। আমি Natural Calamities ৰ ধুমুহাৰ কাৰণে দিও, হাতীয়ে ক্ষতি কৰিলে দিও, কিন্তু গৰাখহনীয়াত যিবিলাক মানুহৰ ঘৰ বাৰী উটি যায়, সেইটোত অধ্যক্ষ মহোদয়, আমাৰ disaster ৰ ভিতৰত যাতে ক্ষতিপূৰণ পায়। সেই ব্যৱস্থাটো কৰিব লাগে। এইখিনি কৈ যিহেতু এটা নিয়ম, আচলতে revenue disaster department ৰ কাৰণে কমোৱা নহয়। বঢ়াবহে লাগে। কিন্তু আমি নিয়ম অনুসৰিহে কৈছো। গতিকে মই আশা কৰিছো,sufficient fund দিব আৰু চাহ বাগিচাৰ যিটো revenue land নহয় বুলি নাপায়। সেই কথাটোও বিবেচনা কৰিব লাগে। আমাৰ গোটেই disaster ৰ কথাটো মানবীয় দৃষ্টিকোণৰ পৰা চাব লাগে। এইখিনি কৈ মোৰ বক্তব্য শেষ কৰিছো।

**মাননীয় অধ্যক্ষ ঃ-** ধন্যবাদ, আমিনুল ইছলাম।

**শ্ৰীআমিনুল ইছলাম, সদস্য ঃ-** মাননীয় অধ্যক্ষ মহোদয়, অৱশ্যে আজি কৰ্তন প্ৰস্তাৱৰ যিখিনি আলোচনা হ'ল আৰু মন্ত্ৰী মহোদয়েও যিখিনি আশ্বাস দিলে, সেইটো আমাৰ ভাল লাগিছে। আমি ভাবো যে, এই ক্ষেত্ৰত হয়তো এটা যোগাত্মক কিবা এটা পদক্ষেপ চৰকাৰে লব আৰু এই ক্ষেত্ৰত মই এটা কথা কব বিচাৰিছো, অধ্যক্ষ মহোদয়, ধুমুহাৰ ক্ষেত্ৰত ৪-৫ বছৰমান পূৰ্বে এনেকুৱা হৈছিল মোৰ সমষ্টিতেই ধুমুহাত প্ৰায় ২-৩ হাজাৰ মানুহৰ ঘৰ দুৱাৰ ভাঙি গৈছিল। তাৰ পাছত যেতিয়া তেওঁলোকক ক্ষতিপূৰণ দিয়া হ'ল মই এই পবিত্ৰ সদনত প্ৰশ্ন উত্থাপন কৰোতে কোন কোন মানুহক ক্ষতিপুৰণ দিয়া হ'ল তালিকাও দিয়া হ'ল। কোনোৱে ১৯ হাজাৰ কোনোৱে ১৫ হাজাৰ কিমান পালে ৪-৫ বছৰ আগৰ কথা। কিন্তু দেখা গ'ল এই যে ২০০০ মানুহৰ list দিলে, এজন মানুহেও ক্ষতিপুৰণ নাপালে। .কিন্তু দেখা গ'ল এই যে, দুই হাজাৰ মানুহৰ লিষ্ট দিলে, এজন মানুহেও ক্ষতিপূৰণ নাপালে। মই গৈ খবৰ ললো যে কোনেও ক্ষতিপূৰণ নাপালে, কিন্তু লিষ্টত আহি গ'ল যে, এই মানুহখিনিক ইমান ইমান টকা দিয়া হ'ল। এতিয়া এই system টোত হয়তো সাংঘাটিক lapse আছে যে ক্ষতিপূৰণৰ তালিকা প্ৰস্তুত হয়, fund allot হয় কিন্তু ক'ত গৈ নাইকিয়া হৈ যায়, হিতাধিকাৰীলৈকে নাযায়। এইটো এটা মাৰাত্মক কথা আৰু মই যিটো কথা উল্লেখ কৰিছিলো যে, আজি অগ্নিকাণ্ডৰ ফলত বা বজ্ৰপাতত যিসকল মানুহৰ হঠাৎ মৃত্যু হয় বা কিবা ক্ষতি হয়, এই সাত-আঠ বছৰলৈকে যে নাপায়, system টোত অলপ যদি সৰলীকৰণ নকৰে, হয়তো এইটো উপায়ুক্তই কৰাৰ পিছত আকৌ ৰাজ্য চৰকাৰৰলৈ আহে, ক'ত গৈ ফাইল বিলাক ঘুৰি ফুৰে। এইক্ষেত্ৰত যাতে

উপায়ুক্তই সিদ্ধান্ত লব পাৰে, উপায়ুক্তৰ পৰ্য্যায়লৈকে। অলপ সৰলীকৰণ নকৰিলে মানুহখিনিয়ে ক্ষতিপূৰণবিলাক নাপাব। গতিকে এইখিনি যাতে যোগাত্মকভাৱে চৰকাৰে বিবেচনা কৰে, এইখিনি অনুৰোধ জনাইছো আৰু আমি ভাবো যে, লাগিলে ফাণ্ড অলপমান বেচিকৈ পাওঁক যাতে প্ৰাকৃতিক দুৰ্য্যোগ মোকাবিলা কৰিব পৰাকৈ চৰকাৰ যাতে সক্ষম হয়। এইখিনি আশা ৰাখি এই যিটো কৰ্ত্তন প্ৰস্তাৱ আছিল, সেইটো withdraw কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া যিহেতু সকলোৰে সন্মতি সাপেক্ষে কৰ্ত্তন প্ৰস্তাৱত প্ৰত্যাহাৰ কৰা হৈছে। গতিকে মই গোটেই প্ৰস্তাৱটো অনুমোদনৰ বাবে সদনত দাঙি ধৰিব বিচাৰিছো আৰু এইটো সত্য যে, মই আপোনালোকৰ কথাখিনি share কৰিছো, যথেষ্টখিনি valuable কথা কৈছে, errosion ৰ কথা, irrigation ৰ যিকেইটা কথা কৈছে, মই সেইখিনি বুজি পাইছো। নতুনকৈ এটা বস্তু হৈছে নেকি মই নাজানো, মন্ত্ৰী ডাঙৰীয়াই মোক উত্তৰ দিব নালাগে, মই শুনিছো। আপোনালোকে এটা initiative লৈছে, rubber house তেনেকুৱা। মাজুলীত expriment কৰিছিল নেকি? এটা পৰিয়াল মানে তিনি-চাৰিদিন তাৰ ভিতৰত থাকিব পৰাকৈ ব্যৱস্থা কৰিছে। পানী আহিলে, নাওখনত যেনেকৈ উঠে, তাত উঠি দিলে ভিতৰত থাকিব পৰা গোটেইখিনি ব্যৱস্থা আছে। তেনেকুৱা এটা শুনিছিলো।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** Floating School নদীত দিলে ছয়মাহ যে, বিদ্যালয় পানীৰ কাৰণে বন্ধ হয়, সেইটো এটা concept ল'ব পাৰে।

**মাননীয় অধ্যক্ষ ঃ** সেইটো এটা ভাল পদক্ষেপ। এতিয়া মই প্ৰস্তাৱটো সদনৰ অনুমোদনৰ বাবে দাঙি ধৰিছো। প্ৰস্তাৱটো হৈছে, ২০২০ চনৰ ৩১ মাৰ্চত শেষ হ'বলগীয়া বছৰটোৰ কালছোৱাত প্ৰাকৃতিক দুৰ্য্যোগ সম্পৰ্কীয় কেতবোৰ ব্যয় বহন কৰিবলৈ ভাৰপ্ৰাপ্ত মন্ত্ৰীক ১১২৯৪০.২২ লাখ টকা মঞ্জুৰ কৰিব লাগে। যিসকল মাননীয় সদস্য-সদস্যাই ইয়াৰ সপক্ষে আছে, কওঁক হয়, যিসকল মাননীয় সদস্য-সদস্যাই প্ৰস্তাৱৰ বিপক্ষে আছে, তেওঁলোকে কওঁক নহয়। মই ভাৱো 'হয়ৰ সাক্ষেপে' 'হয়ৰ সাপেক্ষে' 'হয়ৰ সাপেক্ষে' প্ৰস্তাৱটো গৃহীত হৈছে, দাবী মঞ্জুৰী ৪১ গৃহীত হ'ল বুলি মই ঘোষণা কৰিছো। এতিয়া পিছৰ দাবী মঞ্জুৰী ৬৩। ইয়াত দুটা কৰ্তন প্ৰস্তাৱ আছে, এই কৰ্ত্তন প্ৰস্তাৱটো শ্ৰী দেৱব্ৰত শইকীয়া, শ্ৰীআমিনুল ইছলাম আছিল। মাননীয় জলসম্পদ বিভাগৰ মন্ত্ৰীয়ে প্ৰস্তাৱটো উত্থাপন কৰিব লাগে।

**শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মাননীয় মন্ত্ৰী ঃ** মাননীয় অধক্ষ্য মহোদয়, On the recommendation of the Governor of Assam, I beg to move that a sum of rupees 106672.94 lakh be granted to the Minister incharge to defray the charges which will come incourse of payment during the year ending 31st March, 2020 for the Administration of Water Resources.

**শ্ৰীআব্দুল খালেক, জনীয়া ঃ** চাৰ, ইয়াতে লিখা আছে, শ্ৰী কেশৱ মহন্তই উত্থাপন কৰিব। চৰকাৰী পক্ষই লিখিছে।

**মাননীয় অধ্যক্ষ ঃ** I have taken the matter with the Chief Minister. মই আপোনালোকক ইতিমধ্যে কৈছো, তেখেত সকলে সদ্যহতে এজন মন্ত্ৰীক এই বিভাগটো চাবলৈ দি আছে। সেইটোৱে কথা। গতিকে তেখেতক দিছে এতিয়া সদ্যহতে চাবলৈ। সদ্যহতে যে বিধান সভা হ'ল তেতিয়া আমাক জনাইছিলে যে এইকেইজন মন্ত্ৰীয়ে এইকেইদিন বিধান সভাৰ কাৰণে চাব। গতিকে তেখেতৰ হাতত দায়িত্ব দিছে। কৰ্ত্তন প্ৰস্তাৱ আপুনি কৰক।

**শ্ৰী আমিনুল ইছলাম, ধিং ঃ** মাননীয় অধ্যক্ষ মহোদয়,"২০১৯-২০ চনৰ বাজেটৰ ২য় খণ্ডৰ ৫ অংশৰ ৫১-৭৬ পৃষ্ঠাত থকা "জলসম্পদ" শিতানৰ ৬৩ নম্বৰ মঞ্জুৰীৰ বাবে কৰা দাবীৰ ১০৬৬৭২.৯৪ লাখ টকা এটকালৈ হ্ৰাস কৰা হওঁক, অৰ্থাৎ মঞ্জুৰীৰ ১০৬৬৭২.৯৪ লাখ টকা, এটকালৈ হ্ৰাস কৰা হওঁক।" এই কৰ্ত্তন প্ৰস্তাৱটো আমি উত্থাপন কৰিলো।

**মাননীয় অধ্যক্ষ ঃ** আমি কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰা বুলি ভাবিছো।

**শ্ৰীআনোৱাৰ হুছেইন লস্কৰ, হাইলাকাণ্ডি ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি কৰ্ত্তন প্ৰস্তাৱত ক'ব দিয়াৰ বাবে আপোনাক ধন্যবাদ জনাইছো। মই দুআষাৰ কথা কম যে, জলসম্পদ বিভাগ যিটো, সেইটোত এই যিবিলাক টকা ধৰা হৈছে, সেইবোৰ টকা কিন্তু একেবাৰে কম হৈছে। SDRF ত হওঁক, FMP ৰ NABARD ত এইবিলাকত টকাখিনি অলপ বেছিকৈ বঢ়াব লাগে। যি অসমৰ প্ৰত্যেকটো সমষ্টিত erossion খুৱ বেছিকৈ হৈছে আৰু flood হৈছে। এই flood ত যিবিলাক সমষ্টিত মাথাউৰিবিলাক গৈছে, বা erossion হৈছে এইবিলাকত আজিলৈকে কাম হোৱা নাই আৰু সেইবিলাক কাম কেতিয়া হ'ব সেই বস্তুবিলাকে ঠিক কৰা নাই আৰু এইবিলাক বাজেট ধৰি, আছে। এতিয়া পানী অহাৰ সময় হৈছে। সেই কাৰণে এই বাজেটত ধৰা হ'ব, কেতিয়া হ'ব, চৰকাৰে ইমান অৱহেলা কৰি আছে এই গড়াখহনীয়াত। এই গড়াখহনীয়াক যদি এনেকৈ অৱহেলা কৰে, তেতিয়াহ'লে অসমৰ প্ৰত্যেকটো সমষ্টিত, প্ৰত্যেকখন ঠাইত মানুহে আকৌ পানীৰ তলত সোমাব, আকৌ flood আহিব। সেই কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যাতে NABARD ত অলপ টকা ধাৰ্য্য কৰি স্কীমবিলাক বেছিকৈ ল'ব লাগে, SDRF ত ল'ব লাগে, SOPD ত ল'ব লাগে আৰু FMP ৰ যিবিলাক Central Share, এতিয়া লিখা আছে মাননীয় অধ্যক্ষ মহোদয়, ১৩ শ কোটি টকা অসমত পাব লগা আছে, কিন্তু অসম চৰকাৰে এই State Share খিনি নিদিয়াৰ কাৰণে আজি অসম deprive হৈছে। আজি এইবিলাক কাৰণতো অসম চৰকাৰৰ Finance Department ব্যৰ্থ হৈছে কাৰণে এই অৱস্থা হৈছে, এইটো তেওঁলোকে লিখিছে অধ্যক্ষ মহোদয়। সেই কাৰণে মই কেইবাদিনৰ পৰা দেখি আছো, ২০১২ ৰ পৰা মই দেখি আহিছো এইখিনি বস্তুটো গোটেই আগৰ চৰকাৰে যিখিনি কাম কৰি থৈ গৈছিলে, গৈছিলে। কিন্তু এই নতুন চৰকাৰ অহাৰ পিছত আমি ভাবিছিলো তাতকৈ দুগুণ ভাল কাম হ'ব। কিন্তু এতিয়া দেখা পাইছো একোৱেই হোৱা নাই। জলসম্পদ বিভাগ যিটো, প্ৰত্যেকটো সমষ্টিত, মোৰ সমষ্টিৰ কথা ক'লে আজিলৈকে মাননীয় মুখ্যমন্ত্ৰী মহোদয়ে কৈ গৈ আহিছিলে, কিন্তু তাৰ পিছতো আমাৰ কামখিনি হোৱা নাই, flood damage যিবিলাক বৰাকভেলীত হৈছিলে। এইবোৰ কাৰণে মই মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাম, তেওঁলোকৰ চৰকাৰক অনুৰোধ জনাম যাতে অসমৰ যিমান ঠাইত erossion হৈছে, flood damage হৈছে, সেইবোৰ ঠাইত অতি সোনকালে বাজেট ধৰি কামখিনি কৰিব লাগে আৰু এই NABARD তো amount খিনি ভৰাব লাগে, SOPD ত ভৰাব লাগে, কাৰণ erossion কাৰণে বেলেগ এটা ফাণ্ড তৈয়াৰ কৰিব লাগে, চৰকাৰে এটা সিদ্ধান্ত ল'ব লাগে। সেইটো ললে অলপ সুবিধা হ'ব যে, লগে লগে কিবা কৰিব পাৰিব। MNR তো দেখিছো, দুই-তিনি কোটি টকা ধৰে, তেতিয়াহ'লে এইবিলাক কাম কৰি ৰিপিয়াৰিং কাম কেনেকৈ হ'ব ? সেইকাৰণে মাননীয় অধ্যক্ষ মহোদয়, মই আপোনাৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয় আৰু মাননীয় মুখ্যমন্ত্ৰী মহোদয়ক অনুৰোধ জনাম যাতে অসমৰ এই জলসম্পদ বিভাগৰ যিটো পৰিস্থিতি আছে যে ভয়াৱহ ৰূপ লৈছে সেইখিনি কেনেকৈ প্ৰতিৰোধ কৰিব পাৰি, সেই কাৰণে Central Goverment ৰ লগত তেওঁলোকে কথা পাতি অতি সোনকালে এইটো সমাধান কৰিব লাগে যাতে Central

Goverment ৰ বি জে পি চৰকাৰত মাননীয় প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়া আছে, মাননীয় মুখ্যমন্ত্ৰী শ্ৰী সৰ্বানন্দ সোনোৱাল ডাঙৰীয়া আছে, তেওঁলোক দুজনে মিলি যদি অসমক কিবা কৰিব বিচাৰিলেহেঁতেন, পাৰিলেহেঁতেন। কিন্তু আজিলৈকে কৰা নাই। যোৱা পাচঁ বছৰৰ পৰা মই দেখি আহিছো Central Goverment আমাৰ জলসম্পদ বিভাগ ব্যৰ্থ হৈ আছে। আজি অসমত এইযে ১৩শ কোটি টকাৰ পৰা deprive হৈছে ১৬৫ কোটি টকা নিদিয়াৰ কাৰণে তাতকৈ লাজৰ কথা আৰু একো নহয়। মাননীয় অধ্যক্ষ মহোদয়, ১৬৫ কোটি টকা দিলে, ১৩ শ কোটি টকা আহিলেহেতেন কিন্তু এইটো কেনেকৈ চৰকাৰে সমাধান কৰে সেইটাৰে মই কলো। সেইকাৰণে কৈছো, আৰু কিবাকৈ আমাৰ অসমখন deprive কৰিব নালাগে, সেই State Share খিনি ধৰি Central Share খিনি আনিব লাগে। সেইখিনি কৈ মই আপোনাক ধন্যবাদ দিছো মোক দুআষাৰ ক'ব দিয়াৰ বাবে।

**শ্ৰী আব্দুল খালেক, জনীয়া ঃ** মাননীয় অধ্যক্ষ মহোদয়, জলসম্পদ, আমি সম্পদ বুলি কওঁ। কিন্তু আমি যেতিয়া কথা পাতো জলসম্পদৰ তেতিয়া বেছি ভাগ আমি জলসমস্যাৰ কথা পাতো। আমি বানৰ কথা কওঁ, গড়াখহনীয়াৰ কথা কওঁ কিন্তু আজিলৈকে অধ্যক্ষ মহোদয়, মই কোনো চৰকাৰক দোষাৰোপ কৰিব বিচৰা নাই। আমি গড়াখহনীয়াৰ কথা কও অধ্যক্ষ মহোদয়, এই ক্ষেত্ৰত মই কোনো চৰকাৰক দোষাৰোপ কৰিব বিচৰা নাই কিন্তু আমাৰ জলৰাশিক আমি কেনেকৈ সম্পদলৈ ৰূপান্তৰ কৰিব পাৰো , তাৰ পৰা আমি কেনেকৈ ফল পাব পাৰো এই কথাটো আমি চিন্তা কৰিব লাগে অধ্যক্ষ মহোদয়। মই আগতেও বিধায়ক আছিলো, তেতিয়াও এই গুৰুত্বপূৰ্ণ বিষয়টো আমি আলোচনা কৰা দেখা নাছিলো। এতিয়াও ৩ বছৰ হৈ গ'ল কিন্তু জলৰাশিক কেনেকৈ জলসম্পদলৈ ৰূপান্তৰ কৰিব পাৰি , বিকাশ কৰিব পাৰি এই কথাটো আজি যেনেধৰনে আলোচনা হ'ব লাগিছিল হোৱা নাই বা চৰকাৰৰ ভিজনবিলাকত সঠিকভাবে প্ৰতিফলিত হ'ব লাগিছিল হোৱা নাই। আমি ব্ৰহ্মপুত্ৰ উপত্যকাৰ বিধায়কসকলে ব্ৰহ্মপুত্ৰ উপত্যকাৰ কথা কও। আমাৰ এইটো এটা দস্তুৰেই হৈ গৈছে। কিন্তু আমাৰ আৰু এটা উপত্যকা আছে- বৰাক উপত্যকা। আমাৰ মন্ত্ৰী মহোদয়- ভট্টাচাৰ্য ডাঙৰীয়া তেতিয়া অৱশ্যে মন্ত্ৰীৰ দায়িত্বত নাছিলে। আৰু এতিয়াও আমাৰ জলসম্পদ বিভাগৰ মন্ত্ৰী কোন আমি অবগত নহয়। কাৰণ ৩ গৰাকী মন্ত্ৰীৰ পদত্যাগৰ কথাটো স্পষ্ট কৰা নাই। তেখেতসকলে বিৰোধী পক্ষত বহিলেও কিন্তু মন্ত্ৰী হৈ আছেনে নাই সেইটোৰ কোনো Notification এতিয়ালৈকে নাই। যি হওঁক অধ্যক্ষ মহোদয়, সেইটো বেলেগ বিষয়। যোৱাবাৰ বৰাক উপত্যকাত বানপানী হওঁতে মুখ্যমন্ত্ৰী মহোদয়ে ১০০ কোটি টকা ঘোষণা কৰিছিল। মই জানিব পৰা মতে অধ্যক্ষ মহোদয়, জলসম্পদ বিভাগে তাৰ কাৰণে প্ৰয়োজনীয় SOPD প্ৰস্তুত কৰিলে। কিন্তু আজিলৈকে ১০০ কোটি টকা বাদেই দিয়ক ১ টকাও release নকৰিলে। যিহেতু মুখ্য মন্ত্ৰী মহোদয়ে ঘোষণা কৰিছিল , মই আপোনাৰ জৰিয়তে ভাৰপ্ৰাপ্ত মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। মুখ্যমন্ত্ৰী মহোদয়ে যিটো ঘোষণা কৰিছে সেই ঘোষণাটো যাতে কাৰ্যকৰী হয় যাতে বৰাক-ব্ৰহ্মপুত্ৰ দুয়োটা উপত্যকাতে কাৰ্যকৰী হয় সেই বিষয়টো মই দৃষ্টি আৰৰ্ষণ কৰিছো। অধ্যক্ষ মহোদয় বিধান সভাৰ প্ৰথম বাজেট অধিবেশনত চৰকাৰে ব্ৰহ্মপুত্ৰ নদীৰ দুয়োপাৰে Express Highway কৰাৰ কথা কৈছিল। আমি সমূহ বিধায়কেই ৰোমাঞ্চিত হৈছিলো। এতিয়া আঢ়ৈ বছৰ হৈ গ'ল সেই Express Highway কি অগ্ৰগতি হ'ল? Drazer ৰৰ দ্বাৰা খন্দাৰ কথা কোৱা হ'ল। নমামী ব্ৰহ্মপুত্ৰও হ'ল। কিন্তু এক্সপ্ৰেছ হাইৱে নিৰ্মাণৰ কোনো অগ্ৰগতি আমি দেখা নাপালো। অধ্যক্ষ মহোদয়, আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয়ৰ পৰা এই বিষয়টোৰ এটা সঠিক চিত্ৰ কিমান জৰীপ হ'ল, কিমানখিনি ব্ৰহ্মপুত্ৰ খান্দিলে,

কিমান ড্ৰেজাৰ লগোৱা হ'ল, Express Highwayটো বাস্তৱত কেতিয়ালৈ সম্পন্ন হ'ব, দিঠকত পৰিনত হ'ব, সেই বিষয়ে যদি মন্ত্ৰী মহোদয়ে সদনত জনায় আমি নিশ্চিতভাৱে সুখী হ'ম। নমামী ব্ৰহ্মপুত্ৰ উৎসৱ বাঘবৰতো অনুষ্ঠিত হৈছিল। আমি বিৰোধী পক্ষও সেই উৎসৱত যোগ দিছিলো। তাতো Express Highway নিৰ্মানৰ কথাটো উল্লেখ কৰিছিল। ব্ৰহ্মপুত্ৰ গড়াখহনীয়া ফলত আমাৰ ৰাজনৈতিক- সামাজিক সমস্যা জড়িত হৈ আছে। যদিও বিদেশী নাগৰিকৰ সমস্যা এটা ৰাজনৈতিক বিষয় কিন্তু এই বিষয়টোৰ লগত ব্ৰহ্মপুত্ৰও জড়িত হৈ আছে। কাৰণ প্ৰতি বছৰে গড়খহনীয়াত অগনন লোক গৃহ হাৰা হয়। তেওলোকে কামৰ সন্ধানত নগৰ, চহৰ অঞ্চললৈ বা অসমৰ বাহিৰলৈ ঢাপলি মেলে আৰু তেওলোকে যদি সেই ঠাইলৈ কামৰ সন্ধানত যায় তেওলোকৰ মাত কথাই হওঁক বা সাজ পোছাকৰ বাবেই হওক এটা বিশেষ জনগোষ্ঠীৰ নাগৰিকত্বক লৈ এটা প্ৰস্তাৱ উত্থাপিত হয়। তেওলোকৰ ওপৰত কেতিয়াবা কেতিয়াবা হাৰাশাস্তি হয় আৰু সেই কাৰণে আমি যদি ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে এক্সপ্ৰেছ হাইৱে নিৰ্মাণ কৰিব পাৰো এই সমস্যাটো বহু পৰিমানে নাইকীয়া হ'ব। আমাৰ ৰাজনৈতিক সমস্যা নাইকীয়া হ'ব, আমাৰ সামাজিক সমস্যা নাইকীয়া হ'ব, মনঃস্তাত্তিক সমস্যাও লাঘৱ হ'ব। কাৰণ বিদেশী প্ৰশ্নটো অকল ৰাজনৈতিক সমস্যাই নহয় ই আমাৰ মনঃস্তত্তকো আঘাত কৰি থাকে। সাতামপুৰুষীয়া সম্প্ৰীতিত আঘাত কৰি থাকে। সেই কাৰণে, এই প্ৰশ্নটো অতি জৰুৰী অধ্যক্ষ মহোদয়। অধ্যক্ষ মহোদয়, মই দীঘলীয়াকৈ ক'ব বিচৰা নাই, এই সদনতে জলসম্পদ বিভাগৰ প্ৰশ্নৰ উত্তৰত কৈছিল অধ্যক্ষ মহোদয়, যে মাজুলী আমাৰ স ৰ্ব্বাধিক অগ্ৰাধিকাৰত থাকিব লাগিব। কিন্তু অধ্যক্ষ মহোদয়, একেসময়তে গৰাখহনীয়াৰ লগত জড়িত কাৰণে উল্লেখ কৰিছো বৰপেটাৰ কীৰ্ত্তন ঘৰ মাধব দেবে স্থাপন কৰা , সেই কীৰ্ত্তন ঘৰক গড়াখহনীয়াই প্ৰত্যাহ্বান সৃষ্টি কৰিব নোৱাৰে, জনিয়া সত্ৰত যাতে গৰাখহনীয়াই প্ৰত্যাহ্বান সৃষ্টি কৰিব নোৱাৰে , মইনবৰী সত্ৰ ইতিমধ্যে ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গ'ল, কণৰা সত্ৰৰ প্ৰতি প্ৰত্যাহ্বান সৃষ্টি হৈছে। এই প্ৰত্যাহ্বানবিলাক যাতে আহিব নোৱাৰে তাৰ কাৰণে অধ্যক্ষ মহোদয় এক দীৰ্ঘম্যাদী এক পৰিকল্পনা প্ৰস্তুত কৰিব লাগিব। সত্ৰৰ মাটি যেনেদৰে আমি বেদখল কৰিব নোৱাৰো তেনেদৰে একে সময়তে আমাৰ সত্ৰ, দেৱস্থানসমূহো গড়াখহনীয়াৰ ফলত যাতে নদীত বিলীন হৈ নাযায় তাৰ ব্যৱস্থা আমি কৰিব লাগে। পিচত যাতে কোনো ৰাজনৈতিক বা অইন বিতৰ্ক সৃষ্টি নহয় তাৰ বাবে বিষয়টো আপোনাৰ জৰিয়তে মন্ত্ৰী মহোদয় আৰু চৰকাৰৰ দৃষ্টি আকৰ্ষণ কৰিছো। অধ্যক্ষ মহোদয় মোৰ সমষ্টিৰ এখন নদী, নাম হ'ল 'বেকী'। ইয়াক নামনি অসমৰ 'চকুলো ' বুলি কোৱা হয় যিদৰে হোৱাংহোক কোৱা হয় চীনৰ চকুলো। সেই কাৰণে সদনত বেকী নদীৰ গড়াখহনীয়াৰ এই বিষয়টো আগতেও আলোচনা হৈছে। আমাৰ বৰপেটা আৰু বাক্সা জিলাৰ কেইবা গৰাকী বিধায়ক ইয়াৰ লগত জড়িত হৈ আছে। সৰু নদী হ'লেও খৰস্ৰতা নদীবিলাকে আজি বানপানীৰ সময়ত তাণ্ডৱৰ সৃষ্টি কৰি আহিছে। আমাৰ Water Resource Department ৰ অধীনত Technical Advisory Committee ত ৪০০ কোটি টকাৰ প্ৰস্তাৱ এটা দাখিল কৰা হৈছিল। যি কাৰণতে হওক অধ্যক্ষ মহোদয় সেই প্ৰস্তাৱটো গৃহীত নহ'ল। বৰ্ত্তমান চৰকাৰৰ দিনতো সেই প্ৰস্তাৱ Central Water Commissionলৈ প্ৰেৰণ কৰা হৈছিল। তেওলোকে আহি চৰজমিন তদন্ত কৰিলে। কিন্তু সৰভোগ সমষ্টিৰ বিধায়ক মহোদয় আৰু মই নিজে চেষ্টা কৰাৰ পিছতো আজিলৈকে বেকী আৰু মানাহ নদীৰ সংহত প্ৰকল্পটো বাস্তাৱায়িত হোৱা নাই। অধ্যক্ষ মহোদয়, Central Water Commissionলৈ যিখিনি প্ৰস্তাৱ আমি পঠিয়াও সেইখিনি কিবা কাৰণত ত্ৰুটি থাকিব পাৰে যাৰ ফলত আমি বিমুখ হ'বলগীয়া হও। এই বিষয়টো সম্পৰ্কে আমাৰ ডি আৰ এচ চি , ৱৰ্কচ কমিটিতো

আলোচনা হৈছিল। Central Water Commissionৰ এটা Head Office আমাৰ অসমতো স্থাপন কৰাটো অত্যন্ত জৰুৰী হৈ পৰিছে অধ্যক্ষ মহোদয়। এই বিষয়টো চৰকাৰে নিজাববীয়াকৈ টেক আপ কৰিব লাগে অধ্যক্ষ মহোদয়। তাৰ বাবে সৰ্ব্বদলীয় কমিটি প্ৰয়োজন হ'লে গঠন কৰক অধ্য্ক্ষ মহোদয়। মই আকৌ বেকীৰ কথা ক'ম অধ্যক্ষ মহোদয়, যিখনে প্ৰতি বছৰে তাণ্ডৱ সৃষ্টি কৰে অধ্যক্ষ মহোদয়। মোৰ সমষ্টিৰ বাৰডঙ্গা Adjoining Area ইয়াত ৮ কোটি টকাৰ প্ৰস্তাৱ এটা চৰকাৰলৈ কেতিয়াবাই গৈছিল। Central Water Commission বিষয়টো আলোচনা হৈয়ে পৰি ৰ'ল আজিলৈকে কাৰ্য্যকৰী হোৱা নাই। অধ্যক্ষ মহোদয়, আপুনি যেতিয়া ৰ্ৰক্‌ছ কমিটিৰ সভাপতি আছিলে তেতিয়া আমি ৰিকোমেণ্ডেশ্যন পঠিয়াইছিলো - যে, D RD A ৰ লগত Rural Development ৰ লগত Water Recource ৰ এটা Co ordination Committee হ'ব লাগে। আমাৰ এই ৰিক'মেণ্ডেশ্যনটো অধ্যক্ষ মহোদয় বাস্তৱত ৰূপায়িত হৈছিল। এই recommendation ৰ কাৰণে আমাৰ যিটো District Level Coordination কমিটি হোৱাৰ ফলত বৰপেটা জিলাত NREGA ৰ পুঁজিৰে ভালেখিনি বান নিয়ন্ত্ৰণৰ কাম আমি কৰিবৈলৈ আমি সক্ষম হৈছিলো। আন বিভাগৰ লগতো আমি যদি জলসম্পদ বিভাগক কো অৰ্ডিনেশ্যনত আনিব পাৰো তেতিয়াহ'লে ভাল হ'ব। জলসম্পদ বিভাগৰ বেছিভাগ আঁচনিয়েই এচ ডি আৰ এফ বা এফ ডি আৰ আঁচনিৰ ওপৰত নিৰ্ভৰ কৰিবলগীয়া হয়। জলসম্পদ বিভাগৰ যদিও আমি কৰ্ত্তন প্ৰস্তাৱ উত্থাপন কৰিছো অধ্যক্ষ মহোদয়, আমি পৰ্য্যাপ্ত পুঁজি দিব লাগে। অধ্যক্ষ মহোদয়, পৰ্যাপ্ত পুঁজি দিব লাগে, কাৰণ কৰবাত বানপানীয়ে ক্ষতিগ্ৰস্ত নকৰিবও পাৰে। নতুন মথাউৰী অধ্যক্ষ মহোদয়, দৰকাৰ আছে, নতুন বান্ধৰ দৰকাৰ আছে কিন্তু FDRFৰ পুঁজিৰ ওপৰত নিৰ্ভৰ কৰি এটা বিভাগ চলিব নোৱাৰে। সেই কাৰণে মই ভাৱো যে জলসম্পদ বিভাগক পৰ্যাপ্ত পুঁজি দিয়াৰ প্ৰয়োজনীয়তা আছে। অধ্যক্ষ মহোদয়, আৰু এটা প্ৰস্তাৱ বিভাগলৈ প্ৰেৰণ কৰা হৈছে, নতুন মন্ত্ৰী মহোদয়ৰ হয়তো গোটেইখিনি মনত নাই, কিন্তু মই হাউচত উল্লেখ কৰিছো বৰপেটাৰ Adjoining Area মানুহৰ ফলত ক্ষতি গ্ৰস্থ হৈছে। গতিকে সেই আঁচনিটো এতিয়ালৈকে একো হোৱা নাই অধ্যক্ষ মহোদয়, সেয়ে মই মন্ত্ৰী মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। আমাৰ বহু উপনৈ মই যদিও বেকীৰ কথা উল্লেখ কৰিছো, মানহৰ কথা উল্লেখ কৰিছো, কিন্তু প্ৰতিখন জিলাত তেনেকুৱা উপনৈ আছে যিবোৰে আমাৰ সমস্যাৰ সৃষ্টি কৰিছে। নলবাৰী জিলাৰ পাগলাদিয়াই হওঁক, আমাৰ বৰপেটা জিলাৰ চাউলখোৱাই হওঁক, কালদিয়াই হওঁক, আই নদীয়ে হওঁক এইবিলাকে আমাৰ সমস্যাৰ সৃষ্টি কৰিছে। গতিকে মন্ত্ৰী মহোদয়ে আৰু চৰকাৰে বিষয়টো ভালকৈ চাই কেনেকৈ আমি সমস্যাৰ পৰা পৰিত্ৰান পাব পাৰো সেইটো চিন্তা কৰিব লাগে। অধ্যক্ষ মহোদয়, আগৰ যিটো আমাৰ আলোচনা আছিল তাত মই অলপমান উল্লেখ কৰিছো, গড়াখহনীয়াত যি সকল লোকে সৰ্বস্ব্য হেৰুৱাই, যিসকলৰ ঘৰ-দুৱাৰ নাইকিয়া হৈ যায়, গৃহহাৰা হৈ যায় তেওঁলোকে যিটো Natural Calamity ৰ সুবিধা সেই সুবিধাটো নাপায়। সেইবিষয়টো চৰকাৰে Take Up কৰিব লাগে। কেনেকৈ কৰে অধ্যক্ষ মহোদয় মডেলিটিছটো, কাৰণ সদায় মডেলিটিছ, আইন এইবোৰ মানুহৰ স্বাৰ্থত হ'ব লাগে। গতিকে যিটো গাইড লাইনে Allow নকৰে, আমি ভাৰত চৰকাৰক পতিয়ন নিয়াব লাগে, দৰকাৰ হলে আপোনাৰ নেতৃত্বত সৰ্বদলীয়া দল গৈ আমি ভাৰত চৰকাৰক পতিয়ন নিয়াব লাগিব। অধ্যক্ষ মহোদয়, এই বিভাগে এইবাৰৰ বাজেটত যিমান গুৰুত্ব পাব লাগিছিল সিমান গুৰু ত্ব পোৱা মই দেখা নাই। এই বিভাগটো আমাৰ যথেষ্ট গুৰুত্বপূৰ্ণ বিভাগ আৰু গড়াখহনীয়াৰ সমস্যা যেতিয়ালৈকে সমধান নহয় তেতিয়ালৈকে আমাৰ জাতীয় অৰ্থনীতি, আমাৰ ৰাইজৰ অৰ্থনীতি সৰলভাৱে উত্থাপন হ'ব

নোৱাৰে। আমাৰ ৰাজ্যৰ অৰ্থনীতিক সৰল হ'বলৈ হ'লে গড়াখহনীয়াৰ সমস্যাটো আমি নাইকিয়া কৰিব লাগিব আৰু আমাৰ যিবোৰ মাটি ব্ৰহ্মপুত্ৰ বা নৈ-উপনৈ সমূহৰ বুকুত জাহ যায়, ইয়াত ৰাজহ মন্ত্ৰী ডাঙৰীয়াও আছে, আমি সেই মাটিখিনি কেনেকৈ Reclean কৰিব পাৰো, সেই মাটিখিনিক উদ্ধাৰ কৰি আমি কি ধৰণে কামত ব্যৱহাৰ কৰিব পাৰো, যদিও জলসম্পদ বিভাগৰ আলোচনা কৰি আছো আমি সংসদ নীতি এটা তৈয়াৰ কৰিব লাগিব। তেতিয়া মই ভাৰো যে আমাৰ সমস্যাটো সমধান হ'ব। অধ্যক্ষ মহোদয়, মই দীঘলীয়া কৰিব খোজা নাই, আকৌ আপোনাৰ জৰিয়তে মই চৰকাৰক অনুৰোধ কৰিছো, প্ৰকৃতাৰ্থত জলসম্পদ বিভাগক সম্পদ হিচাপে গণ্য কৰক, ৰিচো'ৰ্জ হিচাপে গণ্য কৰক। ইয়াক সমস্যা হিচাপে গণ্য নকৰিব এইখিনি কৈ মোক কবলগাখিনি সামৰিছো, ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, ইয়াৰ পিছত ৰমেন্দ্ৰ নাৰায়ণ কলিতা।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** মাননীয় অধ্যক্ষ মহোদয়, জলসম্পদ বিভাগটো মই ভাৰো যে আটাইতকৈ গুৰুত্ব পূৰ্ণ বিভাগ আৰু এই বিভাগটোৱে অসমৰ অৰ্থনৈতিক আৰু সামাজিক দিশত যথেষ্ট প্ৰভাৱ পেলাই। সেই কাৰণে ব্ৰহ্মপুত্ৰৰ বান আৰু গড়াখহনীয়া সমস্যাটোৱে আজি অসমৰ জনসাধৰণক যথেষ্ট জুৰুলা কৰি পেলাইছে। সেই কাৰণে বিশেষ ভাৱে আমি যদি চাওঁ যে ভাৰতবৰ্ষ স্বাধীন হোৱাৰ পিছৰে পৰা ব্ৰহ্মপুত্ৰ আৰু ইয়াৰ উপনৈ সমূহৰ ক্ষেত্ৰত যি ধৰণে বাস্তৱ দৃষ্টিভংগি লৈ আগবাঢ়িব লাগিছিল তেনেধৰণে সু-নিৰ্দ্দিষ্ট বাস্তৱ দৃষ্টিভঙ্গি নোলোৱাৰ কাৰণে আজি এই সমস্যাটোৱে অতি ভয়ংকৰ সমস্যা হিচাপে দেখা দিছে বা পৰিগনিত হৈছে। বিশেষভাৱে এই সমস্যাটো সমাধানৰ ক্ষেত্ৰত আজি যি ধৰণে পৰ্যাপ্ত পৰিমাণৰ পুঁজি ইয়াত আৱন্টন দিব লাগিছিল আজি তেনেধৰণে পৰ্য্যাপ্ত পুঁজি ব্ৰহ্মপুত্ৰৰ বান সমস্যা আৰু গড়াখহনীয়াৰ সমস্যাটোৰ সমধানৰ ক্ষেত্ৰত তেনেধৰণে পুঁজি আৱন্টন দিয়া হোৱা নাই। সেই বাবে বিশেষভাৱে ৰাজ্য চৰকাৰে বিভিন্ন আমাৰ যি Agency আছে, সেই Agency সমূহৰ পৰাও আজি যদিও এই সমস্যাটো সমধানৰ ক্ষেত্ৰত পুঁজি লৈছে তথাপিটো সেই পুঁজি পৰ্য্যাপ্ত নহয়। সেই কাৰণে বিশেষ ভাৱে কেন্দ্ৰীয় চৰকাৰক অসমৰ বিভিন্ন দল- সংগঠন সমূহে দাবী জনাই আহিছে যে কেন্দ্ৰীয় চৰকাৰে এই সমস্যাটোক ৰাষ্ট্ৰীয় সমস্যা হিচাপে গণ্য কৰিব লাগে আৰু ৰাষ্ট্ৰীয় সমস্যা হিচাপে গণ্য কৰি কেন্দ্ৰীয় চৰকাৰে এই সমস্যাটো সমধানৰ ক্ষেত্ৰত এটা বহল দৃষ্টি ভঙ্গী লৈ আগবঢ়িব লাগে। কিন্তু দুৰ্ভাগ্যৰ কথা এতিয়ালৈকে কেন্দ্ৰীয় চৰকাৰে এই সমস্যাটো ৰাষ্ট্ৰীয় সমস্যা হিচাপে গণ্য কৰা নাই আৰু ঘোষণাও কৰা নাই। সেই কাৰণে আজি বিশেষকৈ বানপানীৰ সমস্যা আৰু গড়াখহনীয়াৰ সমস্যাটো আজি যি ভাৱে সমধান হ'ব লাগিছিল তেনেধৰণে এই সমস্যাটো সমধান হোৱা নাই। কিন্তু বিগত আঢ়ৈটা বছৰত বিজেপিৰ মিত্ৰ জোটৰ চৰকাৰ হোৱাৰ পিছত মই এটা কথাই প্ৰত্যক্ষ কৰিছো যে এইখন চৰকাৰে বিশেষ ভাৱে আমাৰ যিজন তদান্তিন জলসম্পদ বিভাগৰ মন্ত্ৰী তেখেতে এই সমস্যাটো সমধানৰ ক্ষেত্ৰত কেত বোৰ বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছিল। তেনেধৰণে বিশেষ ব্যৱস্থা গ্ৰহণ কৰাৰ কাৰণে মই কোৱা নাই, আংশিক ভাৱে কিছু সফলো হৈছিল। বিশেষ ভাৱে আজি ব্ৰহ্মপুত্ৰ নদীৰ যিটো খনন কাৰ্য্য এই খনন কাৰ্যটো এটা উল্লেখযোগ্য ব্যৱস্থা বুলি মই গণ্য কৰিছো। বিশেষ ভাৱে আমাৰ বৰাক উপত্যকা আৰু ব্ৰহ্মপুত্ৰ উপত্যকাত আজি Dredgingৰে যি খনন কাৰ্যৰ কথা এই চৰকাৰে কৈছিল ইতিমধ্যে বৰাক উপত্যকাত এই কাম সম্পূৰ্ণ হোৱাৰ পথত। কিন্তু ইতিমধ্যে যদিও এই Dredgingটো সম্পূৰ্ণ হৈছে, ইতিমধ্যে বিভিন্ন বাতৰি কাকত যোগে এটা কথা প্ৰচাৰ হৈছে, সেইটো মাননীয় মন্ত্ৰী মহোদয়ে নিশ্চয় এই ক্ষেত্ৰত উল্লেখ কৰি এই কথাখিনি নিশ্চয় কব যে Dredging কৰি যিটো

খনন কাৰ্য্য কৰা হ'ল, সেইটো ইতিমধ্যে যিখিনি বালি তেওঁলোকে তাৰ পৰা স্থানন্তৰ কৰিব লাগিছিল, নকৰাৰ কাৰণে বালি খিনি কাষত ৰখাৰ কাৰণে আকৌ নদীত বালিখিনি আহি আকৌ পোত খাই যোৱা বুলি ইতিমধ্যে বিভিন্ন বাতৰি কাকতত পৰিৱেশন হৈছে। কিমানবোৰ সচা মই নাজানো। কাৰণ মই নিজেও চাব যোৱা নাই, কিন্তু Electronic Media আৰু বিভিন্ন বাতৰি কাকতৰ মাধ্যমেৰে এই কথাটো গম পাইছো।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ** এক মিনিট, অধ্যক্ষ ডাঙৰীয়া, মই এটা কথা কওঁ মাননীয় সদস্য গৰাকীয়ে যিখিনি কথা সুধিছে সেইটো Water Resource বিভাগৰ নহয়, সেইটো হ'ল Inland Water Transport বিভাগৰ। গতিকে বৰাকৰ ইতিমধ্যে Dredging সম্পূৰ্ণ হৈছে, বালিৰ কথাটো আছে। গতিকে সেইটো প্ৰশ্ন আপুনি কৰিলে তেখেতে উত্তৰ দিব নোৱাৰিব।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে, এইটো হ'ব। তেখেতে Zero Hourত দি দিব মই allow কৰিম।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** ঠিক আছে, অধ্যক্ষ মহোদয়, এই বিষয়ে মই পিছত সেই বিভাগকে সুধিম।

**শ্ৰী কমলাক্ষ্য দে পুৰকাস্থ ঃ** অধ্যক্ষ মহোদয়।

**মাননীয় অধ্যক্ষ ঃ** দুয়োজনে Zero Hourত উত্তৰ দিব।

**শ্ৰী কমলাক্ষ্য দে পুৰকাস্থ ঃ** অধ্যক্ষ মহোদয়, এটা বস্তু মন্ত্ৰী মহোদয়ে ভালেই কৈছে, কিন্তু ৰাতিপুৱা মন্ত্ৰী মহোদয়েও ভুলকৈ কিবা কৈছে। এইটোৰ কাৰণে আমি যেতিয়া কথা বিলাক কওঁ, প্ৰত্যেকে যাতে শুদ্ধকৈ কওঁ, সেইটোৱে কথা।

**মাননীয় অধ্যক্ষ ঃ** সবেই ন, Including Kmalakshya Dey Purkayastha.

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** যিয়েই নহওঁক যিটো বৰাক উপত্যকাৰ খনন কাৰ্য হৈ আছে সেই কথাটো যাৰেই নহওঁক সেইটো আপোনাৰ মাধ্যমেৰে স্কোপ পাওঁ নে নাপাওঁ সেই কথাখিনি অৱগত কৰি ৰাখিলো।

**মাননীয় অধ্যক্ষ ঃ** ঠিক আছে।

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা ঃ** ইতিমধ্যে আমাৰ ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে Express Highway ৰ যিটো সিদ্ধান্ত সেইটো এটা ভাল সিদ্ধান্ত হৈছে। কিন্তু এই সিদ্ধান্ত বিলাক কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত প্ৰকৃতাৰ্থত কি দৃষ্টিভঙ্গি লৈছে আৰু যিটো Express Highway হ'ব ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে শদিয়াৰ পৰা ধুবুৰীলৈকে আৰু সেই কামটো যদি সম্পূৰ্ণ হয় নিশ্চয় এইটো এটা উল্লেখযোগ্য কাম হ'ব বুলি মই বিবেচনা কৰিছো। কিন্তু ইয়াৰ কাৰ্যকৰী কৰাৰ ক্ষেত্ৰত কি ধৰণৰ ব্যৱস্থা গ্ৰহণ কৰিছে? কেতিয়াৰ পৰা Express Highway ৰ কাম আৰম্ভ হ'ব বা তাৰ যিখিনি preliminary ৰ প্ৰাথমিক পৰ্য্যায়ৰ কাম সেই কামখিনি প্ৰকৃতাৰ্থত সম্পূৰ্ণ হ'ল নে নহ'ল? আৰু এই Express Highway টো প্ৰকৃতাৰ্থত হব নে নহয় এই কথাখিনি যদি সদনত মাননীয় মন্ত্ৰী মহোদয়ে, অৱগতে কৰে তেতিয়া হলে নিশ্চয় আমাৰ ৰাইজ এই ক্ষেত্ৰত স্পষ্ট হব আৰু বিশেষভাৱে আমাৰ আজিৰ অসমৰ যদি উল্লেখযোগ্য সমস্যা মই আগতে কৈছো বানপানীৰ সমস্যা আৰু গড়া খহনীয়াৰ সমস্যা আৰু অসমত ইতিমধ্যে প্ৰায় ৪ লাখতকৈ অধিক হেক্টৰ মাটি ইতিমধ্যে ব্ৰহ্মপুত্ৰৰ বুকুত জাহ গৈছে। গতিকে আজি ৪ লাখ হেক্টৰ মাটি, অসমৰ ভূমি, ব্ৰহ্মপুত্ৰৰ লগত জাহ গৈছে। গতিকে আমাৰ যদি বিশেষভাৱে চৰকাৰখনে যদি গড়া খহনীয়াৰ ক্ষেত্ৰত সঠিক পদক্ষেপ নলয়, তেনেহলে বৰ্তমান আৰু ভৰিষ্যতেও আৰু অধিক মাটি ব্ৰহ্মপুত্ৰত জাহ যোৱাৰ সম্পূৰ্ণ সম্ভাৱনা আছে। কাৰণ

ইতিমধ্যে গড়াখহনীয়া অব্যাহত আছে। গতিকে সেই ক্ষেত্ৰত আমাৰ বৈজ্ঞানিক পদ্ধতিৰে কি ভাৱে এই গড়াখহনীয়া প্ৰতিৰোধ কৰিব পৰা যায় সেইটো অলপ Scientific method ত কি ধৰণে কৰিব পৰা যায়, চীনৰ হোৱাংহো নদী যদি দুখৰ নদী, সুখৰ নদী হব পাৰে তেনেহলে আমাৰ ব্ৰহ্মপুত্ৰখন দুখৰ নদীৰ পৰা সুখৰ নদীলৈ ৰূপান্তৰিত কৰাৰ ক্ষেত্ৰত যদি চৰকাৰৰ আন্তৰিকতা আছে নিশ্চয় এই ক্ষেত্ৰত এইখন নদীও সুখৰ নদী হিচাপে আমি নিশ্চিয় পৰিগণিত কৰিব পাৰিম আৰু তাৰ কাৰণে প্ৰয়োজন হলে মই ভাবো যে ভাৰতবৰ্ষৰ বাহিৰৰ পৰা হলেও expert আনক, expert আনি হলেও গোটেই আমাৰ ব্ৰহ্মপুত্ৰৰ যিটো সমস্যা এই সমস্যাটো অধ্যয়ন কৰি তেওঁলোকৰ পৰাও যদি এই ক্ষেত্ৰত পৰামৰ্শ গ্ৰহণ কৰে আমাৰ NABRD আছে, World Bank আছে, বিভিন্ন বিত্তীয় প্ৰতিষ্ঠান আছে, প্ৰয়োজন হলে আজি NABRD, World Bank ৰ লগত আলোচনা কৰি হলেও এই সমস্যাটোৰ সঠিক সমাধানৰ ক্ষেত্ৰত পুঁজি লোৱাৰ ক্ষেত্ৰটো মই মাননীয় অধ্যক্ষ মহোদয়ৰ জৰিয়তে মাননীয় মন্ত্ৰী মহোদয়ক অনুৰোধ জনাব বিচাৰিছো। আজি বিশ্বৰ ভিতৰত ১খনে নদী দ্বীপ আমাৰ সেইখন হৈছে মাজুলী। মাজুলীটো সম্পূৰ্ণভাৱে Protection হোৱাটো আমি বিচাৰো। কাৰণ আমাৰ বিশ্বৰ ভিতৰত এখনে নদী দ্বীপ আছে, গতিকে সেইটোৰ ক্ষেত্ৰত হয়, আজি মাননীয় মুখ্যমন্ত্ৰী তাৰে জন-প্ৰতিনিধি মই নকওঁ যে মুখ্যমন্ত্ৰী হৈ তেখেতে মাজুলিটো ৰক্ষণাবেক্ষণ সুৰক্ষাৰ ক্ষেত্ৰত তেখেতে অগ্ৰাধিকাৰ ভিত্তিত কাম নকৰিব। মাননীয় অধ্যক্ষ মহোদয়, কৰিব লাগিব, কাৰণ মাজুলীটো সুৰক্ষিত কৰাৰ দায়িত্ব অকল এজন ৰাইজৰ প্ৰতিনিধিৰ নহয় আমাৰ অসমৰ সকলো কেইজন প্ৰতিনিধিৰে মই ভাবো এইটো এটা নৈতিক দায়িত্ব আছে। আৰু সেই নৈতিক দায়িত্ব সহকাৰে মই মাননীয় মন্ত্ৰী মহোদয়ক কৈছো যে মাজুলিৰ Protection ৰ কাৰণে যিকোনো ব্যৱস্থা গ্ৰহণ কৰিলেও আমাৰ কোনো আপত্তি নাথাকিব, সেইখন সুৰক্ষিত কৰিব লাগিব। ঠিক তেনেকৈ আমাৰ অসমৰ বিভিন্ন জিলাত অকল ব্ৰহ্মপুত্ৰই নহয়, আজি ইয়াৰ উপ-নৈ বিলাকৰো যি এটা ভংয়কৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। সেই পৰিস্থিতিৰ পৰাওঁ আমি উপ-নৈ সমূহকো কি ভাৱে Protection কৰিব পাৰোতাৰো বৈজ্ঞানিক পদ্ধতিৰে চিন্তা-চৰ্চা কৰিব লাগিব। উপনৈ বিলাক ভালদৰে খনন কৰি যদি সুৰক্ষিত কৰি ৰাখিব পাৰো, তেতিয়া হলে নিশ্চয় এই সমস্যাটোৰ কিছু সমাধান হব আৰু তাৰ লগে লগে মাননীয় মন্ত্ৰী মহোদয়ক এটা কথা কব বিচাৰিছো যে মঠাউৰিৰ যিটো System, এই মঠাউৰি System টোৱে কিছু অংশ ৰক্ষা কৰিছে আৰু কিছু অংশ বিধস্ত হৈছে। এই মঠাউৰি System টো প্ৰকৃতাৰ্থত অসমত গ্ৰহণ যোগ্য হয় নে নহয় বা মঠাউৰিটো যদি আমি নাৰাখো তেতিয়া হলে অসমৰ এই ব্ৰহ্মপুত্ৰৰ বানপানীৰ যিটো সমস্যা এই সমস্যাটো লাঘৱ হব নে ইয়াতকৈ অধিক হব এই কথাবিলাক কিন্তু বৰ্তমান সময়ত অলপ অনুসন্ধান বা পৰীক্ষা মূলক ভাৱে কিছু চোৱাৰ যদি ব্যৱস্থা গ্ৰহণ কৰে তেতিয়া হলে মই ভাবো যে কিছু হয়টো আমি তেনেধৰণে সফল হোৱাৰ এটা সম্ভাৱনা আছে। মই নেজানো মই টেকনিকেল মানুহ নহয়, মোৰ যিটো চিন্তা ধাৰা এই চিন্তা ধাৰাৰ পৰা যে মঠাউৰি পদ্ধতিটো বৰ্তমান এই অসমত প্ৰয়োজ্য হব নে নহয়, বা আমি এই মঠাউৰি সমূহ ৰাখিলে আমাৰ কি অৱস্থা হব, নাৰাখিলে কি অৱস্থা হব তাৰো এটা কিন্তু অধ্যয়ন কৰাটো মই উচিত বুলি বিবেচনা কৰিছো। ইয়াৰ লগে লগে বৰাক উপত্যকাটো দেখিছো যে প্ৰতি বছৰে যিটো বানৰ সংহাৰ হয় আৰু যি ধৰণে গড়াখহনীয়া হৈছে, আজি বৰাক উপত্যকাটো আমি নিশ্চয় সুৰক্ষিত কৰিব লাগিব আৰু তাৰ কাৰণে অৱশ্যে পৰিবহণ বিভাগে যিটো খননৰ কথা কৈছে। তাৰ ফলত আমি কিমান সুফল লাভ কৰিব পাৰিম যদিও এইটো পৰিবহণ বিভাগৰ কথা তথাপিটো এইটো কিন্তু বানপানীৰ গড়াখহনীয়াৰ লগতো কিন্তু জড়িত থকা এটা কথা। গতিকে, আমি অহা বাৰিষাত আমি ইয়াৰ ফলত

কিমানখিনি উপকৃত হৈছো সেই ক্ষেত্ৰত আমি নিশ্চিয় আগন্তুক বাৰিষাত কিছু হলেও এই ক্ষেত্ৰত গম পাম।

**মাননীয় অধ্যক্ষ ঃ** Try to conclude.

**শ্ৰী ৰমেন্দ্ৰ নাৰায়ণ কলিতা (মাননীয় সদস্য) ঃ** মাননীয় অধ্যক্ষ মহোদয়, এতিয়া আমাৰ বিশেষভাবে ৰাজ্য চৰকাৰে এটা সিদ্ধান্ত লব লাগে, যে কেন্দ্ৰীয় চৰকাৰে অসমৰ ক্ষেত্ৰত এই সমস্যাটো এটা গুৰুত্বপূৰ্ণ সমস্যা হিচাবে গণ্য কৰি এই সমস্যাটো এটা ৰাষ্ট্ৰীয় সমস্যা হিচাপে যাতে কেন্দ্ৰীয় চৰকাৰে আনুষ্ঠানিক ভাবে ঘোষণা কৰে তাৰ বাবে মই বিশেষভাবে আপোনাৰ জৰিয়তে আমাৰ ভাৰপ্ৰাপ্ত নতুন জলসম্পদ বিভাগৰ মন্ত্ৰীক মই আপোনাৰ জৰিয়তে অনুৰোধ ৰাখিলো। ধন্যবাদ।

**মাননীয় অধ্যক্ষ ঃ** ধন্যবাদ, এতিয়া মাননীয় সদস্য শ্ৰী ইমানুৱেল মছাহাৰী।

**শ্ৰী ইমানুৱেল মুছাহাৰী (মাননীয় সদস্য) ঃ** মাননীয় অধ্যক্ষ মহোদয়, আজি কৰ্তন প্ৰস্তাৱৰ বিৰোধীতা কৰি দুষাৰ বক্ত্যৱ ৰাখিব বিচাৰিছো। বিশেষকৈ আমি জানো যে উত্তৰ পূৰ্বাঞ্চলৰ যি Geo climatic conditions যি ধৰণৰ, ইয়াত সঘনাই বানপানী, ভূমিকম্প আৰু তেনেকৈ গড়াখহনীয়া আদি সমস্যা সমূহৰে জৰ্জৰিত আমাৰ অসম আৰু ইয়াৰ প্ৰতিহীতৰ কাৰণে জলসম্পদ বিভাগটো অতি গুৰুত্বপূৰ্ণ বিভাগ বুলি আমি ভাবো আৰু নিশ্চয় ইয়াৰ গুৰুত্ব বুজি আজি আমাৰ কাৰ্য্য উপদেষ্ঠা সমিতিৰ বৈঠকত জলসম্পদ বিভাগৰ ওপৰত আলোচনাৰ বাবে সিদ্ধান্ত লৈছে। গতিকে কৰ্তন প্ৰস্তাৱৰ বিৰোধিতা কৰি মই দু-আষাৰ বক্তব্য ৰাখিব বিচাৰিছো । আমি জানো যে অসমৰ গৌৰৱ মাজুলীৰ প্ৰটেক্শ্যনৰ কাৰণে এইবাৰ বাজেটত বিশেষভাৱে পুজিঁ ধৰা হৈছে । মাজুলীৰ গৌৰৱময় ইতিহাস যাতে শেষ হৈ নাযায় তাৰ বাবে এই শকত পৰিমানৰ ধন ধৰা হৈছে । ঠিক তেনেকৈ প্ৰাক্তন মন্ত্ৰী মহন্ত ডাঙৰীয়াই কলং নদী পুনৰ জীৱিত কৰণৰ সম্পৰ্কত সদনত বাৰুকৈয়ে বক্তব্য ৰাখিছিল আৰু সেই হিচাপে বাজেটত সুন্দৰভাৱে ‘ Rejuvenation of Kolong’ প্ৰতিফলিত হোৱা আমি দেখিবলৈ পাইছো । ইয়াৰোপৰি অন্যান্য আঁচনিসমূহ আছে । গোটেই বিষয়টোৰ ওপৰত অসমত এখন Assam Water Resource and Management Institute দিয়াৰ কাৰণে বাজেট নিৰ্ধাৰণ কৰা হৈছে । যিয়েই নহওঁক, আমাৰ আগৰ বক্তা সকলে যি বক্তব্য ৰাখিলে, ইয়াত প্ৰতিটো কথাৰ প্ৰতিফলন ঘটিছে । ইয়াৰ লগতে মই আৰু কেইটামান কথা সংযোজন কৰিব বিচাৰিছো । অসমৰ নদ-নদীবোৰ তথা Water Resource ৰ catchman area বোৰ Originally আৰম্ভ হয় ভূটান নাইবা তিব্বতৰ পৰা । গতিকে ইয়াৰ ওপৰত আমাৰ নিয়ন্ত্ৰন নাথাকে , বা নাই । বাৰিষা হোৱাৰ লগে লগে আমি শুনিবলৈ পাওঁ যে ভূটানৰ পৰা তেখেতসকলে প্ৰজেক্টৰ যিবিলাক ৰিজাৰ্ভাৰ, তাৰ পৰা পানী এৰি দিয়ে যাৰ ফলত আমাৰ ইয়াত ফ্লাচফ্লাড আৰম্ভ হয় আৰু বিস্তৰ ক্ষতিসাধন হয়, গৰাখহনীয়া হয় আৰু এইবোৰ প্ৰতিবছৰে মেৰামতি কৰিবলগীয়া হয় । আমাৰ উত্তৰ অঞ্চলত থকা পাগলাদিয়া, বৰনদীয়ে ক্ষতি কৰাৰ দৰে অসমৰ প্ৰতিখন নদীয়ে যথেষ্ট ক্ষয়-ক্ষতি কৰিছে । উত্তৰ অঞ্চল বুলি কলে ইয়াৰ বেছিভাগ সমস্যা বানপানীৰ নহয়, আমাৰ ফ্লাচ-ফ্লাড আৰু গৰাখহনীয়াটো হ’ল মূল সমস্যা । এই সমস্যা সমাধান কৰিবৰ কাৰণে আমি জানো যে পাগলাদিয়াত এটা Multi purpose Dam Project লোৱা হৈছিল । ইয়াৰ মাটিৰ বাবে সৰ্বমুঠ ৩৮ খনমান গাওঁ ইয়াৰপৰা উঠি যাবলগীয়া অৱস্থা হৈছিল । ইয়াৰ পৰা উৎপাদনক্ষম Hydro-electrical Project হিচাপে Seven Megawatt something . এৰিয়া হিচাপে যিমান সাঙুৰিছে সেই হিচাপে population uprootment কৰিব লাগে, গাওঁ সমূহ উঠাই দিব লাগে । ফলত এই প্ৰজেক্টৰ বিপক্ষে এটা প্ৰৱল প্ৰতিৰোধ গঢ়ি উঠিল । চৰকাৰে সেই

প্ৰজেক্টটোত ফাণ্ডিং কৰিছিলে , আৰু কিছুপৰিমানৰ টকা ইয়াৰ ওপৰত খৰচো কৰিছিলে । মানুহ বিলাকক য'ত পুনৰ সংস্থাপন কৰা হ'ব, তাত Model House বোৰ বনাই থোৱা হৈছিল । 'বেলকুটি' নামৰ এখন ঠাই আছিলে আৰু সেইখন ঠাইত মানুহখিনিক পুনৰ সংস্থাপন কৰাৰ বাবে নিৰ্বাচিত কৰা হৈছিল । কিন্তু কাৰ্য্যক্ষেত্ৰত নহ'লগৈ । গতিকে ৰাইজে বিচৰাধৰণে তাত প্ৰজেক্টো নহ'ল আৰু আনফালে গৰাখহনীয়াৰ সমস্যা সমস্যা হৈয়েই থাকিল । মূল যিটো সমস্যা সমাধানৰ কাৰণে Multi purpose Dam Project লোৱা হৈছিলে সেই সমস্যাটো সমাধান নহ'ল । যাৰ ফলস্বৰূপে গৰাখহনীয়াৰ অৱস্থা আগতকৈ বেছিকৈ হোৱা দেখিবলৈ পোৱা যায় । চৰকাৰৰ ফালৰ পৰা এতিয়ালৈকে ইয়াত কোনো একশ্যন লোৱা নাই আৰু আমিও নিবিচাৰো যে ইয়াত আকৌ প্ৰজেক্ট হওঁক । Ultimately সেই প্ৰজেক্টটোৰ যিটো Viability সেই Viability চাই খুব-সম্ভৱ প্ৰজেক্টটো abandon কৰা হৈছে । আমি অৱশ্যে কোনো অফিচিয়েল লেটাৰ পোৱা নাই । যিয়েই নহওঁক, আজি যদি আমি পাগলাদিয়াৰ গৰাখহনীয়াৰ সম্পৰ্কত কেন্দ্ৰীয় চৰকাৰৰ পৰা কিবা বিচাৰো তেতিয়া ভাৰত চৰকাৰে কয় যে - আপোনালোকৰ প্ৰজেক্ট এটা আছিলে আৰু সেই প্ৰজেক্টটোৰ ক্ষেত্ৰত কিবা এটা সিদ্ধান্ত নললে আমাৰ পৰা স্কীম দিয়া নাযাব, তেনেধৰণৰ উত্তৰবোৰ আমি পাওঁ । গতিকে যোৱা ২৫ বছৰ ধৰি বাগ্সা জিলাত গৰাখহনীয়া ৰোধ কৰাৰ বাবে কোনো আঁচনি লোৱা হৈছিল বা ইয়াৰ কিবা প্ৰতিৰোধৰ ব্যৱস্থা কৰা হৈছিল বুলি মোৰ মনত নপৰে । এইখিনি কথা মই ইয়াত উল্লেখ কৰিলো আৰু এইখিনি নজৰ দিব বুলি মই আশা ৰাখিলো ।

দ্বিতীয়তে কথাতো হ'ল, আমাৰ আগৰ বক্তা সকলে কোৱাৰ নিচিনাকৈ জলসম্পদ বিভাগটোত বিশেষকৈ আলোচনা কৰা হয় দূৰ্যোগ-প্ৰশমন সম্পৰ্কত । এই জলসম্পদ বিভাগে বিভিন্ন সমস্যা প্ৰশমনৰ কাৰণে এটা দায়িত্ব লবলগীয়া হৈছে । গতিকে এই বিষয়টো অতি গুৰুত্বপূৰ্ণ । সেয়েহে আমি ইয়াৰ কাৰণে বাজেটত যি পুঁজি ধাৰ্য্য কৰা হৈছে তাৰ পৰিমান বৃদ্ধি কৰাটো আমি বিচাৰো ।

তৃতীয়তে, পাগলাদিয়াৰ নিচিনাকৈ বৰনদীৰ সমস্যাৰ কথাওঁ আমি জানো । মই আগতেও উল্লেখ কৰিছো যে অসমৰ যিমানবোৰ নদ-নদী আছে ইয়াৰ উৎসবোৰ অসমৰ বাহিৰত বা ভাৰতবৰ্ষৰ সীমাৰ বাহিৰত আছে । গতিকে বৰনদীৰ সমস্যা বিলাকো আছে । সেয়েহে অসম চৰকাৰৰ ফালৰ পৰা আমি Integrated Flood and Erosion Controlling Management বুলি এটা প্ৰজেক্ট বনাই কেন্দ্ৰীয় চৰকাৰলৈ পঠাই দিয়া হৈছিল । Central Water Commission ত pursue কৰা হৈছিল । এতিয়ালৈকে এইটো ফাইনেল হোৱা নাই বাবে ইয়াৰ কাৰণে বাজেট এল'কেশ্যেন কৰা হোৱা নাই । গতিকে এই বিষয়টোৰ ওপৰত গুৰুত্ব দি আমি এইটোকে বিচাৰিম যে অসমৰ যিটো বানপানীৰ সমস্যা বা গৰাখহনীয়াৰ সমস্যা ,এই সমস্যাটোক এটা জাতীয় সমস্যা হিচাপে বিবেচনা কৰি দুগুণ গুৰুত্ব সহকাৰে লৈ ভাৰত চৰকাৰৰ ওচৰত যদি আমি Long term solution ৰ কাৰণে দাবী উৎথাপন কৰো ভাল হয়। কেন্দ্ৰীয় চৰকাৰৰ " দূৰ্যোগ ব্যৱস্থাপনা " ফাণ্ডৰ পৰা যি ফাণ্ড দিয়া হয় ইয়াৰ বাহিৰেও আমাৰ চৰকাৰৰ ফালৰ পৰা ইয়াৰ গুৰুত্ব বুজি যদি আমি নিজাববীয়াকৈ পৃথক এটা "Head", শকত পৰিমাণৰ এটা ফাণ্ড কৰিব পাৰো তেতিয়াহ'লে এই সমস্যাৰ নিশ্চয় এটা সমাধান হ'ব । আমি যদি সঁচাকৈয়ে চিৰিয়াচ, এই সমস্যাটোৰ এটা সমাধান বিচাৰো কেন্দ্ৰীয় চৰকাৰলৈ গোটেই সমস্যাটো ঠেলি দি পেলাই আমি বানপানীক এটা জাতীয় সমস্যা হিচাপে স্বীকৃতি দিলে নহ'ব । গতিকে আমাৰ ফালৰ পৰাও যদি এইখিনি ব্যৱস্থা কৰো তেতিয়া কেন্দ্ৰীয় চৰকাৰেও গুৰুত্ব সহকাৰে লব বুলি মই ভাবো ।

## (Hon'ble Deputy Speaker on the chair)

কেৱল কেন্দ্ৰীয় চৰকাৰৰ ওপৰত আমি গোটেই সমস্যাটো জাপি দি পেলাই কেৱল জাতীয় সমস্যা হিচাবে স্বীকৃতি দিলেই নহ'ব, যদিহে আমাৰ ফালৰ পৰা আমি এইখিনি ব্যৱস্থা গ্ৰহণ কৰো তেনেহ'লে চৰকাৰে গুৰুত্ব সহকাৰে ল'ব বুলি আমি ভাবো। এই ক্ষেত্ৰত মই কিছু কথা সংযোজন কৰিব বিচাৰিছো। এটা সময়ত পাগলাদিয়াৰ কথাই হওঁক বা পুঠিমাৰীৰ কথাই কওঁক আমি সমাধানৰ সুত্ৰ বিচাৰি পেলাই আমি আই আই টি ত এপ্ৰোচ কৰিছিলো। এই বিষয়ত Water Resource বিভাগত অসমৰ এজন সুসন্তান আছে। ঠিক তেনেদৰে বৰনদীৰ গড়াখহনীয়া চলি থকাৰ সময়তআমি উপদেশ লৈছিলো কি কৰা যায়। কাৰণ আমাৰ হাতত বোল্ডাৰ পিট্‌চিং দিবৰ কাৰণে ফাণ্ড নাই। এতিয়া বানপানীৰ সময়, সমগ্ৰ নাগ্ৰিজুলি টি ইষ্টেট খনৰ যাওঁ যাওঁ অৱস্থা। হাতত যিহেতু পইচা নাই গতিকে যি পইচা আছে, ৫ লাখৰ পৰা ১০ লাখৰ যি ফাণ্ড সঞ্চয় হৈ আছে সেই টকাৰে কি ধৰণে সেই বাগানখন বা অঞ্চলটো বচাব পৰা যায় যিহেতু তাত ১ হাজাৰতকৈও বেছি গাওঁ সম্পূৰ্ণৰূপে নিঃশ্চিহ্ন হৈ গ'ল। তেওঁলোকে আমাক পৰামৰ্শ দিছিল যে বোল্ডাৰ পিট্‌চিং ৰ ব্যৱস্থা ল'ব লাগিলে প্ৰায় ২০ কোটি টকাৰ প্ৰায়োজন হ'ব। যিহেতু তাত নদীৰ বৈশিষ্ট্য অলপ বেলেগ ভূটানৰ পাৰাদিহৰ পৰা ১০-১৫ কি. মি. লৈকে নদীৰ যিটো গঠন সেইটো আমাৰ নামনি অঞ্চলতকৈ সম্পূৰ্ণৰূপে বেলেগ। গতিকে তেওঁলোকে আমাক ৰিভাৰ ট্ৰেইনিঙৰ কাৰণে এডভাইচ দিছিল। আৰু কৈছিল যে একদম সহজ উপায়টো হৈছে যে গাওঁখন বচাব লাগিলে আপোনালোকে ৰিভাৰ ট্ৰেইনিং কৰি দিয়ক। নদীখন চিধা কৰি দিয়ক তেতিয়া আপোনালোকে বচাব পাৰিব। ঠিক তেনেকৈ আমি ২০১৭ ৰ এচটিমেট মতে মিনিমাম ৰিকুইয়াৰমেণ্টটো আছিল ৫ ৰ পৰা ১০ কোটি। গতিকে এম এল এ ফাণ্ডৰ পৰা মাত্ৰ ১ লাখ ৮০ হাজাৰ দিছিলো আৰু এইদৰে এসপ্তাহৰ কাম কৰি বচাব পৰা গৈছিল। গতিকে ইয়াত নতুন নতুন ইনোভেশ্যন যিবিলাকৰ ইয়াত প্ৰয়োজন হ'ব তাৰ বাবে এই সমস্যাটো যে অকল অসমৰ সমস্যা নহয়, বিশ্বৰ আগবঢ়া সমগ্ৰ ৰাষ্ট্ৰতেই ইয়াৰ সমস্যা আছে, তেখেত সকলে নতুন নতুন সমাধানৰ সুত্ৰ উলিয়াইছে। গতিকে আমাৰ অঞ্চলত বিশেষকৈ অসমত সেই বিষয় সমূহ গুৰুত্ব সহকাৰে লৈ নিজা ববীয়াকৈ যদি আমাৰ এটা ফাণ্ড বা ক'ৰপাচ ফাণ্ডেই হওঁক বা যিয়েই নামাকৰণ নকৰক কিয় এই বিষয়টো জাতীয় সমস্যা হিচাপে লৈ কেন্দ্ৰীয় চৰকাৰক ক'ব লাগে যে আমি এইখিনি আগবাঢ়িলো বাকীখিনি কেন্দ্ৰীয় চৰকাৰে সহায় কৰক। গতিকে নিশ্চয়কৈ যদি আমি এইখিনি এপ্ৰোচ লওঁ তেন্তে আশা ৰাখিছো কেন্দ্ৰীয় চৰকাৰে আমাক সহায় কৰিব। এই সমস্যা অহা ১০ বা ২০ বছৰত সমাধান হোৱা সমস্যা নহয়। এই সমস্যা সদায় আহিয়েই থাকিব। ইয়াৰ বাবে শ শ পৰিয়ালে ঘৰ বাৰী এৰিব লগীয়া হৈছে। আজি যিসকল সাধাৰণ ৰাইজ আছে, মেক্সিমাম ফ্লটিং পপোলেশ্যনৰ নিচিনা সকলোৰে সমস্যাটো হৈছে এই গড়াখহনীয়া সমস্যা। আজি অসম চৰকাৰৰ ফালৰ পৰা ইয়াত যি এলোকেশ্যন দিছে মই ভাৱো এইটো যথেষ্ট নহয়, পাৰিলে এইটো বঢ়াব লাগে আৰু এই বিষয়টো Water Resource বিভাগে গুৰুত্ব সহকাৰে লৈ কেন্দ্ৰীয় চৰকাৰে ইয়াক জাতীয় সমস্যা হিচাবে আমি স্বীকৃতি দিবৰ বাবে লাগিব লাগে। এইখিনি কৈ মই বক্তব্য সামৰিছো। ধন্যবাদ।

**মাননীয় উপাধ্যক্ষ ঃ** ধন্যবাদ। এতিয়া শ্ৰী দেবানন্দ হাজৰিকা।

**শ্ৰী দেবানন্দ হাজৰিকা ঃ** মাননীয় উপাধ্যক্ষ মহোদয়, আজি বিৰোধী পক্ষই কৰ্তন প্ৰস্তাৱৰ ওপৰত যি প্ৰস্তাৱ দিছে যে ১০৬ হাজাৰ ৬৭২.৯৪ লাখ টকাৰ যি পৰিপূৰক বাজেট বিচাৰিছে তাৰ বিপৰীতে

তেওঁলোকে এটকাৰ কথা কৈছে। এইটো ভালেই হৈছে। সকলোৰে এই বিষয়ে আলোচনা কৰিবৰ কাৰণে এটা সুযোগ পাইছে। কিছুমান কথা কেতিয়াবা মোৰ শুনিলে হাঁহি উঠে। কথাতে কয় বোলে “নক'লেও নহয় ফটা মুখ, ক'লেও লাগে ভকতৰ দোষ”। আমি তাহানিতে ১৯৬৯ তে মেট্ৰিক পৰীক্ষা দিছিলো আৰু টেষ্ট পৰীক্ষা যেতিয়া দিছিলো তাত এখন ৰচনা লিখিব আহিছিলে। মোৰ লগৰ এজনে ৰচনা ১০ খন মান মুখস্থ কৰি গ'ল। মোক ক'লে এইবাৰ মই পাৰিমেই এখন ৰচনা লিখিব। আহিলে অসমৰ খাদ্য সমস্যাৰ ওপৰত। তেওঁ আকৌ মুখস্থ কৰি গৈছিলে অসমৰ বানপানী সমস্যা। তে্তিয়া তেওঁ আৰম্ভ কৰিলে অসমৰ খাদ্য সমস্যা বিলাকৰ ভিতৰত এটা বিশেষ সমস্যা হৈছে বানপানী বুলি গোটেইখন বানপানীৰ সমস্যা। সেই বানপানীৰ বিষয়ে আমি তাহানিৰে পৰা এইবোৰ শুনি আহিছো আৰু আগতে বানপানী বুলি ক'লেই ব্ৰহ্মপুত্ৰ বোৰ্ডৰ কথা কয়। প্ৰতিবছৰে সদনত এই ঘাটি মঞ্জুৰী প্ৰস্তাৱ আনে এইটোও আমি দেখি আহিছো। এতিয়া মোৰ প্ৰশ্ন হয় এই যে ঘাটি মঞ্জুৰী প্ৰস্তাৱটো অনা হৈছে, কিহৰ এচেচমেণ্টৰ ওপৰত অনা হৈছে। কাৰণ আমি সদনলৈ অহাৰ পৰা যিমানখিনি ডিমাণ্ড আমি দি আছো প্ৰতিবছৰে পইচা নাই পইচা নাই বুলি কয়। যদি ঘাটি মঞ্জুৰী প্ৰস্তাৱ ইয়াত অনা হৈছেই তেতিয়াহ'লে সকলো বিলাক ডিমাণ্ড মিট কৰিবৰ কাৰণে পইচাটো বিচৰঙ্গ হোৱা নাই কিয়? মোৰ হয়তো ভুল হ'ব পাৰে কিন্তু এই্টো এটা মোৰ মনত ডাঙৰ প্ৰশ্ন। মই গোটেই অসমৰ কথা কৈছো। বানপানী বুলি ক'লে আমি কেৱল ব্ৰহ্মপুত্ৰ খনকেই ভাৱো কিন্তু আঁচল বানপানীৰ এই দূৰ্যোগ কৰে কোনে এই উত্তৰ বাহিনি আৰু দক্ষিণ বাহিনীৰ এই Tributonis বিলাক আৰু অতি প্ৰচণ্ড বেগত অহা এই নদী বিলাকে যথেষ্ঠ ঘৰবাৰী ভাঙে আৰু মথাউৰি ভাঙে, খেতিবাতি নষ্ট হয়। এই বিলাকৰ বাবে মানুহৰ সকলোফালৰ পৰা অসুবিধা বেছি হয়। আমি সৰুৰে পৰা শুনি আহিছো যে বানপানীক বোলে ৰাষ্ট্ৰীয় সমস্যা হিচাপে ধৰিব লাগে। এই কথাটো মই চৰকাৰ বুলি কোৱা কথাটো জনাৰ পৰাই শুনি আহিছো। আজিলৈকে কিন্তু বানপানীক ৰাষ্ট্ৰীয় সমস্যা হিচাবে ঘোষণা কৰিবলৈ কেন্দ্ৰীয় চৰকাৰক আমি বুজাব পৰা নাই যাৰ কাৰণে তেওঁলোকে এইটো আমাক কৰি দিয়া নাই আৰু আমি ভাৱিছো যে ৰাষ্ট্ৰীয় সমস্যা হিচাপে কৰি দিয়াৰ লগে লগে আমাৰ কাম শেষ। আমাৰ টকাবোৰ ওপৰৰ পৰা আহিব। টকা দিয়াতো ডাঙৰ কথা নহয় উপাধ্যক্ষ মহোদয়। আমি ইয়াৰ আগতেও সদনত কৈছিলো যে যেতিয়ালৈকে নদী বিলাকৰ বিহেভিয়াৰ বিলাক ষ্টাডি কৰা নহয়, যেতিয়ালৈকে কোনখন নদীৰ বহন ক্ষমতা কিমান, মথাউৰিটো কিমান কি ধৰণে তৈয়াৰ কৰিব লাগিব এনেধৰণৰ বিজ্ঞান সন্মত ষ্টাডি নহয় তেতিয়াহ'লে আমাৰ অসমত এই সমস্যাটো সদায় থাকিব আৰু এই বানপানী মানে এটা ধেমালিৰ নিচিনা হয় কিছুমানৰ কাৰণে আৰু কিছুমানৰ কাৰণে শোকৰ বন্যা। মই দেখা পাইছো বানপানীৰ সময়ত কোনো কাম-কাজ নাই, খেতি বাৰী নাই মথাউৰিৰ কাষে কাষে মাছ ধৰি আছে, খুব মাছ খাইছে আৰু ইফালে কিছুমানৰ ঘৰবাৰী উটি গ'ল তেওঁলোকক চৰকাৰে ৰেচন দি আছে। এইয়ে বানপানী বুলি আমি শুনিছো। ক'ত মথাউৰি ভাঙি গ'ল। Water Resource Department য়ে মোৰ সমষ্টিত দোৰপাং নৈত এটা মথাউৰি বনালে। মথাউৰিটোৰ কথা আগতে মই দুবাৰমান সদনত কৈছো। সেই মথাউৰিটো বনালে কিন্তু ৭০০ মিটাৰ নবনালে। তেতিয়া ক'লে যে ৭০০ মিটাৰ বনাই দিবলৈ হ'লে আগত থকা নদীখনৰ পৰা অহা পানীখিনি বৈ যাব নোৱাৰিব। কোনো ষ্টাডি নোহোৱাকৈ এই ৭০০ মিটাৰ মথাউৰি তাত নবনালে। প্ৰশ্নটো এনেকুৱা আছিলে যে দোৰপাং নদীৰ ওপৰত থকা ১০০ মিটাৰ স্পেনৰ যিখন দলং সেই দলং খনৰ তলেদি যিটো পানী বৈ আহে সেইটো আগত থকা ৩৫ মিটাৰৰ দলঙখনেৰে বৈ যাব নোৱাৰে কিন্তু অৰুণাচল প্ৰদেশৰ উৎস ভুমিত তেওঁলোকে বনাইছে ২০ মিটাৰ বহলৰ এখন

দলং। ২০ মিটাৰ বহলৰ দলং খনৰ তলেদি দৈপাঙৰ পানীটো নামি আহে, ১০০ মিটাৰ আৰু ৩৫ মিটাৰৰ মাজেদি বৈ যায় গতিকে ল'জিকটো ক'ত থাকিল মই বুজি নাপালো যে ৭০০ মিটাৰ মথাউৰিটো বনালে এই দলঙখন ভাঙি পেলাব বুলি। আজিলৈকে এই কথাটো মই Water Resource Department ক বুজাব পৰা নাই। সেই মথাউৰিটোৰ কাৰণে আমি ডিমাণ্ড দিলো কিন্তু আজিলৈকে নহ'ল। এই ২ বছৰ ৮ মাহত যেনেতেনে দুটা মথাউৰি আমাৰ চেংচন কৰা হ'ল আৰু এতিয়া নিৰ্মাণৰ কাম আৰম্ভ হৈ আছে। কিন্তু পৰিতাপৰ বিষয় যে ইঞ্জিনিয়াৰে এচটিমেট বনাই দিয়ে ৫ কোটি টকাৰ আৰু দিছপুৰৰ পৰা চেংচন দিছে ২ কোটি টকাৰ ।

গতিকে এষ্টিমেট দিওঁতে ভুল হৈছে নে চেংশ্যন দিওঁতে ভুল হৈছে, মই নাজানো। সেয়েহে মই নাজানো যে এই বাৰিষাত কি ধৰণৰ মঠাউৰি ২ কোটি টকাত হ'ব যিটোৰ এষ্টিমেট ৫ কোটি টকা আছিল। সেয়েহে এনেধৰণৰ কথা হ'ব নালাগে। আমি আগতে এটা কথা মুখ্যমন্ত্ৰী ডাঙৰীয়াৰ লগত লখিমপুৰ Airport ত আলোচনা কৰিছিলো। সেইটো হৈছে যে আমাৰ উপনৈ সমূহ Zigzag ধৰণে আছে। যাৰ ফলত যেতিয়া প্ৰচণ্ড সোঁতত পানীবোৰ আহে, তেতিয়া Flow টো দুয়োপাৰে Roll হৈ যায়। এইটো কেৰল বিহপুৰীয়া সমষ্টিতে নহয়, অসমৰ প্ৰায়বোৰ সমষ্টি বিশেষকৈ ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰৰ উপনৈ সমূহত এনেকুৱা অৱস্থা হয়। সেইবোৰ Drainage কৰি Straight কৰি যদি দিয়ে, তেতিয়া পানীৰ Flow টো ভাল হ'ব। এতিয়া ব্ৰহ্মপুত্ৰৰ খনন কাৰ্য্য আৰম্ভ হোৱা বুলি কৈছে, কিন্তু যিটো ক্ষীপ্ৰতাৰে হ'ব লাগিছিল, সেইটো নোহোৱাটো এটা পৰিতাপৰ বিষয়। সেইটো সেই ক্ষীপ্ৰতাৰে হ'ব লাগে। এতিয়া প্ৰশ্ন হৈছে, মাজুলী সংৰক্ষণৰ ক্ষেত্ৰত। এইটো আমাৰ মাননীয় মুখ্যমন্ত্ৰীৰ সমষ্টি। তেওঁৰ কথাও উল্লেখ কৰিছে। Indirectly তেওঁৰ ওপৰত জাপি দিয়া হৈছে। মই এই কথাটোৰ প্ৰতি দৃষ্টি আকৰ্ষণ কৰিছো। যোৱা ৫৫ বছৰে যিটো কাম হোৱা নাই, ৫৫ মাহত মাননীয় প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী ডাঙৰীয়াৰ চৰকাৰে কিছু কাম কৰি দেখুৱাইছে আৰু দুবছৰ আঠ মাহৰ ভিতৰত মাজুলীৰ যি অভূত-পূৰ্ব উন্নয়ন হৈছে, সেই বিষয়ে কোনো চৰকাৰে এতিয়ালৈকে ভাৱিব পৰা নাছিল। মোৰ কাষৰ লুইত বা সোৱণশিৰি নদীখন পাৰ হ'লেই মাজুলী পায়। বৰ্তমান মাজুলীৰ এডোখৰ প্ৰায় ২০-২৫খন গাওঁ তাত নাই। কোনো চৰকাৰে একো কৰিব নোৱাৰিলে। তাৰ লোকসকলক ক'ত সংস্থাপন দিয়া হ'ল তাৰ কোনো লিষ্ট নাই। মাজুলীৰ পাৰৰ কিছুমান মনুহক দুৰ্বাং নদীৰ পাৰত অৰুণাচলৰ কাষত দুকঠা মাটি দি ঘৰ এটা সাজি সংস্থাপন দিয়া হ'ল। কিন্তু তেওঁলোকৰ নামত সেই মাটিখিনি নিদিয়াৰ বাবে স্বচ্ছ ভাৰত অভিযান বা যিকোনো Water Supply Scheme বা যিকোনো ক্ষেত্ৰতে তেওঁলোক বঞ্চিত হ'বলগীয়া হয়। তেওঁলোকৰ বিজুলী, পানী আদিৰ কোনো ব্যৱস্থা নাই। সিদিনাখন তেওঁলোকে মোক কৈছে যে আমাক একো নিদিলে, শ্মশান এখনকে দিয়ক। য'ত নেকি আমাৰ মানুহ মৰিলে দাহ কৰিব পাৰি। কাৰণ আমাৰ সোনকালে মৃত্যু হ'ব। এই ধৰণৰ প্ৰক্ৰিয়াৰে যদি আমাৰ চৰকাৰ চলি থাকে, তেন্তে ২ বছৰ ৮ মাহত আমাৰ চৰকাৰখনক কোনোবাই আঙুলিয়ালে, মই সহ্য নকৰো। আমাৰ মিত্ৰজোঁটৰ চৰকাৰখনে যিমান পদক্ষেপ হাতত লৈছে, আগতে কোনোবাই লোৱা বুলি মই নাভাৱো। কাৰণ মই বহু বসন্ত গৰকা মানুহ। মই কেৰল মোৰ সমষ্টিয়েই নহয়, অসমৰ বৰাক, ব্ৰহ্মপুত্ৰকে ধৰি সকলো অঞ্চল ঘূৰা মানুহ। কোনো কাৰিকৰী পদক্ষেপ নোহোৱাকৈ মঠাউৰি বনোৱা, কোনো চাৰ্ভে তথা অধ্যয়ন নকৰাকৈ অপৰ্য্যাপ্ত ধন খৰছ কৰাটো এটা খিৰতী গাইৰ নিচিনা বিভাগ হোৱা বুলি মই ভাৱো। মই আমাৰ চৰকাৰৰ বিপক্ষেই কৈছো নে সপক্ষেই কৈছো মই ক'ব নোৱাৰো। কিন্তু মই বহু বছৰৰ পৰা এই বিভাগটো দেখি আহিছো। আগতে END বিভাগ আছিল। তাৰে এটা সৰু সত্য কথা, সাধুকথাৰ নিচিনাকৈ ক'ব বিচাৰিছো। END বিভাগৰ দুজন

কৰ্মচাৰী মোৰ গাওঁৰ ঘৰত থাকি চাকৰি কৰিছিল আৰু দুজন প্ৰধান শিক্ষকৰ লগত তেওঁলোকে ঠিকাৰ কথা পাতিছিল। তেতিয়া এখন নদীত গৰাখহনীয়া হৈ আছিল আৰু তাৰ বাবে তেতিয়া ৫ হাজাৰ টকাৰ এটা ঠিকা আহিছিল। মই এইটো ১৯৬৮-৬৯ চনৰ কথা কৈ আছো। তেওঁলোকে কৈছিল খহনীয়া ৰোধ কৰিবৰ বাবে বুৰুজ মাৰিব লাগিব। তেতিয়া শক্ষককেইজনে কৈছিল যে ইমান দ' পানীত গৈ কেনেকৈ বুৰুজ মাৰিম ? তেতিয়া বিষয়াসকলে কৈছিল যে পানীত গৈ মাৰিব নালাগে, বামতে কেইডালমান মাৰি মেলি থৈ দিলে হ'ব। যেতিয়া আমাৰ অফিচাৰ আহিব আমি কম যে বানপানীয়ে উটুৱাই লৈ গুচি গ'ল। এইদৰে ইমান বছৰ আগতে এই বিভাগটোত শিক্ষক আৰু বিষয়াসকলে দূৰ্নীতি কৰিছিল। যেতিয়ালৈকে দূৰ্নীতি-নিবাৰণ নহয়, Assessment কৰিছে নে নাই কৰা, মই ক'ব নোৱাৰো। সেয়েহে এটা কথা মই পুনৰ ক'ব বিচাৰিছো যে যি এশ ছয় হাজাৰ ছয় শ বাসত্তৰ দশমিক ন লাখ টকাৰ যি আবণ্টন বিচাৰিছে, ইয়াৰ অৰ্থ কি ? এই টকাৰে আমাৰ সমস্যাৰ সমাধান হ'ব নে ? যদি সমস্যাৰ সমাধান নহয়, ইয়াৰ ওপৰত চাৰ্ভে কৰা হৈছে নে ? মই জলসম্পদ বিভাগক প্ৰশ্ন কৰিছো যে এনেধৰণৰ কোনো চাৰ্ভে নকৰাকৈ বিল বাকী আছে বুলি পইচাৰ দাবী জনাইছে। সেয়েহে এনেধৰণৰ কাম কৰিব নালাগে। মই আৰু এটা গুৰুত্বপূৰ্ণ কথা ক'ব বিচাৰিছো যে যোৱা বছৰ আমাৰ মাননীয় মন্ত্ৰী ভৰেশ কলিতা ডাঙৰীয়াই বানপানীৰ সময়ত প্ৰশ্ন কৰিছিল পুঠিমাৰি নদীৰ সম্পৰ্কে। পুঠিমাৰি নদীৰ প্ৰচণ্ড বান যেতিয়া আহিল, সেই সময়ত তেওঁ Emergency কোনো টকা নাপালে। তেওঁ তেতিয়া নিজৰ পকেটৰ পৰা কাৰোবাৰ পৰা ধাৰ লৈ ৬০-৭০ হাজাৰ টকা লগলগাই যেনে-তেনে গৰাখহনীয়া ৰখালে। নহ'লে গোটেই গাওঁ উটুৱাই লৈ গ'লহেঁতেন। এইটো সকলোৰে কৈছে যে কেতিয়া বানপানী আহে, কেতিয়া প্ৰাকৃতিক দুৰ্য্যোগ হয়, কোনেও ক'ব নোৱাৰে। কিন্তু এটা সময়ত যে হয়, এইটো আমি সকলোৱে জানো। কিন্তু কিছুমান টকা চৰকাৰৰ ফালৰ পৰা এই Emergency problem সমূহ Tacle কৰিবৰ বাবে কিয় Contingency Fund ত ৰখা নহয়। আমি দেখা পাইছো প্ৰায় ৩৭ খন মোৰ সমষ্টিৰ গাওঁ মাজুলীৰ ফালে আছে। যিখিনি আমাৰ মাননীয় মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱাল ডাঙৰীয়াৰ সমষ্টিৰ লগত লাগি আছে। তাত যেতিয়া বানপানী হয় গৰুবোৰ নাঁৱেৰে আনিব লগীয়া হয়। কিন্তু বানপানীৰ সময়ত আমি চৰকাৰৰ পৰা নাওঁ এখন বিচাৰি নাপাওঁ। যদিও এইটো Natural Disaster লৈ গৈছে, তথাপিও Water Resource আৰু Natural Disaster ৰ মাজত সম্পৰ্ক অটুত। আমি আজিলৈকে Water Resource টো Resource হিচাপে ব্যৱহাৰ কৰিবৰ বাবে অধ্যয়ন কৰাই নাই। আমি আগতে হোৱাংহো নদীৰ কথা সদনত কৈছো আৰু আমাৰ ইয়াৰ পৰা তাত পৰিদৰ্শন কৰিবলৈ যোৱাৰ কথা আছিল। তেতিয়া আমাৰ সন্মানীয় MP এগৰাকীয়ে কৈছিল আমাৰ সদস্য গৈ তাত কি কৰিব ? Technically জনা মানুহ এজনক পঠিয়াব লাগে। যাতে তেখেতে সকলে সেইটো অধ্যয়ন কৰি আহিব পাৰে। তালৈ কোনোবা গৈছে নে নাই, মই নাজানো। য'ত Engineer যাব লাগে তাত যদি মোৰ নিচিনা সদস্য এগৰাকী পঠিয়াই দিয়ে তেতিয়া চীনৰ হোৱাংহো নদীৰ পৰা চকুপানীৰ বিপৰীতে আনন্দৰ বন্যা বোৱা ৰ নিচিনাকৈ ব্ৰহ্মপুত্ৰ নদী চকুৰ পৰা চকুপানী টুকি থাকিব লাগিব। সমস্যাবোৰ সমাধানৰ কাৰণে সকলোৰে সদিচ্ছা থাকিব লাগিব। কিবা এটা কৰাৰ ইচ্ছা থাকিব লাগিব। যেতিয়ালৈকে প্ৰৱল ইচ্ছা শক্তি নাথাকে, পৰ্য্যাপ্ত পৰিকল্পনা নাথাকে আমি সদনত পৰিপূৰক দাবীত বিচাৰি থাকিম। কোনোবাই বিচাৰিব, কোনোবাই দিব আৰু চৰকাৰে পইচা দিবই লাগিব। কাৰণ সকলোৱে কৈছে পইচা কম হৈছে বুলি। মই পইচা বেছি হৈছে বুলিও নকওঁ বা কম হৈছে বুলিও নকওঁ। কাৰণ ইয়াৰ Back ground ত কি আছে আমি নাজানো আৰু জনাৰ উপায়ও বৰ্তমান নাই। সেয়েহে সেইখিনি

যদি আমাক নিদিয়ে ,তেন্তে আমি গম নাপাম যে কিমান খিনি টকাৰে আমাৰ কাম হ'ব। গতিকে মোৰ এটা অনুৰোধ যে জলসম্পদ বিভাগে এটা চাৰ্ভে কৰিব লাগে যে ব্ৰহ্মপুত্ৰ, সোৱণশিৰি, পুঠিমাৰি নদীৰে কিমান পানী বৈ আহে আৰু চাপ কিমান? এই কথাবিলাক যেতিয়ালৈকে চাৰ্ভে নকৰে, মঠাউৰিটোৰ ক্ষমতাটো আমি নিৰ্ণয় কৰিব নোৱাৰো। এতিয়ালৈকে অসমত হয়তো চাৰ্ভে কৰি মঠাউৰি বনোৱা নাই বুলি মোৰ বিশ্বাস। কৰিব লাগে। বানপানীৰ সময়ত গৰু-ম'হবিলাক যেতিয়া নাঁৱৰে লৈ আনিবলগীয়া হয়, নাওঁ নাপাওঁ বুলি মই আগতে কৈছো। তাত যদি গো-ভেটি কিছুমান নিৰ্ম্মাণ কৰি দিলেহেঁতেন, ৰেইজ প্লেটফৰ্ম, যিটো কাজিৰঙাত কৰি দিয়া আছে। আমাৰ তাতেও কিছুমান কৰিছে। গো-ভেটি মানে যিটো চাইজ দিয়ে সেইটো নবনায়। আজিলৈকে যিমানবিলাক গো-ভেটি দিলে কোনোবাই যদি RTI কৰি উলিয়াই, তেতিয়া কোন কেতিয়া জেললৈ যাব ভগৱানেহে জানে। ৰাইজৰ উন্নয়নৰ কাৰণে কাম কৰা নহয়, নিজৰ পকেটৰ কাৰণে কাম কৰা হয়। নিজৰ স্বাৰ্থৰ কাৰণে কাম কৰা হয়। যেতিয়ালৈকে মানুহে ভূপেনদাৰ গানটো সুঁৱৰি গাই, 'মানুহে মানুহৰ বাবে যদিহে অকনো নাভাৱে', তেতিয়াহ'লে আমাৰ সমস্যা সদায় সমস্যা হৈয়ে থাকিব। মই আশা ৰাখিছো আমাৰ বিভাগে যদি আমাৰ অসমত যদি আমাৰ ভাৰতত তেনেকুৱা Technical Low How জনা মানুহ নাথাকে, তেনেক্ষেত্ৰত Let us borrow from China, let us borrow from some other country where such type of expert are available. ইয়াত কি প্ৰবলেম আছে?কাটি কোটি টকা খৰচ কৰি আছো বাহিৰৰ পৰা expertise আনি। Jio bag দিয়াৰ সময়ত বাহিৰৰ পৰা আনি expertise দিছিলো আৰু এতিয়া duplicate Jio bag ওলাই গ'ল। মোৰ এটা কথা মনত আছে, ২০১৭ চনত বানপানীৰ সময়চোৱাত প্ৰধান মন্ত্ৰী মোডী ডাঙৰীয়াই যেতিয়া আমাৰ ইয়ালৈ আহিছিল, তেতিয়া তেওঁ survey ৰ বাবে কিছু টকা দি থৈ গৈছিল। অসমৰ নদী বিলাকৰ ওপৰত কিয় ইমান বেছিকৈ বানপানী হয় সেই বিষয়ে survey কৰি এটা Report বিচৰা হৈছিল আৰু এই survey আৰম্ভ হ'ল নে নাই আমি নাজানো। কাৰণ এই বিষয়ে আমি কোনো বাতৰি কাকত, টি.ভি. বা social media ত পোৱা নাই। সেয়েহে আমি জানিব বিচাৰিছো যে সেই টকাৰ বিপৰীতে কিবা survey বা study হৈছে নে নাই? কোনোবা technical know-how জনা মানুহক borrow কৰা হৈছে নে নাই? এই বিষয়ে সদনত আমি এটা উত্তৰ বিচাৰিছো। কাৰণ মোডী ডাঙৰীয়াই যেতিয়া ইয়ালৈ আহিছিল তেতিয়া তেওঁ কি দিছিল, কি দিয়া নাই সেই কথা অসম তথা সমগ্ৰ ভাৰতবৰ্ষৰ লোকে জানে সেয়েহে আজি আমাক জনসাধাৰণে প্ৰশ্ন কৰে যে কি survey হ'ল, কি study হ'ল, ইয়াৰ কিবা কাম আগবাঢ়িছে নে নাই? কাৰণ জন-প্ৰতিনিধি হিচাপে ইয়াৰ উত্তৰ আমি ৰাইজক দিবলগীয়া হয়। আপোনাৰ যোগেৰে মই জল সম্পদ বিভাগক পুনৰ নিবেদন কৰিছো, এই কথাবোৰত যাতে অকণমান seriously লয়। আজি সদনত কেইবাজনো বক্তাই নানা ধৰণৰ উপদেশ দিছে আৰু এই উপদেশ সমূহ ইয়াতে সীমিত নাথাকি, Let us translate them into works, let us study over the proposals provided by our Hon'ble Members কিয়নো তেতিয়াহে আমি সদনত কথা কোৱাৰ মূল্য থাকিব, সদনত প্ৰস্তাৱ উত্থাপন কৰি তাত সকলোৱে হাত চাপৰি বজাই সমৰ্থন জনোৱাৰ এটা সুফল ঘটিব আৰু অসমৰ ৰাইজ উপকৃত হ'ব। গুৱাহাটীৰ যেতিয়া অনিল নগৰ, নবীন নগৰত বৰষুণৰ বানপানী অৰ্থাৎ কৃত্ৰিম বানপানী হয়, য'ত মানুহে বানপানীত কক্‌বকাই ফুৰে তাত কিন্তু কোনো বিশেষ ব্যৱস্থা গ্ৰহণ কৰা নহয়। গুৱাহাটীত এতিয়া drainage system প্ৰস্তুত কৰাৰ কথা চিন্তা কৰি আছে যদিও মই লিখি দিব পাৰো যে গুৱাহাটীত কৃত্ৰিম বানপানীৰ

সমস্যা কেতিয়াও শেষ কৰিব নোৱাৰে যেতিয়ালৈকে অসমৰ মানুহ নিজে সজাগ নহয়। চৰকাৰৰ লগতসহযোগিতা কৰি অসমৰ মানুহে যেতিয়ালৈকে কাম নকৰে, তেতিয়ালৈকে গুৱাহাটীৰ বানপানীৰ সমস্যা সমাধান নহয়। কাৰণ আমি সাধাৰণ মানুহখিনিয়েই কৃত্ৰিম বানপানীৰ সৃষ্টি কৰি আছো, যেনে -পাহাৰ কাটি আছো, দ' মাটিবোৰ পুৰাই আছো। মোৰ সমষ্টিত মই দেখিবলৈ পাইছো যে বৰষুণৰ পানী অলপ ঠাইত জমা হৈ পুখুৰীৰ নিচিনা হৈ যায়, পানী ওলাই যোৱাৰ কোনো ব্যৱস্থা নাথাকে। এই ক্ষেত্ৰত মই Soil Conservation Department কো সাঙুৰিব খুজিছো। তেওঁলোকে Watershed প্ৰকল্পৰ নামত কিমান টকা খৰচ কৰি আছে? Waterlogging area বোৰক Revenue earning area হিচাপে translate কৰিব পাৰো নে নোৱাৰো? If we apply little of our brain, then we will be able to convert them into revenue earning area. এই Waterlogging area সমূহত drainage system কৰি পানীখিনি উলিয়াই দিব পৰা ব্যৱস্থা কৰিলে মানুহে সেই পানীৰে খেতি-বাতি কৰিব পাৰিব, মৎস্য পালন কৰিব পাৰিব। গতিকে উন্নয়নৰ বাবে অকল টকাই মূল নহয়, ইয়াৰ বাবে Planning আৰু study লাগিব and that study should be based on the spot. বৰাক নদীৰ সমস্যা আৰু ব্ৰহ্মপুত্ৰৰ সমস্যা দুয়োটাৰ মাজত পাৰ্থক্য থাকিব। গতিকে ব্ৰহ্মপুত্ৰৰ সমস্যাক বৰাকৰ লগত সান-মিহলি কৰি একেটা system ত আগবাঢ়ি গ'লে সমস্যাৰ সমাধান নহ'ব বুলি ভাৱো। বিশেষ দীঘলীয়া কথা নকওঁ কাৰণ মই কোৱা কথাবোৰে হয়তো কাৰোবাৰ মনত আঘাত দিব পাৰে। কিন্তু যিখিনি কথা কৈছো সঁচা কথা কৈছো আৰু অসমৰ ৰাইজৰ হৈ কৈছো বুলি মই ভাৱিছো। গতিকে মোক এইখিনি কথা ক'ব দিয়াৰ বাবে ধন্যবাদ জনাই মোৰ বক্তব্য সামৰিছো।

**উপাধ্যক্ষ মহোদয়ঃ** ধন্যবাদ। এতিয়া কমলাক্ষ দে' পুৰকায়স্থ।

**মাননীয় সদস্য শ্ৰী কমলাক্ষ দে' পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ)ঃ** মাননীয় উপাধ্যক্ষ মহোদয় Water Resource Department এর যে কাটমোশন এনেছেন সেটার সমর্থন জানিয়ে আমি কিছু কথা বলতে চাই। Water Resource বিভাগ একটা গুরুত্বপূর্ণ বিভাগ। আমার আগের বক্তা দেবানন্দ হাজারিকা মহাশয় খুব ভালো কথা বলেছেন। Positive কথা গুলো বলেছেন। আমরা চাই যে সদনে positive কথা বলা হোক। যখন positive কথা বার্তা হয় তখন সেটা ফলপ্রসু হয়। মাননীয় উপাধ্যক্ষ মহোদয়, positive কথা বলবেন আবার বরাদ্দ এক টাকা হ্রাস করা হোক। সেটা একটা প্রশ্ন। তবে সেটা একটা প্রক্রিয়া । সেই প্রক্রিয়ার মাধ্যমে বলা হয় যে বরাদ্দ ১ টাকা কমানো হোক , কিন্তু তারপর আবার withdraw করা হয় । সেটা একটা গতানুগতিক প্রক্রিয়া । কিন্তু তার মধ্যেও কিছু আলাপ-আলোচনা হয়, positive - negative কথা বার্তা হয়। উপাধ্যক্ষ মহোদয় একটা গুরুত্বপূর্ণ বিষয় হচ্ছে আমাদের বেলতলায় Water Resource একটা ভূমি আছে। ০১-১২-১৮ তে Executive Engineer, Water Resource একটা F.I.R. করেছিলেন এবং- 'বিদ্যমান ভূমিত বিজেপির রাজ্যিক কার্যালয়ের আধার শিলা অমিত শ্বাহর'। আমাদের Executive Engineer, Water Resource একটা case করেছিলেন-- "In inviting a reference to the above, I would like to inform you that, construction of Assam Water Mission office building is in process at Departmental land of Water Resource Department near Assam Water Centre at Basistha. Some unidentified people come and started demolishing the construction part including labour

sait, mechanical store of the contractor by using mechanical excavator at about 11.30 A.M. today. They also create a some boundary pillars within the departmental land. Therefore, you are requested to enquire the matter and take necessary action against the miscreant." উপাধ্যক্ষ মহোদয় Water Resource এর ভূমি, সেই জায়গায় departmental case, আমার আগের বক্তা বলেছেন যে River Research Centre বা River Research করার জন্য একটা মাস্টার প্লেনের দরকার । আমাদের নদীগুলোর গতিপথ কোনদিকে, বা কি করলে আমরা ভালো কাজ করতে পারি, কি করলে সেই বিভাগটাকে গুরুত্ব দেওয়া সম্ভব। যে জায়গায় একটা research centre বানানো দরকার সেই জায়গায় আমরা দেখছি যে বিজেপি অফিসের আধার শিলা স্থাপন করা হল। আমরা চাইছি এই সমস্যার সমাধান করা হোক। Research Centre একটা তৈরি করা হোক। যেখানে আমাদের ব্রহ্মপুত্র বা বরাক নদীর বিষয়ে Research করে কি করা দরকার বা কি করলে অসমের এই সমস্যাটাকে সমাধান করতে পারব সেটা নিয়ে আলোচনা করা দরকার। আমরা দেখছি সেই সময়ে এই departmental land টাকে বিজেপি অফিস বানানোর একটা প্র ক্রিয়া চলছে। সেই কাজ এখন চলছে। উপাধ্যক্ষ মহোদয় আমরা চাই একটা মাস্টার প্লেন তৈরি করা হোক, নদী গুলো সন্মন্ধে একটা আলোচনা করে একটা মাস্টার প্লেন তৈরী করা হোক। কিন্তু এই আলোচনা কোথায় হবে উপাধ্যক্ষ মহোদয়?

**শ্ৰী ৰঞ্জিত দত্ত, মন্ত্ৰী ঃ** উপাধ্যক্ষ মহোদয়, কমলেক্ষ্য দে পুৰকায়স্থ ডাঙৰীয়াই Water Resource ৰ Cut Motion ত BJP কাৰ্য্যালয়ৰ কথা কিয় আনিছে?

------ হুলস্থুল---------

**মাননীয় উপাধ্যক্ষ ঃ** আপুনি Water Resource ৰ Cut Motion ৰ ওপৰত কওক।

**শ্ৰী কমলেক্ষ্য দে পুৰকায়স্থ (উত্তৰ কৰিমগঞ্জ) ঃ** It is a Departmental lack. আমাৰ Departmentৰ মাটিটো যদি গুছি যায় তেতিয়াহলে কেনেকুৱা হ'ব?

- ---------হুলস্থুল--------

**মাননীয় অধ্যক্ষ ঃ** Please sit down. You should maintain the decorum of the House. আমাৰ Ruling Front ৰ কাম হৈছে House টো কেনেকৈ শান্তিপূৰ্ণভাৱে চলাব পাৰে তাত সহায় কৰা। আপোনালোকক যদি কোনোবাই বেয়াকৈ কয়, You have every right to raise a point of order.We will allow. House ৰ মৰ্য্যাদাটো যদি আপোনালোকে maintain নকৰে মই একো কৰিব নোৱাৰো। আমাৰ House টো exceptional হোৱাটো আমি সকলোৰে বিচাৰো।

Peaceful আলোচনাই চলি আছিল। তাৰ মাজতে ৰূপজ্যোতি কুৰ্মী ডাঙৰীয়াক Cut Motion ত যেতিয়া ক'বলৈ দিলে, কথাৰ মাজতে তেখেতে BJP ৰ Headquarter টো তাৰ মাটিত আছে বুলি এটা মন্তব্য কৰিলে, তেনেকুৱা ধৰণৰ কথা আছিল নিশ্চয়। আমাৰ Cut Motion ৰ উদ্দেশ্যটো কি? Standing Committee কৰাৰ পিছতো আমি কি কৰা নাই? আপোনালোকৰ কিবা suggestion আহিব পাৰে নেকি? তাৰ মাটিত যদি কিবা হৈছে, সেইটো উলিয়াব পৰা option ইয়াত আছে। Cut Motion ত সেইটো নুলিয়াই পিছতো উলিয়াব

পাৰিলেহেতেন।

মন্ত্ৰী ডাঙৰীয়া, মই আপোনাকো কৈছো। মন্ত্ৰী ডাঙৰীয়াক মই appreciate কৰো, the way you debate.কিন্তু আপুনিও কৈছে এইবিলাক কথা নুলিয়াব। এইবিলাক কথাৰ পৰা কোনো লাভ নহয়। আমি House ত এনেদৰে contribute কৰিব লাগে যাতে অসমৰ লাভ হয়। Cut Motion ৰ মূল কথাটো হৈছে যে যিখিনি টকা পইচা দিছে বা যিখিনি কাম কৰিবলৈ দিছে তাত যদি কিবা ভুল হৈছে, সেইটো দেখুৱাব লাগে আৰু তাত যদি কিবা শুদ্ধ হৈছে সেইটো দেখুৱাব লাগে।

ৰূপজ্যোতি কূৰ্মী ডাঙৰীয়াই যিটো কথা কৈছে সেইটো আপুনি point of order ৰ তো উলিয়াব পাৰে। আপোনালোকক যদি কোনোবাই কিবা কয় তাৰ প্ৰত্যোত্তৰ দিব। কিন্তু আমি একো একোজন সন্মানীয় বিধায়ক। কোনোবাই বেয়াকৈ ক'লে আপুনিও বেয়াকৈ ক'ব বুলি কোনো কথা নাই। ৰূপজ্যোতি কূৰ্মী ডাঙৰীয়াই টেবুলত যেনেকৈ ভুকিয়াই কথা কৈছে সেইটো ভুল আৰু নোমল মমিন ডাঙৰীয়াইয়ো যদি তেনেকুৱা কৰিছে তেনেহলে তেখেতৰো ভুল হৈছে। এইবিলাক আপোনালোকে avoid কৰিব লাগে। এই কথা মই আপোনালোকক মোৰ expereience ৰ পৰা কৈছো। নোমল মমিন ডাঙৰীয়া, আপুনিও by profession এজন ডক্টৰ। আপোনাৰ দৰে এজন শিক্ষিত লোকে এনেদৰে behave কৰিব নালাগে। মই মন্ত্ৰী ডাঙৰীয়াকো কৈছো আপোনাৰ খং উঠাটো স্বাভাৱিক। কিন্তু আপুনি এজন সন্মানীয় মন্ত্ৰী। আপোনালোকে ধৈৰ্য্য নধৰিলে House টো কেনেদৰে চলিব ? গতিকে এই House টো ভালদৰে চলিবলৈ সকলোৰে cooperation লাগিব। Ruling পক্ষই যদি House হোৱাটো নিবিচাৰে তেনেহলে মই helpless. My duty is to give opportunity to speak. হাউচৰ Ruling Party যে যদি বিচাৰে হাউচ নোহোৱাটো তেতিয়া হলে, I am helpless মই এইটোৱেই বিছাৰিছো যে It is our duty মই আগতেও কৈছো যে, What is my duty ? to give opportunity to speak বাকীখিনি কেনেকৈ আমি Government লৈ শুদ্ধ কথাখিনি কেনেকৈ লৈ যাব পাৰো সেইটো মোৰ দায়িত্ব আছে। গতিকে গোটেই কথাখিনি দুয়োটা opposition আৰু Ruling আপোনালোক মিলিজুলি কাম কৰাৰ চেষ্টা কৰিলে ভাল হয়। কিছুমান কথা point of order দি কব। প্ৰত্যেকটো কথাই শুনিব পাৰিম।

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী** ঃ- অধ্যক্ষ ডাঙৰীয়া, মই আচলতে এটা কথা কওঁ যে মই ১৯৮৫ চনৰ পৰা এই হাউচত আছো। Even I was Leader of the Opposition also কিন্তু আমাৰ Rules and Procedure and Conduct of Business in Assam Legislative Assembly তাত এটা কথা আছে when Speaker is on leg তেতিয়া অন্য সদস্যই ঠিয় হৈ কথা কব নালাগে। এইটো Rule আমাৰ আছে। last দেবেশ চন্দ্ৰ চক্ৰৱৰ্তী যেতিয়া Speaker আছিল, ১৯৯১ ত হিতেশ্বৰ শইকীয়া ডাঙৰীয়া যেতিয়া মুখ্যমন্ত্ৰী আছিল, তেতিয়া এখন Ethics Committee ও গঠন হৈছিল। আৰু ভাৰতবৰ্ষৰ বিভিন্ন ৰাজ্যলৈকে গৈ Parliament বিভিন্ন ঠাইত গৈ এই Ethics Committee এখন গঠন হৈছিল। আৰু Ethics Committee যে এই কথাটো কৈছে। গতিকে আমাৰ Rules And Procedure And Conduct of Business তাত কৈছে যেWhen Speaker is on leg, no one should stand এইটোclearly Rules ত আছে। মই ভাবো, আমাৰ শাসক পক্ষৰ সদস্য সকলেও শুনিব লাগে, আৰু বিৰোধী পক্ষৰ সদস্য সকলেও এইটো শুনিব লাগে। আমাৰ শাসক

পক্ষৰ ক্ষেত্ৰটো এইটো প্ৰযোজ্য আৰু বিৰোধী পক্ষৰ ক্ষেত্ৰটো এইটো প্ৰযোজ্য। অধ্যক্ষ ডাঙৰীয়া মই আপোনাক এটা কথা অনুৰোধ কৰো, যে এইবাৰ বিধান সভাতেই মই আচৰিত পালো, যে আপুনি থিয় দিয়াৰ পাচত ইয়াতে ২-৩ জনকৈ বিশেষকৈ বিৰোধী দলৰ পৰা। বিৰোধী দলতটো আমিও আছিলো। আজি আমাৰ মাননীয় দেৱব্ৰত শইকীয়া ডাঙৰীয়া বিৰোধী দলৰ দলপতি, তেখেতৰ আজি যিখিনি সন্মান দিছে বা তেখেতে কিবা এটা কথা কব খুজিলে আপুনি যিখিনি তেখেতক সন্মান দিছে, দিব লাগিব কাৰণ তেখেত বিৰোধী দলৰ সভাপতি হয়। কিন্তু মই ও তো বিৰোধীৰ দলপতি আছিলো। গতিকে মই ইয়াতে কি সন্মান পাইছিলো, বিৰোধী দলপতি হৈ।

**মাননীয় অধ্যক্ষ ঃ**-past is past.

**শ্ৰী চন্দ্ৰমোহন পাটোৱাৰী, মন্ত্ৰী ঃ**- past is past নহয়। এই বিলাক repeat হ'ব নালাগে। গতিকে মই ভাবো, যে আজিৰ পৰা Parliamentary Affairs Minister হিচাপে মই আপোনাক এটা কথা কওঁ যে যেতিয়া আপুনি ঠিয় হয়, কোনোবাই যদি সেই সময়ত ঠিয়হৈ কথা কৈ থাকে তেতিয়া Action লোৱাটো ভাল। যি পাৰ্টীয়েই নহওঁক। Action লওঁক। Marshal লৈ উলিয়াই দিয়ক।

**মাননীয় অধ্যক্ষ ঃ**-Thank You.

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ**- মাননীয় অধ্যক্ষ মহোদয়, মোৰ এইটো cut-motion ৰ ওপৰত নহয়, মই অকনমান কবলগীয়া হ'ব এই কাৰণেই, যে মাননীয় হাজৰিকা ছাৰ ডাঙৰীয়াই যেতিয়া কলে যে River Research ৰ কথা সেইখিনি সময়তে আহিলে, মই ২ টা Point কাৰণ আমাক মিছা কথা কৈ আছে বুলি কৈছে। প্ৰকৃততে মাটিখিনি LAC ৰ যোগেদি দিয়া হ'ল। LAC ত চৰকাৰী মাটি Allotment কৰা হয়। ব্যক্তিগত মাটি LAC ৰ যোগেদি কৰা নহয় আমি সকলো সন্মানীয় সদস্যই জানো। আৰু এই মাটিখিনি ১৯৬৭ ত ৮ লাখ টকা ব্যক্তিগত মালিকক দিয়াৰ পাছত, Acquisition কৰিছিল। তাৰ ছাৰ gazette notification আছে। আপোনাক মই তথ্যখিনি দি দিম।

**মাননীয় অধ্যক্ষ ঃ**- আপুনি মোক দি দিব। মই চাই লম। I will look into the paper.

**শ্ৰী দেৱব্ৰত শইকীয়া, বিৰোধী দলৰ দলপতি ঃ**- সেই সময়ত ৮ লাখ টকা দিয়া হৈছিল। এতিয়া চৰকাৰী মাটিৰ নিম্নতম মুল্যত দিয়া হয়। সেই গতিকে তাৰ যি সকল কৰ্মচাৰী তেখেত সকলে ইতিমধ্যে চৰকাৰক আবেদন জনাইছিল যে Current value লৈ লওঁক।

**মাননীয় অধ্যক্ষ ঃ**- ঠিক আছে। You can give me all the papers মই লম। ঠিক আছে। তেখেতে কিবা এটা কৈছে।

**শ্ৰী সিদ্ধাৰ্থ ভট্টাচাৰ্য্য, মন্ত্ৰী ঃ**- অধ্যক্ষ মহোদয় এই মাটিখিনিৰ আৱন্টন সম্পৰ্কে Cabinet ত সিদ্ধান্ত লোৱা হৈছে। Cabinet এই আৱন্টন দিব পাৰি বুল সিদ্ধান্ত লোৱাৰ পাছতহে এই খিনি কাম আগবাঢ়িছে।

**মাননীয় অধ্যক্ষ ঃ**- আপুনি kindly তথ্যটো মোক Furnish কৰি দিব। I will examine both the documents কোনে কৈ আছিল।

**কমলাক্ষ দে পুৰকায়স্থ ঃ** আসলে আমাদের সবার শুনার ক্ষমতা থাকা দরকার। আমরা ট্রেজারী বেঞ্চ থেকে হয়ত কিছু একটা বলব। আর সেইটা শুনার জন্য পরিবেশ টা যদি নষ্ট করা হয় তাহলে শুনার ধৈর্য্য থাকেতে হবে।

**মাননীয় অধ্যক্ষ ঃ**- আপোনালোকে কিয় কমেন্ট দি আছে? ২ মিণিট আপোনালোকে ধৈৰ্য্য ধৰিব

নোৱাৰে। ১ মিণিট please, please I have already told you to concentrate on cut-motion first. Regarding this issue, your leader will give me the papers,I will examine, I will check it and accordingly I will give my points. You just go through the main cut-motion. Land is not related to cut-motion. Ok. মই কাগজ লম Leader of the Opposition ৰ পৰা।

**কমলাক্ষ দে পুরকায়স্থ ঃ** অধ্যক্ষ মহোদয় , River Research Centre একটা চাই। বেলতলাতে যদি অসুবিধা হয় তাহলে অন্য কোনও জায়গাতে হলে ভালো হয়। আর বেলতলা হলে খুব সুবিধা হয় আমাদের।

**মাননীয় অধ্যক্ষ ঃ-** বেলগলৈ যাওক একেটা কথাকে কৈ আছে।

**কমলাক্ষ দে পুরকায়স্থ ঃ** অধ্যক্ষ মহোদয়, জলের অপর নাম জীবন। আমরা সবাই জানি। জলকে সম্পদ হিসাবে ব্যবহার করতে হবে। আমরা অসমবাসী জলকে সমস্যা বলে মনে করি। আমরা অসমে যারা বসবাস করি, তিন, চার বা পাঁচ মাস শুকনো সিজন দেখে থাকি। তারপরে আমাদের মধ্যে একটা ভয় আসে। এখন বন্যা আসবে এবং বন্যা আসার সঙ্গে সঙ্গে আমাদের জন-জীবনকে বিনষ্ট করে দেবে। কিছু কিছু মানুষের জন্য ভালো আর বেশিরভাগ মানুষের জন্য খারাপ। সেই বিষয়টা নিয়ে আমাদের এই পবিত্র সদনে অনেক বার বিতর্ক হয়েছে। আমাদের Resolution নেওয়া হয়েছে, এই সমস্যাকে রাষ্ট্রীয় সমস্যা হিসাবে যাতে আমরা ঘোষণা করতে পারি। কিন্তু Resolution নেওয়ার পরও সেই জিনিসগুলো কিন্তু করা হয়নি। পূর্বতন সরকার বা বর্তমান সরকারকে আমরা বলছি না। কোনও সরকারই এই সমস্যাকে কিন্তু রাষ্ট্রীয় সমস্যা হিসাবে ঘোষণা করার জন্য কোন প্রবণতা দেখায়নি। এখন রাজ্যে আপনাদের সরকার আছে, কেন্দ্রেও আপনাদের সরকার । আমরা চাই আপনারা কিছু একটা করুণ তাহলে অসমবাসীর একটা লাভ হবে। কিন্তু শুধু বক্তৃতা না দিয়ে কিছু positive কথা বার্তা যাতে বলা হয়। আমাদের বরাকে এবার ভয়ঙ্কর বন্যা হয়েছিল। সেই বন্যাতে national highway এর উপর দিয়ে অনেক জল ছিল। সেই বিষয়ে সরকারের তৎপরতা ছিল। মুখ্যমন্ত্রী আমাদের সঙ্গে মিটিং করেছিলেন। যেগুলো erosion হয় SDRF যেগুলো বাঁধ নির্মান করতে BDM এর তরফ থেকে যেগুলো প্রপোজাল দেওয়া হয় এখানে আসার পর সেই প্রপোজালগুলো গৃহীত হয় না। যে প্রপোজাল গুলো দেওয়া হয় সেই গুলোর সিলেকশন কারা করেন? অধ্যক্ষ মহোদয় আগে বলা হয়েছিল যে বিভাগের তরফ থেকে সিলেকশন করা হয়। কিন্তু গণতান্ত্রিক শাসন ব্যবস্থায় আমরা বলেছিলাম মন্ত্রীদেরকে দিয়ে একটা কমিটি গঠন করা হোক। মন্ত্রীদেরকে দিয়ে কমিটি গঠন হল, কিন্তু তারপরও যে গুলো গুরুত্বপূর্ণ scheme সেই গুলো sanction করা হয় না। গুরুত্বপূর্ণ scheme গুলো sanction করা যদি হত তাহলে হয়ত বা যে বন্যা হত, সেই বন্যার হাত থেকে পরিত্রান পাওয়া যেত।

**মাননীয় অধ্যক্ষ ঃ** মই পাঁচ-দহ মিনিটৰ ভিতৰত শেষ কৰি লওঁ নেকি এখেতৰখিনি? কেইবাজনো বক্তা আছে। মই ১৫ মিনিটতকৈ দিয়া নাই। We have taken atleast minimum 5 minutes। মই, বিধায়ক শ্ৰী কমলাক্ষ দে পুৰকায়স্থৰ বক্তৃতাটো শেষ কৰি দিব বিচাৰিছো। Please continue কৰক সদনে যদি বেয়া নাপায়, তেতিয়া শেষ হৈ যাব। ১৫ মিনিটতকৈ বেছি কাকো দিয়া নাই।

**কমলাক্ষ দে পুরকায়স্থ ঃ** অধ্যক্ষ মহোদয় ১০০ কোটি টাকারও কমিটমেন্ট করা হয়েছিল । সেই

১০০ কোটি টাকা করার পর আমরা প্রপোজাল গুলো দিয়েছিলাম। গত বছর বাজেটে করা হয়েছিল। যখন মুখ্যমন্ত্রী গিয়েছিলেন তখন করা হয়েছিল কিন্তু আজ অবধি সেই ১০০ কোটি টাকার মধ্যে ১ কোটি টাকার কাজও আজ পর্যন্ত হয়নি । আমাদের বরাকে দুটি বিশিষ্ট নদী আছে, বরাক এবং কুশিয়ারা নদী। অধ্যক্ষ মহোদয়, আগে এই নদী দিয়ে কলকাতা থেকে জাহাজ আসত। এখন বর্তমান সময়ে এই নদী দিয়ে জাহাজ আর আসে না। যদিও ইনলেণ্ড ওয়াটারের তরফ থেকে ডেজিং করা হয়েছে। মন্ত্রী মহোদয় এখানে উপস্থিত আছেন। আমি মন্ত্রী মহোদয়কে বলছি, একবার বরাকে আসুন। আমি আপনাকে নিয়ে যাব যেখানে ডেজিং করা হয়েছে। কোটি কোটি টাকা নষ্ট করা হয়েছে। সেই জিনিসগুলো আমি আপনাকে দেখিয়ে দেব। আমি কয়েকদিন আগে জিজ্ঞাসা করেছিলাম যে কত টাকার কাজ হয়েছে, বললেন ৯০ কোটি টাকার কাজ হয়েছে। আমরা প্রায় শেষ পর্যায়ে আছি। কোন জায়গায় কি কাজ হচ্ছে অধ্যক্ষ মহোদয় আমার নজরে আসেনি। অতএব আমরা চাই যে, আপনি একবার বরাকে আসুন। আসার পর আপনি বুঝতে পারবেন যে এই টাকাটা কোন দিকে যাচ্ছে। কোন দিকে ডেজিং হচ্ছে। বিশেষ করে দেবানন্দ হাজরিকা মাজুলির কথা বলেছিলেন যে, মাজুলির অনেক উন্নয়ন হয়েছে। পাঁচ বছর আগে আমি গিয়েছিলাম। পাঁচ বছর পর , কিছুদিন আগে আমি আর রূপজ্যোতি সেখানে যাই। অবস্থা একই আছে বিশেষ কিছু একটা পরিবর্তন হয় নাই। পরিবর্ত্তন মানে কি সব নতুন করে বানানো হয়েছে? ব্রহ্মপুত্র নদী কি আগে ছিলনা? এই সরকার আসার পর ব্রহ্মপুত্র নদী কি আমরা দেখতে পারছি? আমাদের কোন মাস্টার প্লেন নাই। আগেও ছিলনা বর্তমানেও কোন মাস্টার প্লেন নাই। বাজেটে টাকা ধরা হয়, কিন্তু সেই টাকাগুলো কিভাবে ব্যবহার করা উচিত, কিভাবে রিসার্চ করা উচিত, কিভাবে একটা রিসার্চ সেন্টারের দরকার সেই জিনিসগুলোর বিষয়ে আমরা কিছু করিনা। বিশেষ করে কুশিয়ারা নদীটা হচ্ছে ইন্টারনেশন্যাল রিভার ।একদিকে ইণ্ডিয়া অপরদিকে বাংলাদেশ। ইন্টারনেশন্যাল রিভার হিসাবে গঙ্গা রিভার কমিশন থেকে অনেক টাকা আসা সম্ভব। সেই দিকে কিন্তু কোনো মনোনিবেশ করা হয় না। অতএব আমরা চাই বড় বড় স্কিম নেওয়া হোক। আমার সমষ্টি বা বরাকের অনেক সমষ্টি আছে যেগুলো বরাক নদী ও কুশিয়ারা নদীর পাশে অবস্থিত। অতএব এই দুটা নদীতে যখন জল হয় বা ইরোশন হয় তখন এই অঞ্চলের মানুষ অনেক ভাবে বিপদের সন্মুখীন হয়। MNR র ২০১২ এবং ১৩ তে রেভিনিউ ডিপোজিট ছিল । সেখানের টাকা সেংশন হয়েছিল এবং কাজও হয়েছিল। বিলগুলো চিফ ইঞ্জিনিয়ার অফিসে আছে। ২০১৩ সালের ৩১ জানুয়ারী সেই টাকা গুলো রিলিজ করা হয়েছিল। তারপর সেই টাকাটা করিমগঞ্জ পাঠানোর পর কোন একটা কারণে সেই টাকাটা ঘুরে আসে। টাকা গুলোও চিফ ইঞ্জিনিয়ার অফিসে রাখা আছে। সেই টাকাগুলোর যে ব্যবহার হবে, সেই টাকা গুলো যে ঠিকাদারকে দেওয়া হবে, কি জন্য সেগুলো এখনও দেওয়া হচ্ছে না সেটা আমরা বুঝতে পারছি না। সেগুলো এনকোয়ারি করা হোক এবং কেন হেরাসমেন্ট করা হচ্ছে? সেই টাকাগুলো কি রেভিনিউ ডিপোজিট করে রাখা হচ্ছে ? সেই বিষয়গুলো যাতে ভালো করে পরীক্ষা করা হয়। যাতে positive way তে অসমের স্বার্থে, জনগনের স্বার্থে কাজ করা হয়। কল্যানকামী রাষ্ট্র হিসাবে আমাদের মুখ্য উদ্দেশ্য মানুষের কল্যানে কাজ করা। যে রাজনীতিতে মানুষের কল্যান হয় না , মানুষের ভালো হয় না,সেই রাজনীতি করা উচিত নয়। মানুষের উন্নয়ের জন্য যাতে সরকার কাজ করে। আপনারা positive way তে কাজ করুন। মাস্টার প্লেন করে এই বিভাগকে যাতে গুরুত্ব দেওয়া হয়। কতগুলো বিভাগকে গুরুত্ব দেওয়া হয়, কিন্তু বাকি বিভাগগুলোকে গুরুত্ব দেওয়া হয় না। এই water Resource বিভাগ গুরুত্বপূর্ণ বিভাগ ।

বাজেটে আমারা দেখি অন্যান্য বিভাগকে অনেক বেশি টাকা দেওয়া হয় । কোটি কোটি টাকা দেওয়া হয়। আপনারা বলবেন কাট মোশনে আপনি বলছেন যে টাকা কমানোর জন্য। আমি টাকা কমানোর জন্য বলছি না। আমি যে সিস্টেম,সেই সিস্টেমের বিরুদ্ধে বলছি। আমরা চাই একটা সুন্দর বিভাগ এবং মানুষের উন্নয়নের জন্য, মানুষের সমস্যার সমাধানে যাতে এই বিভাগ কাজ করে। ধন্যবাদ।

**শ্ৰী কমলাক্ষ দে পুৰকায়স্থ, কৰিমগঞ্জ ঃ বেংগলী..**

**মাননীয় অধ্যক্ষ ঃ** এই শেষৰ লাইনৰ নিচিনা কথাখিনি কলে কোনোধৰণৰ বিতৰ্ক নহয়। শেষত যিখিনি কথা কৈছে তেখেতে খুৱ ভাল কথায়েই কৈছে। ২০ ফেব্ৰুৱাৰী, ২০১৯ তাৰিখে শ্ৰী অশোক শৰ্মা আপুনি প্ৰথমতে আৰম্ভ কৰিব, তাৰ পাছত শ্ৰীনুৰুল হুদাই কৰিব। মই লিষ্টৰ নামটো কৈ দিছো À ÕËú±ßÁú÷ÇÕ±ÂÅ›¶÷Ë ÂßÁÂ day after tommorrow.

**এতিয়া সদন অহা ২০ ফেব্ৰুৱাৰী, ২০১৯ তাৰিখে পুৱা ৯.৩০ বজালৈকে স্থগিত ৰখা হ'ল।**